ৰাইজৰ বাতৰি

১ ছেপ্টেম্বৰ ২০২০

চতুঃসপ্ততিতম্ স্বাধীনতা দিৱস উদ্‌যাপন

অসম চৰকাৰ

সর্বানন্দ সোণোৱাল
মুখ্যমন্ত্রী, অসম

ক'ভিড-১৯ মহামাৰী প্ৰতিৰোধৰ বাবে ৰাজ্যখনত অব্যাহত থকা
সংগ্ৰামত উল্লেখনীয় ভূমিকা লৈ ৰাইজৰ সকাহৰ অৰ্থে
অবিৰতভাৱে সেৱাত নিয়োজিত
প্ৰতিগৰাকী কৃষক তথা কৃষি বিভাগ
খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ
উপায়ুক্ত, মহকুমাধিপতি, চক্ৰ বিষয়া,খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়
জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু জলসম্পদ বিভাগৰ
বিষয়া-কৰ্মচাৰী তথা অসমৰ সকলো চাফাই কৰ্মীলৈ
আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

ৰাইজৰ বাতৰি

একাদশ বছৰ চতুর্থ সংখ্যা ১-১৫ ছেপ্টেম্বৰ, ২০২০

গৃহ নং ঃ ১, দ্বিতীয় মহলা,
দ্বাৰকা পথ, মহাপুৰুষ হৰিদেৱ পথ,
হাতীগাঁও, গুৱাহাটী ঃ ৭৮১০৩৮

এই সংখ্যাত

স্বাধীনতা দিৱসৰ ভাষণত উত্তৰ পূবৰ বিকাশত বিশেষ গুৰুত্ব প্ৰধানমন্ত্রীৰ	৩
অসম চুক্তি ৰূপায়ণৰ ক্ষেত্রত কোনো আপোচ কৰা নহ'ব ঃ মুখ্যমন্ত্রী	৫
স্বাধীনতা দিৱসত জাতি, মাটি, ভেটি ৰক্ষাৰ প্ৰতিশ্রুতি দোহাৰিলে মন্ত্রী ড° শর্মাই	৯
ক'ভিড নিৰাময়ৰ বাবে প্লাজমা দানৰ প্রতি বিপুল সঁহাৰি ৰাজ্যত	১২
১৯৭ হাইস্কুল, ৯ উচ্চতৰ মাধ্যমিক, ১৪৯ জুনিয়ৰ কলেজ প্রাদেশিকীকৰণ	১৫
গুৱাহাটী-উঃ গুৱাহাটী সংযোগী নদীৰ ওপৰত নির্মিত দেশৰ দীর্ঘতম ৰ'পৰে মুকলি	১৮
১ নৱেম্বৰৰ পৰা গুৱাহাটীৰ এইমছত আৰম্ভ হ'ব শৈক্ষিক বর্ষ	২৩
আঁচনিৰ কামসমূহ খৰতকীয়া কৰাৰ নির্দেশ কৃষি মন্ত্রীৰ	২৭
বেচৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানে নিজাববীয়াকৈ ধার্য কৰিব নোৱাৰিব মাচুল	৩১
আৰক্ষীৰ মানসিকতা সলনিৰ লগতে আৰক্ষীৰ প্রতিও ৰাইজৰ মনোভাৱৰ পৰিৱর্তন হৈছে	৪৩
সম্প্রতি ৰাজ্যৰ দৃশ্যপট সলনি হৈছে	৪৫
ক'ভিড-১৯ সন্দর্ভত তৃণমূল পর্যায়ত জৰীপ চলাবলৈ মুখ্যমন্ত্রীৰ নির্দেশ	৪৭
অসম অলিম্পিক সন্থাৰ জৰিয়তে গ্রাম্য পর্যায়ত অলিম্পিক আয়োজনৰ সিদ্ধান্ত	৪৮
মাজুলীৰ সাংস্কৃতিক আন্তঃগাঁথনিৰ বিকাশত গুৰুত্ব মুখ্যমন্ত্রীৰ	৫৩
ড° সর্বপল্লী ৰাধাকৃষ্ণণ আৰু শিক্ষক দিৱস ঃ পুষ্পাঞ্জলি গোস্বামী	৫৫
স্বাৱলম্বনৰ বাটত ... ঃ ড° অঞ্জনা চৌধুৰী শইকীয়া	৫৭
কৃষি আৰু পশুধনৰ লগত সমন্বিত মীন পালন কৌশল ঃ ড° ধ্রুৱজ্যোতি শর্মা	৬০
এটি সপোনৰ আৰম্ভণি ঃ গীতাঞ্জলি বৰকটকী	৬৩
নিয়োগ বাতৰি	৬৭

অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়, দিছপুৰ, গুৱাহাটী ৭৮১০০৬ ৰ দ্বাৰা প্রকাশিত আৰু চৰকাৰী ছপাশাল, গুৱাহাটী ২১ ত মুদ্রিত।

উপদেষ্টা ঃ হৃষীকেশ গোস্বামী সম্পাদক ঃ ভূপেন্দ্র নাথ ভট্টাচার্য

Published by Directorate of Information & Public Relations, Govt. of Assam, Dispur, Guwahati 781006 and Printed at Assam Govt. Press Guwahati-781021.

Adviser : Hrishikesh Goswami Editor : Bhupendra Nath Bhattacharyya

Phone : 0361-2264334, Email : raijarbatori@gmail.com, raijarbatori123@gmail.com

সম্পাদকীয়

অৰুণোদয় আঁচনি

অসম চৰকাৰে চলিত বৰ্ষৰ বাজেটত ঘোষণা কৰা অনুসৰি দুখীয়া লোকসকলক সহায় কৰাৰ অৰ্থে অৰুণোদয় আঁচনি ৰূপায়ণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে। অহা ২ অক্টোবৰৰ পৰা এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত ১৯ লাখ পৰিয়ালে প্ৰতিমাহে ৮৩০ টকাকৈ লাভ কৰিব। নিঃসন্দেহে এইটো এটা বৃহৎ পদক্ষেপ। বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ বাজেট ভাষণত ঘোষণা কৰা অনুসৰি অসমৰ ইতিহাসত প্ৰত্যক্ষ সৰ্ববৃহৎ লাভ হস্তান্তৰ ব্যৱস্থা হিচাপে পৰিগণিত হোৱা এই আঁচনিৰ বাবদ ২,৮০০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰা হয়। ৰাজ্য চৰকাৰে প্ৰশাসনৰ সুচলতা আৰু দৰিদ্ৰতা নিৰ্মূলৰ বাবে এনেধৰণৰ বিশেষ প্ৰয়াস চলাইছে। ইয়াৰ জৰিয়তে দুখীয়া লোকসকললৈ পৰিপুষ্টি আৰু স্বাস্থ্যৰ ন্যূনতম নিশ্চয়তা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল যে চৰকাৰে মনোনীত পৰিয়ালৰ এগৰাকী মহিলা সদস্যৰ বেংক একাউণ্টতহে পোনপটীয়াকৈ এই আঁচনিৰ ধন জমা দিব। এইখন আঁচনিত স্বামীহীনা/বিবাহ বিচ্ছেদিতা/অবিবাহিত মহিলা/পৰিয়ালৰ পৰা পৃথকে থকা মহিলাক অগ্ৰাধিকাৰ দিয়া হ'ব। অৱশ্যে এই আঁচনিৰ হিতাধিকাৰীৰ পৰিয়ালৰ মুঠ বাৰ্ষিক আয় ২ লাখ টকাতকৈ কম হ'ব লাগিব। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই ব্যৱস্থাৰ পৰা অসমৰ এক বৃহৎ সংখ্যক লোক উপকৃত হ'ব। ইয়াৰ উপৰি ইতিমধ্যে ৰাজ্য চৰকাৰে দুখীয়া লোকসকলৰ বাবে আন কেইবাখনো আঁচনি ৰূপায়ণ কৰিছে। এই আঁচনিসমূহৰ পৰা দুখীয়া লোকসকল যথেষ্ট পৰিমাণে উপকৃত হৈছে। আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে স্বাধীনতা দিৱসৰ দিনা আত্মনিৰ্ভৰ অসম গঢ়াৰ পদক্ষেপ হিচাপে কৃষিভিত্তিক অৰ্থনীতিত নতুন গতি দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কেবাটাও সিদ্ধান্ত ঘোষণা কৰিছে। এই সিদ্ধান্তসমূহ কাৰ্যকৰী হ'লে কৃষকসকলৰ লগতে সাধাৰণ লোকসকলো লাভৱান হ'ব। কৃষকসকলে যাতে উৎপাদিত ধানৰ বিপৰীতে ন্যূনতম সমৰ্থন মূল্য লাভ কৰে সেইটো নিশ্চিত কৰিবলৈ চৰকাৰে জিলাসমূহত ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰিবলৈ সিদ্ধান্ত লৈছে। এনেধৰণৰ ব্যৱস্থাই কৃষকসকলক উপকৃত কৰিব আৰু কৃষিকৰ্মত নিয়োজিত হ'বলৈ যুৱচামকো উৎসাহিত কৰিব। ৰাজ্যখন প্ৰকৃত অৰ্থত আত্মনিৰ্ভৰ হ'বলৈ হ'লে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত অধিক গুৰুত্ব দিব লাগিব আৰু সকলোৱে এই খণ্ডৰ বিকাশৰ বাবে মনোযোগ দিব লাগিব। ইতিমধ্যে কৃষি আৰু পশুপালনৰ বাবে বহু যুৱক আগবাঢ়ি আহিছে। এইটো এটা শুভ লক্ষণ। ৰাজ্যখনৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ উৎপাদন কৰাৰ লগতে অসমৰ বাহিৰতো ইয়াৰ এখন বজাৰ সৃষ্টি কৰি ল'ব পাৰিলে আমাৰ অৰ্থনীতি টনকিয়াল কৰিব পৰা যাব। ৰাজ্য চৰকাৰৰ এনেবিলাক পদক্ষেপে যুৱক-যুৱতীসকলক আকৰ্ষিত কৰা পৰিলক্ষিত হৈছে। লাহে লাহে মানসিকতাও সলনি হৈছে। সংস্থাপনৰ বাট মুকলি কৰি দিয়াৰ লগতে দুখীয়া লোকসকলক আৰ্থিকভাৱে কিছু সকাহ দিবলৈ চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপসমূহ নিশ্চয়কৈ প্ৰশংসনীয়। ❐❐

“ৰাজ্যখন প্ৰকৃত অৰ্থত আত্মনিৰ্ভৰ হ'বলৈ হ'লে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত অধিক গুৰুত্ব দিব লাগিব আৰু সকলোৱে এই খণ্ডৰ বিকাশৰ বাবে মনোযোগ দিব লাগিব। ইতিমধ্যে কৃষি আৰু পশুপালনৰ বাবে বহু যুৱক আগবাঢ়ি আহিছে। এইটো এটা শুভ লক্ষণ। ৰাজ্যখনৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ উৎপাদন কৰাৰ লগতে অসমৰ বাহিৰতো ইয়াৰ এখন বজাৰ সৃষ্টি কৰি ল'ব পাৰিলে আমাৰ অৰ্থনীতি টনকিয়াল কৰিব পৰা যাব। ৰাজ্য চৰকাৰৰ এনেবিলাক পদক্ষেপে যুৱক-যুৱতীসকলক আকৰ্ষিত কৰা পৰিলক্ষিত হৈছে।”

দেশৰ চতুঃসপ্ততিতম্ স্বাধীনতা দিৱস উদ্‌যাপন

স্বাধীনতা দিৱসৰ ভাষণত উত্তৰ-পূবৰ বিকাশত বিশেষ গুৰুত্ব প্ৰধানমন্ত্ৰীৰ

কৰ'না সংকটৰ মাজতেই দেশে উদ্‌যাপন কৰিলে ৭৪ সংখ্যক স্বাধীনতা দিৱস। অৱশ্যে আগৰ দৰে আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰা হোৱা নাই এইবাৰৰ স্বাধীনতা দিৱসৰ অনুষ্ঠান। কৰ'নাকালৰ স্বাধীনতা দিৱস উদ্‌যাপনৰ অনুষ্ঠানলৈ সীমিত সংখ্যক লোককহে নিমন্ত্ৰণ জনোৱা হয়। নিৰ্বাচিত নিমন্ত্ৰিত অতিথিবৃন্দৰ সন্মুখত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তোলন কৰে ৰাষ্ট্ৰীয় পতাকা। ঐতিহাসিক লালকিল্লাত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পিছত স্বাধীনতা দিৱস উপলক্ষে দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে ডিজিটেল স্বাস্থ্য অভিযান আঁচনিৰ পৰা নতুন চাইবাৰ নীতিলৈকে কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। দেশত ইতিমধ্যে আৰম্ভ হোৱা এই বৃহৎ স্বাস্থ্য অভিযানটোৰ নাম ৰখা হৈছে ৰাষ্ট্ৰীয় ডিজিটেল স্বাস্থ্য অভিযান। ইয়াৰ অধীনত সকলো ভাৰতীয়ই একোখনকৈ স্বাস্থ্য পৰিচয়পত্ৰ লাভ কৰিব। ইয়াৰ জৰিয়তে সকলোৰে বাবে সুলভ হ'ব স্বাস্থ্য সেৱা। স্বাস্থ্য পৰিচয়পত্ৰত এজন লোকৰ স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন তথ্য যেনে— স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন পৰীক্ষাৰ প্ৰতিবেদন, লোকজন আক্ৰান্ত হোৱা বিভিন্ন ৰোগৰ সবিশেষ, লোকজনক কোন চিকিৎসকে কি ঔষধ কেতিয়া দিলে, চিকিৎসালয়ত ভৰ্তি আৰু তাৰ পৰা ঘৰলৈ অহাৰ দিন আদিৰ বিতং বিবৰণ থাকিব। প্ৰধানমন্ত্ৰীয়ে আৰু কয় যে কেন্দ্ৰীয় চৰকাৰে শীঘ্ৰে নতুন চাইবাৰ নিৰাপত্তা নীতিৰ বিষয়ে ঘোষণা কৰিব। চাইবাৰ ভাবুকিবোৰ প্ৰতিৰোধৰ বাবে দেশে সতৰ্ক হৈ আৰু সাৱধানতাৰে সিদ্ধান্ত লৈছে আৰু ধাৰাবাহিকভাৱে নতুন প্ৰণালীৰ বিকাশ কৰি আছে। ১ টকাতে ছেনিটাৰী নেপকিন যোগান ধৰিবৰ বাবে চৰকাৰে এখন আঁচনি গ্ৰহণ কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে কয়। স্বাধীনতা দিৱসৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে এন চি চিৰ সম্প্ৰসাৰণৰ বিষয়েও ঘোষণা কৰে। তেওঁ কয় যে দেশৰ সীমান্তৱৰ্তী আৰু উপকূলীয় এলেকাৰ যুৱক-যুৱতীসকলৰ বিকাশৰ কথা ভাবিয়েই চৰকাৰে এন চি চিৰ বিস্তাৰ কৰিব। ইয়াৰ অধীনত দেশৰ প্ৰায় ১ লাখ নতুন এন চি চি কেডেটক বিশেষ প্ৰশিক্ষণ দিয়া হ'ব। ইয়াৰে এক তৃতীয়াংশ হ'ব ছোৱালী। দেশৰ সীমান্ত আৰু উপকূলীয় অঞ্চলত ১৭৩ খন জিলা আছে। সীমান্ত এলেকাৰ কেডেটসকলক সেনাই আৰু উপকূলীয় এলেকাৰ কেডেটসকলক নৌসেনাই প্ৰশিক্ষণ দিব। প্ৰধানমন্ত্ৰীয়ে আৰু কয় যে অহা ১০০০ দিনৰ ভিতৰত দেশৰ ৬ লাখৰো অধিক গাঁৱক অপ্টিকেল ফাইবাৰ নেটৱৰ্কেৰে সাঙোৰা হ'ব। সমগ্ৰ দেশতে বিয়পি পৰা কৰ'না ভাই�ৰাছৰ

প্রতিষেধক সন্দর্ভতো প্রধানমন্ত্রীয়ে কয় যে কম দিনৰ ভিতৰতে দেশৰ সকলো লোকে কৰ'নাৰ প্রতিষেধক লাভ কৰাটো নিশ্চিত কৰিবলৈ চৰকাৰে এক পথ নির্দেশনা যুগুত কৰিছে। দেশত বর্তমান কৰ'নাৰ তিনিবিধ সম্ভাব্য প্রতিষেধকৰ পৰীক্ষণ বিভিন্ন পর্যায়ত চলি আছে। তেওঁ কয় যে বিজ্ঞানীসকলে সেউজ সংকেত দিলেই বৃহৎ সংখ্যক প্রতিষেধক প্রস্তুত কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে সকলো প্রস্তুতি সম্পূর্ণ কৰা হৈছে। ভাষণ প্রসংগত প্রধানমন্ত্রীয়ে ভাৰতীয় সেনা বাহিনীয়ে এল অ' চিৰ পৰা এল এ চিলৈকে ভাৰতৰ ভূখণ্ডৰ বিৰুদ্ধে আগ্রাসনৰ চেষ্টা চলোৱা শত্রুক সমুচিত উত্তৰ দিয়া বুলি মন্তব্য কৰে। আত্মনির্ভৰ ভাৰতৰ জৰিয়তে আগন্তুক দিনত দেশখনে আন এক উচ্চতাত গৈ উপনীত হ'ব বুলি মন্তব্য কৰি প্রধানমন্ত্রীয়ে কয় যে ভাৰতে যি লক্ষ্য গ্রহণ কৰে তাত উপনীত নোহোৱাকৈ সেই লক্ষ্য কেতিয়াও পৰিহাৰ নকৰে। আন্তঃগাঁথনিৰ ক্ষেত্রত নতুন বিপ্লৱৰ সূচনা কৰিবলৈ বিভিন্ন খণ্ডত প্রায় ৭ হাজাৰ প্রকল্প চিনাক্ত কৰি সেইবোৰৰ কাম পর্যায়ক্রমে আৰম্ভ কৰাৰো প্রতিশ্রুতি দিয়ে প্রধানমন্ত্রী মোদীয়ে। মেক ইন ইণ্ডিয়া এতিয়া মেক ফৰ ৱর্ল্ড আঁচনিত পৰিণত হোৱা বুলি উল্লেখ কৰি যোৱা বছৰ ভাৰতত প্রত্যক্ষ বিদেশী বিনিয়োগ ১৮ শতাংশলৈ বৃদ্ধি পোৱা বুলি তেওঁ কয়। প্রধানমন্ত্রীগৰাকীয়ে বিশ্বৰ অর্থনীতিত ভাৰতৰ অংশীদাৰিত্ব বৃদ্ধি পোৱা উচিত বুলি উল্লেখ কৰি এইক্ষেত্রত চৰকাৰে কাম কৰি যাব বুলিও ঘোষণা কৰে। প্রধানমন্ত্রীগৰাকীয়ে ভাষণত দেশৰ যুৱতীসকলৰ বিয়াৰ ন্যূনতম বয়স বৃদ্ধি কৰাৰ ইংগিতো দিয়ে। কন্যাসকল যাতে পুষ্টিহীনতাত নোভোগে আৰু উপযুক্ত বয়সতহে যাতে তেওঁলোকৰ বিবাহ হয় সেয়া নিশ্চিত কৰাৰ বাবে চৰকাৰে এখন কমিটী গঠন কৰাৰ কথা উল্লেখ কৰি প্রধানমন্ত্রীয়ে কয় যে এই কমিটীয়ে প্রতিবেদন দাখিল কৰাৰ লগে লগে কন্যাৰ বিবাহৰ বয়স সন্দর্ভত উপযুক্ত সিদ্ধান্ত লোৱা হ'ব। কৰ'নাৰ লগতে উত্তৰ-পূর্বাঞ্চল, পূব আৰু দক্ষিণ ভাৰত তথা পশ্চিম ভাৰতৰ কিছু অংশত হোৱা বান, ভূমিস্খলনৰ ফলত জনসাধাৰণ বহু সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। এনে পৰিস্থিতিত কেন্দ্রীয় চৰকাৰে ৰাজ্য চৰকাৰক প্রয়োজনীয় সুবিধা আগবঢ়োৱাৰ লগতে আর্তজনক সহায় কৰাৰ ক্ষেত্রত দুয়োখন চৰকাৰে ক'তো সুৰুঙা নাৰাখে বুলি তেওঁ প্রকাশ কৰে। দেশৰ সকলো অংশৰে সমবিকাশত গুৰুত্ব আৰোপ কৰি প্রধানমন্ত্রীয়ে উত্তৰ-পূর্বাঞ্চলৰ প্রসংগত কয় যে অঞ্চলটোত সম্পদ উভৈনদী যদিও সুযোগৰ অভাৰত অঞ্চলটো পিছপৰি আছে আৰু ইয়াৰ উন্নয়নৰ বাবে চৰকাৰে বহু ব্যৱস্থা গ্রহণ কৰিছে। দেশ স্বাধীন হোৱাৰ মহাৰজত জয়ন্তী অহা বছৰ উদ্‌যাপন কৰাৰ পূর্বে ৭৪ সংখ্যক স্বাধীনতা দিৱসত ১৩০ কোটি ভাৰতীয়ক আত্মনির্ভৰ ভাৰত আৰু ভোকেল ফৰ লোকেলৰ দুবছৰীয়া প্রতিজ্ঞা ল'বলৈ আহ্বান জনায় প্রধানমন্ত্রী মোদীয়ে। ❐❐

স্বাধীনতা দিৱসৰ কার্যসূচীত ৰাষ্ট্রীয় পতাকা উত্তোলন কৰি মুখ্যমন্ত্রী সোণোৱালৰ ঘোষণা

অসম চুক্তি ৰূপায়ণৰ ক্ষেত্রত কোনো ধৰণৰ আপোচ কৰা নহ'ব

অসম চুক্তিৰ ছয় নং দফা ৰূপায়ণৰ বাবে আন্তৰিকতাৰে পদক্ষেপ লৈছে চৰকাৰে

জাতিৰ পিতা মহামানৰ মহাত্মা গান্ধীৰ লগতে ভাৰতবর্ষৰ স্বাধীনতা সংগ্রামত দেশৰ বাবে চৰম ত্যাগ কৰা সকলো স্বাধীনতা সংগ্রামী আৰু ৰাজ্যখনৰ ছহিদ পিয়লি ফুকন, মণিৰাম দেৱান, কুশল কোঁৰৰ, কনকলতা বৰুৱা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী প্রমুখ্যে মুক্তিযোদ্ধাসকলক শ্রদ্ধাৰে স্মৰণ কৰি মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে ৭৪সংখ্যক স্বাধীনতা দিৱসত মহানগৰীৰ জজ খেলপথাৰত আয়োজিত ৰাজ্যিক কার্যসূচীত ৰাষ্ট্রীয় পতাকা উত্তোলন কৰে। মুখ্যমন্ত্রী সোণোৱালে দেশৰ সীমান্ত সুৰক্ষাত নিয়োজিত হৈ ভাৰতবর্ষৰ সার্বভৌমত্ব ৰক্ষা কৰা তথা সন্ত্রাসবাদৰ বিৰুদ্ধে সাহসেৰে যুঁজ দি আত্মবলিদান দিয়া বীৰ ছহিদসকলকো শ্রদ্ধাৰে সোঁৱৰে। অসম আৰক্ষী আৰু অর্ধসামৰিক বাহিনীৰ অভিবাদন গ্রহণৰ লগতে ৰাষ্ট্রীয় পতাকা উত্তোলনৰ পাছত দিয়া ভাষণত মুখ্যমন্ত্রী সোণোৱালে কয়, সম্প্রতি ৰাজ্যখনে বান আৰু কৰ'না ভাইৰাছৰ সংক্রমণৰ উপৰি গৰাখহনীয়া, ধুমুহা, বজ্রপাত, ভূমিস্খলন, আফ্রিকান ছোৱাইন ফিভাৰ, জাপানীজ এনকেফেলাইটিছ, বাঘজানৰ গেছ কূপৰ অগ্নিকাণ্ডৰ দৰে বহু দুর্যোগৰ সন্মুখীন হ'বলগীয়া হৈছে। ক'ভিড-১৯ত আক্রান্ত হৈ আৰু অন্যান্য কাৰণত যিসকল লোকে প্রাণ হেৰুৱালে তেওঁলোকৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে তেওঁলোকৰ পৰিয়ালসমূহৰ প্রতিও গভীৰ সমবেদনা জনায়। বানত ক্ষয়-ক্ষতিৰ সন্মুখীন হোৱা প্রতিগৰাকী নাগৰিকৰ দুখৰো মুখ্যমন্ত্রীগৰাকী সমভাগী হয়। তেওঁ কয়, নিঃসন্দেহে এই বর্ষৰ প্রথমার্ধত আৰম্ভ হোৱা কৰ'না ভাইৰাছৰ সংক্রমণে আমাৰ সন্মুখত প্রবল প্রত্যাহ্বানৰ সৃষ্টি কৰিছে। কিন্তু চিকিৎসক, নার্চ, আশা কর্মী, স্বাস্থ্য কর্মী, চাফাই কর্মী, লেবৰেটৰী টেকনিচিয়ান, এম্বুলেন্সৰ চালককে ধৰি স্বাস্থ্য বিভাগৰ অন্যান্য বিষয়া-কর্মচাৰী, গাঁওবুঢ়া, আৰক্ষী, গৃহৰক্ষী, গাঁওৰক্ষী বাহিনী, অগ্নিনির্বাপক বাহিনী, পৰিবহণ, খাদ্য আৰু অসামৰিক যোগান, কৃষি, জনস্বাস্থ্য কাৰিকৰী, শক্তি তথা আন চৰকাৰী বিভাগৰ ক'ভিড যোদ্ধাসকলৰ লগতে সাংবাদিকসকলৰ নিস্বার্থ সেৱা আৰু অসমবাসীৰ সক্রিয় সহযোগত এই ভাইৰাছৰ বিৰুদ্ধে আমি সফলতাৰে যুঁজ দি যাবলৈ সক্ষম হৈছো।

মুখ্যমন্ত্রীয়ে তেওঁৰ ভাষণত আত্মনির্ভৰ অসম গঢ়িবলৈ গ্রহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কৃষি ভিত্তিক অর্থনীতিত নতুন গতি দিয়াৰ লক্ষ্যৰে কেইবাটাও বিশেষ ঘোষণা আগবঢ়ায়। এই ঘোষণাসমূহ হ'ল—

আহু, শালি, বাওঁ, বড়ো আদিকে ধৰি আমাৰ ৰাজ্যত বিভিন্ন প্রজাতিৰ ধান উৎপাদন হয়। ৰাজ্যত উৎপাদিত হোৱা এই ধানসমূহৰ এখন বৃহৎ বজাৰ আছে। এই দিশৰ প্রতি লক্ষ্য ৰাখি বিজ্ঞানসম্মত পদ্ধতিৰে ধানৰ উৎপাদন বৃদ্ধি কৰিবলৈ আমাৰ চৰকাৰে প্রায়োগিক পৰিযোজনা হিচাপে ধেমাজি আৰু বাক্সা জিলাত 'ৰাইচ ক্লাষ্টাৰ' স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে।

ৰাজ্যৰ অধিকসংখ্যক কৃষকে যাতে উৎপাদিত ধানৰ বিপৰীতে চৰকাৰৰ ন্যূনতম সমৰ্থন মূল্য লাভ কৰে সেয়া নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে জিলাসমূহত ধান ক্ৰয়ৰ বাবে কেন্দ্ৰ মুকলি কৰি ধান ক্ৰয় কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব।

পথাৰৰ ধান কৃষকৰ পৰা গ্ৰাহকৰ কাষলৈ লৈ যোৱাত সহায়ক হোৱাকৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম চৰকাৰে ২২০টা ধান বনা কল স্থাপন কৰিবলৈ সাহায্য আগবঢ়াব। এই কলসমূহ স্থাপনৰ বাবে ইচ্ছুক উদ্যোগী, সমবায় আৰু আত্মসহায়ক গোটক ৩০ শতাংশ ৰাজ-সাহায্য আগবঢ়োৱা হ'ব।

পথাৰ আৰু বজাৰৰ মাজত যোগাযোগ অধিক সুচল কৰিবলৈ ৰাজ্যৰ থলুৱা যুৱক আৰু আত্মসহায়ক গোটক ৰাজ-সাহায্যযুক্ত ১০০০ খন 'মিনি ট্ৰাক' প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

২০১৪ চনত প্ৰথমবাৰৰ বাবে দেশৰ শাসনভাৰ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী ডাঙৰীয়াই অসম তথা উত্তৰ-পূবক জৈৱিক হাব্ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসম চৰকাৰে ইতিমধ্যে ৰাজ্যৰ ৭৫ হাজাৰ বিঘা কৃষিভূমি চিনাক্ত কৰিছে। স্বাধীনতা দিৱসৰ এই পৱিত্ৰ মূহূৰ্তত মই ঘোষণা কৰিব বিচাৰো যে ৰাজ্য চৰকাৰে বিশ্বনাথ জিলাত এটা Centre of Excellence for Organic Agriculture স্থাপন কৰিব।

আমাৰ চৰকাৰে ৰাজ্যত এখন দুগ্ধ ফেডাৰেচন গঢ়াৰ উদ্দেশ্যে জিলা দুগ্ধ সমবায়সমূহক শক্তিশালী ৰূপত গঢ় দিবলৈ পদক্ষেপ হাতত লৈছে। অনাগত দিনত অসম চৰকাৰে ৰাজ্যৰ সকলো জিলাত ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰে একোটাকৈ দুগ্ধ সংসাধন উদ্যোগ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ত প্ৰায়োগিক পৱিযোজনা হিচাপে মৰিগাঁও, শোণিতপুৰ আৰু বজালী জিলাত এই দুগ্ধ সংসাধন উদ্যোগ স্থাপন কৰা হ'ব।

ৰাজ্যত শীতলীকৰণ ভঁৰালৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ বিজ্ঞানসন্মতভাৱে সংৰক্ষণ সম্ভৱ কৰি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে শীতলীকৰণ ভঁৰাল স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে।

আমাৰ ৰাজ্যত মাকৈৰ এখন বৃহৎ বজাৰ আছে। ৰাজ্যত মাকৈৰ খেতি অধিক জনপ্ৰিয় কৰিবলৈ অসম চৰকাৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত শীঘ্ৰে এক নতুন কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছে।

তদুপৰি ৰাজ্য চৰকাৰে ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্বৰে প্ৰতিখন জিলাত পশুখাদ্য মিল স্থাপনৰো সিদ্ধান্ত গ্ৰহণ কৰিছে।

আমাৰ ৰাজ্যত প্ৰাকৃতিকভাৱে তথা অতি কম আয়াসতে হালধি, আদা, জলকীয়া, জাইফল, জালুক আৰু লং-ইলাচীকে ধৰি অন্যান্য মা-মছলা আদি উৎপাদন হয়। কম পৰিমাণৰ বিনিয়োগেৰে কম পৰিসৰত এই খেতি কৰি আৰ্থিকভাৱে যথেষ্ট লাভৱান হ'ব পাৰি। সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে হালধি আৰু আদাকে ধৰি আন মা-মছলাৰ কৃষি অধিক জনপ্ৰিয় কৰি তুলিবলৈ এক নতুন কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ সিদ্ধান্ত লৈছে।

মৎস্য খণ্ডত ৰাজ্যখনক স্বাৱলম্বী কৰি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস অব্যাহত ৰাখিছে। ৰাজ্যৰ সকলো বিল-জলাশয় চিনাক্তকৰণ আৰু জৰীপ কৰি থলুৱা আত্মসহায়ক গোটক মৎস্য পালনৰ উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

কৃষি ভূমিৰ উৎপাদন ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে জলসিঞ্চন খণ্ডৰ আঁচনিসমূহৰ উপযুক্ত ৰূপায়ণতো বিশেষ গুৰুত্ব আৰোপ কৰিছে। 'প্ৰধানমন্ত্ৰী কৃষি সিঁচাই আঁচনি'ৰ অধীনত অসম চৰকাৰে ৰাজ্যত সৌৰশক্তি আৰু বিদ্যুৎ শক্তি চালিত ২০ হাজাৰৰো অধিক ৩ অশ্বশক্তিসম্পন্ন দমকল বহুৱাবলৈ পদক্ষেপ লৈছে। ইতিমধ্যে ৯৬৯৭টা দমকল বহুওৱাৰ কাম সম্পূৰ্ণ হৈছে। এই পদক্ষেপৰ ফলস্বৰূপে ৰাজ্যৰ অতিৰিক্ত ৬ লাখ বিঘা কৃষি ভূমিত জলসিঞ্চনৰ সুবিধা উপলব্ধ হ'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, আমি কাৰ্যভাৰ গ্ৰহণ কৰিয়েই বিগত সাত দশকে ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত ৰাজ্যৰ থলুৱা জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছিলো। ইতিমধ্যে ৰাজ্য চৰকাৰে থলুৱাৰ স্বাৰ্থৰ অনুকূলে এখন নতুন ভূমি নীতি প্ৰস্তুত কৰিছে। তদুপৰি ৰাজ্যৰ ১ লাখ ভূমিহীন থলুৱা পৰিয়ালক মাটিৰ পট্টা প্ৰদানৰ লক্ষ্যৰে পদক্ষেপ গ্ৰহণ কৰি

৪৫,২৬১টা থলুৱা ভূমিহীন পৰিয়ালক মাটিৰ পট্টা আৰু অনুমোদন পত্ৰ প্ৰদান কৰা হৈছে।

সেইদৰে বিগত দশকসমূহত জৰীপ নোহোৱাকৈ থকা ৰাজ্যৰ গাঁওসমূহৰ বিজ্ঞানসন্মতভাৱে জৰীপৰ প্ৰক্ৰিয়া আৰম্ভ কৰি ইতিমধ্যে ২৬৮খন গাঁৱৰ জৰীপ সম্পূৰ্ণ কৰা হৈছে। 'অসম দৰ্শন' আঁচনিৰ অধীনত ২০১৯-২০ বৰ্ষত ৰাজ্যৰ ১৩৭ খন সত্ৰ-দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানক বৰ্ধিত হাৰত বাৰ্ষিক অনুদান প্ৰদানৰ বাবে ৩৬০ লাখ টকা মঞ্জুৰ কৰা হৈছে। চৰকাৰী ভূমিকে ধৰি ভি জি আৰ-পি জি আৰ ভূমি অবৈধ দখলৰ পৰা মুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

তেওঁ কয়, অসমীয়া ভাষা চিৰকালৰ বাবে যাতে সগৌৰৱে সুৱদিসুৰীয়াকৈ জীয়াই থাকে তাৰ বাবে বৰাক উপত্যকা, বিটিএডি আৰু পাৰ্বত্য জিলাকেইখনক বাদ দি ৰাজ্যৰ সকলো ইংৰাজী তথা আন মাধ্যমৰ শিক্ষানুষ্ঠানত অসমীয়া ভাষাৰ পাঠদান বাধ্যতামূলক কৰিবলৈ নতুন আইন প্ৰণয়ন কৰা হৈছে।

সেইদৰে, বিটিএডি আৰু ৰাভা হাছং এলেকা বাদ দি পূৰ্বৰ গোৱালপাৰা জিলাত বসবাস কৰা কোচ-ৰাজবংশী লোকসকলৰ বাবে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠনৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। একেদৰে মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবেও দুখন সুকীয়া স্বায়ত্তশাসিত পৰিষদ গঠনৰ কথা ঘোষণা কৰি ইয়াৰ কাৰ্যকৰীকৰণৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। তদুপৰি টাই আহোম, মৰাণ, মটক আৰু চুতীয়া জনগোষ্ঠীৰ সৰ্বাংগীণ বিকাশৰ বাবে এককালীন পুঁজি আবণ্টন দিয়া হৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে তেওঁৰ ভাষণত কয়।

ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ প্ৰসংগত তেওঁ কয়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে ইতিপূৰ্বে ৰাজ্যত থকা জনজাতিসমূহৰ স্বাৰ্থ আৰু অধিকাৰ বিঘ্নিত নোহোৱাকৈ ৰাজ্যৰ ৬ জনগোষ্ঠী ক্ৰমে মৰাণ, মটক, কোচ ৰাজবংশী, টাই আহোম, চুতীয়া আৰু আদিবাসী চাহ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছে। এই সম্পৰ্কীয় এখন বিধেয়ক কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাজ্যসভাত উত্থাপন কৰিছে। জনজাতিকৰণৰ মডেলিটী প্ৰস্তুত কৰাত সহায়ক হোৱাকৈ প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ ৰাজ্য চৰকাৰে গঠন কৰা মন্ত্ৰী গোটে বিভিন্ন জনগোষ্ঠীৰ সৈতে আলোচনাত মিলিত হৈছে। শেহতীয়াকৈ কৰ'না ভাইৰাছ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত এই প্ৰক্ৰিয়া কিছু স্তিমিত হৈছে। অৱশ্যে মন্ত্ৰী গোটৰ পৰা প্ৰতিবেদন লাভ কৰাৰ পিছতে ৰাজ্য চৰকাৰে প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব।

আনহাতে বিদেশী বিতাড়ন আন্দোলনৰ বীৰ ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জনাই মুখ্যমন্ত্ৰী সোণোৱালে কয়, 'অসমবাসীক আশ্বস্ত কৰিব বিচাৰো যে অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে ৰূপায়ণৰ বাবে অসম চৰকাৰ সম্পূৰ্ণৰূপে দায়বদ্ধ। সেয়েহে অসম চুক্তি ৰূপায়ণেৰে এখন বিদেশীমুক্ত অসম গঢ়ি তোলাৰ বাবে আমি

আন্তৰিকতাৰে পদক্ষেপ লৈ আহিছো। বিগত ৩৫ বছৰে কোনো এখন চৰকাৰে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ দিশত আগ্ৰহ প্ৰকাশ কৰা নাছিল। কিন্তু আমাৰ চৰকাৰৰ অনুৰোধ মৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াৰ তৎপৰতাত কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত এই চুক্তিৰ অন্যতম ৬ নং দফা ৰূপায়ণৰ বাবে এখন সমিতি গঠন কৰি দিয়ে। এই পদক্ষেপে অসম চুক্তি ৰূপায়ণৰ দিশত থকা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সদিচ্ছাৰ কথাই প্ৰতিফলিত কৰে। এই সমিতিখনে চলিত বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীত প্ৰতিবেদন দাখিল কৰিছিল যদিও সেই সময়ৰ পৰা বৰ্তমানলৈকে কৰ'না মহামাৰীয়ে সমগ্ৰ বিশ্বতে ইয়াৰ সংক্ৰমণ অব্যাহত ৰাখি জনজীৱন স্থৱিৰ কৰি তুলিছে। ইয়াৰ পৰিপ্ৰেক্ষিততে সমগ্ৰ দেশৰ লগতে অসমতো মাৰ্চ মাহৰ শেষৰ ফালে লকডাউন আৰম্ভ হয়। বৰ্তমানেও কৰ'না মহামাৰীৰ প্ৰকোপ হ্ৰাস পোৱা নাই। অৱশ্যে ৰাজ্য চৰকাৰে সকলো প্ৰত্যাহ্বান গ্ৰহণ কৰিও অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে আন্তৰিকতাৰে পদক্ষেপ লৈ আহিছে। ভাৰত চৰকাৰেও সমান্তৰালভাৱে এইক্ষেত্ৰত পদক্ষেপ লৈ আছে। মই অসমবাসীক দ্বিধাহীনভাৱে জনাব বিচাৰো যে অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত কোনোধৰণৰ আপোচ কৰা নহ'ব।' তেওঁ আৰু কয়, 'আমি গভীৰভাৱে বিশ্বাস কৰো যে অসমলৈ বিদেশীৰ প্ৰব্ৰজন ৰোধ কৰিবলৈ হ'লে সবাতোকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰা। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি ২০১৪ চনত চৰকাৰ গঠন কৰিয়েই মোদী ডাঙৰীয়াই বাংলাদেশ চৰকাৰৰ সৈতে ভূমি হস্তান্তৰ চুক্তি চূড়ান্ত কৰিছিল। ইয়াৰ ফলত বিবদমান হৈ

থকা লাতি টিলাত স্মার্ট ফেন্সিং নির্মাণৰ কাম সম্পূর্ণ হৈছে। সেইদৰে টুকুৰগ্রামত উন্মুক্ত হৈ থকা সীমাত Composite Fencing নির্মাণৰ কামো সম্পূর্ণ হৈছে। কেন্দ্রীয় চৰকাৰে সীমান্তৰ নদী অঞ্চল ছীল কৰিবৰ বাবে স্মার্ট টেকন'লজী ৰূপায়ণ কৰিছে। মোদী ডাঙৰীয়াৰ প্রত্যক্ষ হস্তক্ষেপতে সীমান্তৰ নদীপথেদি অনুপ্রৱেশ ৰোধৰ বাবে ধুবুৰী ছেক্টৰত BOLD-QIT নামৰ কাৰিকৰী প্রকল্পৰ সফল ৰূপায়ণ সম্ভৱ হৈছে। ইয়াৰ ফলত ৪৮ কিঃমিঃ দৈর্ঘ্যৰ নদী সীমা আজি সুৰক্ষিত হৈছে।'

চৰকাৰে অসমখন দুর্নীতিমুক্ত, বিদেশীমুক্ত, সন্ত্রাসবাদমুক্ত আৰু প্রদূষণমুক্ত ৰাজ্যৰূপে গঢ়ি তোলাৰ বাবে লোৱা সংকল্পৰ কথা ব্যক্ত কৰি মুখ্যমন্ত্রীগৰাকীয়ে কয়, আমাৰ দুর্নীতি-বিৰোধী পদক্ষেপে জনসাধাৰণ আৰু প্রশাসনৰ মাজত আস্থা আৰু বিশ্বাসৰ সাঁকো অধিক শক্তিশালী কৰিছে। ৰাজ্য চৰকাৰে সম্পূর্ণ স্বচ্ছ আৰু মেধাৰ ভিত্তিত ২০১৬-১৭ বর্ষৰ পৰা ৩৮ হাজাৰ যুৱক-যুৱতীক চৰকাৰী চাকৰিত স্থায়ী নিযুক্তি প্রদান কৰিছে। তদুপৰি সর্বশিক্ষা অভিযানৰ অধীনত কর্মৰত টেট্ শিক্ষক, ৰাজ্যিক পুলৰ শিক্ষক আৰু হাইস্কুলৰ ঠিকাভিত্তিত নিযুক্ত শিক্ষককে ধৰি সর্বমুঠ প্রায় ৪৬ হাজাৰ শিক্ষকৰ চাকৰিৰ কার্যকাল ৬০ বছৰলৈ বৃদ্ধি কৰা হৈছে। আনহাতে তৃতীয় আৰু চতুর্থ বর্গৰ চৰকাৰী চাকৰিত নিয়োগৰ ক্ষেত্রত বয়সৰ উচ্চ সীমা পূর্বৰ ৩৮ বছৰৰ পৰা ৪০ বছৰলৈ বৃদ্ধি কৰিবলৈ ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্রহণ কৰাৰ কথাও তেওঁ ঘোষণা কৰে।

ৰাজ্যখনৰ দীর্ঘদিনীয়া সমস্যা বান-গৰাখহনীয়াৰ বিজ্ঞানসন্মত অধ্যয়নেৰে স্থায়ী সমাধানৰ বাবে প্রধানমন্ত্রীয়ে পদক্ষেপ লোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্রীগৰাকীয়ে কয়, প্রধানমন্ত্রী ডাঙৰীয়াই নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় কমিটীয়ে 'নর্থ ইষ্ট ৰাটাৰ মেনেজমেণ্ট অথৰিটী গঠনৰ বাবে পৰামর্শ আগবঢ়াইছে। এই কর্তৃপক্ষক কার্যত ৰূপদান কৰাৰ বাবে কেন্দ্রীয় চৰকাৰে শীঘ্রে প্রয়োজনীয় পদক্ষেপ গ্রহণ কৰিব।

সেইদৰে আমাৰ প্রচেষ্টাৰ ফলস্বৰূপে পঞ্চদশ বিত্তীয় আয়োগে গৰাখহনীয়াক প্রাকৃতিক দুর্যোগ হিচাপে মান্যতা প্রদান কৰি গৰাখহনীয়া প্রতিৰোধ তথা পুনর্সংস্থাপনৰ বাবে লোৱা পদক্ষেপসমূহ ৰূপায়ণৰ উদ্দেশ্যে ৰাষ্ট্রীয় দুর্যোগ সঁহাৰি পুজিৰ অধীনত পুঁজি আবণ্টন দিবলৈ কেন্দ্রীয় চৰকাৰক পৰামর্শ আগবঢ়াইছে। ৰাজ্য চৰকাৰে গৰাখহনীয়াত মাটি-ভেটি উছন হোৱা থলুৱা পৰিয়ালসমূহক ভূমি ক্রয় কৰি গৃহ নির্মাণৰ বাবে আর্থিক সাহায্য আগবঢ়াবলৈ সিদ্ধান্ত গ্রহণ কৰাৰ কথাও তেওঁ ভাষণত উল্লেখ কৰে।

ৰাজ্য চৰকাৰৰ আন এক পদক্ষেপৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, শেহতীয়াকৈ ৰাজ্য চৰকাৰে ১৯৭খন হাইস্কুল, ৯খন উচ্চতৰ মাধ্যমিক বিদ্যালয়, ১৪৯খন কনিষ্ঠ মহাবিদ্যালয় আৰু ২৭খন মহাবিদ্যালয় তথা ৪০৯০টা শিক্ষকৰ পদ প্রাদেশিকীকৰণৰ বাবে পদক্ষেপ গ্রহণ কৰিছে। সেইদৰে, স্বাস্থ্য সেৱা ব্যয়সাধ্য আৰু সহজলভ্য কৰি তুলিবলৈ ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ জৰিয়তে ৰাজ্যৰ লক্ষ লক্ষ লোক উপকৃত হৈছে। আনহাতে গুৱাহাটীৰ চাংসাৰিত এইমচৰ নির্মাণ কার্য ইতিমধ্যে আৰম্ভ হৈছে।

মুখ্যমন্ত্রীয়ে কয়, ৰাজ্য চৰকাৰে সমাজৰ বিবেকস্বৰূপ সাংবাদিকসকলৰ কল্যাণৰ বাবে পেন্সন, মিডিয়া ফেল'শ্বিপ, চিকিৎসাৰ বাবে আর্থিক সাহায্য, মফচলীয় সাংবাদিকৰ বাবে বহিঃৰাজ্য ভ্রমণকে ধৰি বহু আঁচনি ৰূপায়ণ কৰিছে।

আনহাতে ৰাজ্যখনৰ আর্থিকভাৱে দুর্বল লোকসকলক বিশেষ সকাহ দিয়াৰ বাবে ৰাজ্য চৰকাৰে গ্রহণ কৰা এক বৃহৎ পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্রীগৰাকীয়ে কয়, অহা ২ অক্টোবৰৰ পৰা 'অৰুণোদয় আঁচনি' ৰূপায়ণ কৰিবলৈ আগবাঢ়িছে। এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ ১৭ লাখ দৰিদ্র পৰিয়ালক প্রতি মাহে ৮৩০ টকাকৈ আগবঢ়োৱা হ'ব।

ৰাজ্যখনৰ ৰৰাক-ব্রহ্মপুত্র আৰু পাহাৰ-ভৈয়ামত বসবাস কৰা অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্রেণী, সংখ্যালঘু শ্রেণী, চাহ জনগোষ্ঠীৰ লোকৰ লগতে বিটিএডি; তিনিখন পার্বত্য জিলা আৰু ৰৰাক-ব্রহ্মপুত্র উপত্যকাৰ সর্বাংগীণ বিকাশৰ বাবে ৰাজ্য চৰকাৰে নিৰৱচ্ছিন্নভাৱে পদক্ষেপ গ্রহণ কৰি বহুদূৰ সফলতাৰে আগুৱাই গৈছে। অনাগত দিনবোৰতো ৰাজ্যবাসীৰ পৰামর্শ, আশীর্বাদ আৰু সহযোগিতাই প্রগতিৰ এই যাত্রাত অধিক দৃঢ়তাৰে আগুৱাই যাবলৈ আমাক উৎসাহিত আৰু অনুপ্রাণিত কৰিব বুলি মুখ্যমন্ত্রী সোণোৱালে আশা প্রকাশ কৰে। মুখ্যমন্ত্রীগৰাকীয়ে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাৰ এটি পংক্তি —

ৰাজক দবা, ৰাজক শংখ / ৰাজক মৃদং খোল / অসম আকৌ উন্নতি পথত / 'জয় আই অসম' বোল— আওৰাই তেওঁৰ ভাষণৰ সামৰণি মাৰে। উল্লেখ্য যে কৰ'না ভাই�ৰাছৰ সংক্রমণৰ বাবে অতি সীমিত পৰিসৰৰ মাজত অনুষ্ঠিত কৰা হয় স্বাধীনতা দিৱস। এইবাৰ স্বাধীনতা দিৱসৰ কার্যসূচীত সাংস্কৃতিক অনুষ্ঠান আদিও প্রদর্শন কৰা নহ'ল।

আনহাতে ৰাজ্যৰ বিত্ত, স্বাস্থ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই মৰিগাঁৱত, কৃষিমন্ত্রী অতুল বৰাই গোলাঘাটত, সমাজ কল্যাণ মন্ত্রী প্রমীলাৰাণী ব্রহ্মই কোকৰাঝাৰত, জলসম্পদ মন্ত্রী কেশৰ মহন্তই যোৰহাটত, বনমন্ত্রী পৰিমল শুক্লবৈদ্যই কৰিমগঞ্জত, হস্ততাঁত আৰু বস্ত্রশিল্প মন্ত্রী ৰঞ্জিত দত্তই তেজপুৰত, পৰিবহণ মন্ত্রী চন্দ্রমোহন পাটোৱাৰীয়ে শিৰসাগৰত, গুৱাহাটী উন্নয়ন মন্ত্রী সিদ্ধার্থ ভট্টাচার্যই ৰৰপেটাত, পার্বত্য অঞ্চল উন্নয়ন মন্ত্রী চুম' ৰংহাঙে হোজাইত, যোগান মন্ত্রী ফণীভূষণ চৌধুৰীয়ে গোৱালপাৰাত, ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ মন্ত্রী চন্দন ব্রহ্মই বঙাইগাঁৱত, জনস্বাস্থ্য কাৰিকৰী মন্ত্রী ৰিহণ দৈমাৰীয়ে ওদালগুৰিত, পঞ্চায়ত আৰু গ্রামোন্নয়ন মন্ত্রী নৰ কুমাৰ দলেই মঙলদৈত, জলসিঞ্চন মন্ত্রী ভৰেশ কলিতাই বাক্সাত, ৰাজ্যিক স্বাস্থ্যমন্ত্রী পীযূষ হাজৰিকাই নগাঁৱত, ৰাজহ মন্ত্রী যোগেন মহনে ডিব্রুগড়ত আৰু শ্রমমন্ত্রী সঞ্জয় কিষাণে ধেমাজিত স্বাধীনতা দিৱসৰ অনুষ্ঠানত ৰাষ্ট্রীয় পতাকা উত্তোলন কৰে। ❑❑

স্বাধীনতা দিৱসত জাতি, মাটি, ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি দোহাৰিলে মন্ত্ৰী ড° শৰ্মাই

দেশৰ ৭৪ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে মৰিগাঁৱৰ অস্থায়ী পেৰেড গ্ৰাউণ্ড ষ্টেডিয়ামত অনুষ্ঠিত মৰিগাঁও জিলা প্ৰশাসনৰ চৰকাৰী কাৰ্যসূচীত পতাকা উত্তোলন কৰে বিত্ত, শিক্ষা তথা স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। পতাকা উত্তোলনৰ পূৰ্বে মৰিগাঁও গান্ধী ভৱন প্ৰাংগণত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধা নিৱেদন কৰে মন্ত্ৰীগৰাকীয়ে। গাৰ্ড অব অনাৰত অংশগ্ৰহণ কৰাৰ পাছত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী মুক্তিযোদ্ধাক স্মৰণ কৰাৰ লগতে মৰিগাঁও জিলাৰ স্বাধীনতা সংগ্ৰামীসকলৰ কথা বিশেষভাৱে উল্লেখ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয় যে জাতি, মাটি, ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতিৰে প্ৰায় চাৰি বছৰ পূৰ্বে গঠন হোৱা বিজেপি নেতৃত্বাধীন চৰকাৰখনে তেওঁলোকৰ প্ৰতিশ্ৰুতি ৰক্ষাত সফল হৈছে। অসমীয়া জাতিৰ চিৰ আৰাধ্য মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান ৰৱদোৱা থানলৈ ১৫০ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অসম চৰকাৰ ৰৱদোৱাক পঞ্জাৱৰ স্বৰ্ণ মন্দিৰৰ দৰে বিশ্ববন্দিত তীৰ্থক্ষেত্ৰলৈ পৰিণত কৰিবলৈ বদ্ধপৰিকৰ। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে অসমত এতিয়া উন্নয়নৰ ধাৰা দ্ৰুত হৈছে, যাৰ বাবে দেশৰ পাঁচখন শীৰ্ষস্থানীয় ৰাজ্যৰ সমকক্ষ হ'বলৈ আগবাঢ়িছে অসম। ৰাজ্যৰ স্বাস্থ্য বিভাগৰ অহোপুৰুষাৰ্থৰ ফলত ক'ভিড ৰোগত মৃত্যুৰ সংখ্যা সীমিত কৰাৰ ক্ষেত্ৰত অসমে শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হোৱাটো অন্যতম সফলতা বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে তেওঁ পূৰ্বৰ দীৰ্ঘ সময় মন্ত্ৰী আছিল কিন্তু এইবাৰ স্বাস্থ্যমন্ত্ৰী হৈ থকা অৱস্থাত ক'ভিডৰ দৰে এক সংকটৰ সময়ত স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব পালন কৰাটো তেওঁৰ বাবে অনন্য অভিজ্ঞতা আৰু এয়া স্বাস্থ্যখণ্ডৰ এক সোণালী অধ্যায়। ৰাজ্যখনত ১৮ আগষ্টৰ পৰা বিদ্যালয় প্ৰদেশিকীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ কথা ঘোষণা কৰাৰ লগতে মন্ত্ৰীগৰাকীয়ে কয় যে অহা ২ অক্টোবৰৰ দিনা ৰাজ্যৰ ১১৯খন চাহ বাগিচাত একেদিনাই হাইস্কুল নিৰ্মাণৰ শুভাৰম্ভ কৰা হ'ব। মৰিগাঁৱৰ লগতে ৰাজ্যৰ কেইবাটাও স্থানত মেডিকেল কলেজ স্থাপনৰ ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে অৰুণোদয় আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ বৃহৎ সংখ্যক লোকক চৰকাৰে এক সকাহ দিবলৈ চেষ্টা কৰিছে। মৰিগাঁৱৰ পৰা দৰঙক সংযোগ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত দলং এখন নিৰ্মাণৰ এক অভিলাষী আঁচনি লোৱাৰ কথাও তেওঁ উল্লেখ কৰে। আনহাতে, প্ৰতিখন বিদ্যালয়তে অসমীয়া ভাষাৰ শিক্ষা বাধ্যতামূলক কৰা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰী শৰ্মাই কয় যে নতুন শিক্ষাবৰ্ষৰ পৰা অসমৰ প্ৰতিখন বিদ্যালয়ত পঞ্চম শ্ৰেণীলৈকে অসমীয়া ভাষাত শিক্ষাদান কৰা হ'ব আৰু যিবোৰ অঞ্চলত জনজাতীয় বিভিন্ন ভাষাৰ প্ৰচলন থাকে সেইবোৰ অঞ্চলত জনজাতীয় ভাষাৰ ব্যৱহাৰ হ'ব। ❐❐

বানত ক্ষতিগ্রস্ত আন্তঃগাঁথনি পুনৰুজ্জীৱিতকৰণৰ বাবে প্ৰয়োজনীয় আৰ্থিক সহযোগিতা আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীক অনুৰোধ মুখ্যমন্ত্ৰীৰ

ভিডিঅ' কনফাৰেন্সযোগে অসমসহ দেশৰ ৬খন ৰাজ্যৰ বান পৰিস্থিতিৰ পৰ্যালোচনা প্ৰধানমন্ত্ৰীৰ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১০ আগষ্টত ভিডিঅ' কনফাৰেন্সযোগে অসমসহ দেশৰ ৬ খন ৰাজ্য ক্ৰমে বিহাৰ, মহাৰাষ্ট্ৰ, কেৰালা, কৰ্ণাটক আৰু উত্তৰ প্ৰদেশৰ শেহতীয়া বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ পৰা শেহতীয়া বানত হোৱা ক্ষয়-ক্ষতি আৰু ইয়াৰ মোকাবিলা কৰাৰ ক্ষেত্ৰত ৰাজ্যসমূহে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বুজ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে এই বছৰ দেশৰ বহুকেইখন ৰাজ্যত স্বাভাৱিক পৰিমাণতকৈ অধিক মাত্ৰাত বৰষুণ হোৱাৰ ফলত দেশৰ এক বৃহৎ অংশ বানৰ কৱলত পৰিছে। এই দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ প্ৰত্যক্ষভাৱে বান প্ৰভাৱিত আটাইকেইখন ৰাজ্য ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে ইচ্ছুক আছিল যদিও সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সেয়া সম্ভৱ হৈ নুঠিল। এই ভয়াৱহ দুৰ্যোগৰ সন্মুখীন হোৱা ৰাজ্যসমূহৰ সৈতে কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ সহযোগিতাৰে সাহায্য আৰু উদ্ধাৰ অভিযানত সহযোগিতা আগবঢ়াই আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যসমূহৰ মাজৰ পাৰস্পৰিক সহযোগিতাই এই জটিল পৰিস্থিতি প্ৰশমনত যথেষ্ট সহায় কৰিছে। মুঠ ভূখণ্ডৰ ১২ শতাংশই বান-গৰাখহনীয়াৰ দ্বাৰা প্ৰভাৱিত হোৱা ভাৰতৰ দৰে দেশত এনে দুৰ্যোগসমূহত ধন-জনৰ ক্ষয়-ক্ষতি হ্ৰাস কৰাটো সুনিশ্চিত কৰাৰ বাবে প্ৰযুক্তিৰ সৰ্বোৎকৃষ্ট ব্যৱহাৰেৰে বান, খহনীয়া, ভূমিস্খলন, ধুমুহা-বা'মাৰলি, বজ্ৰপাতৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ সঠিক আগজাননী প্ৰদানৰ ব্যৱস্থা শক্তিশালী কৰি তুলিব লাগিব বুলিও তেওঁ মত প্ৰকাশ কৰে। বৈঠকত মুখ্যমন্ত্ৰীসকলে আগবঢ়োৱা পৰামৰ্শসমূহ গুৰুত্বসহকাৰে লৈ অগ্ৰাধিকাৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

বৈঠকত ভাগ লৈ মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি আৰু ইয়াৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে প্রধানমন্ত্রীগৰাকীক বিশদভাৱে অৱগত কৰে। তেওঁ কয় যে ৰাজ্যৰ ৩০ খন জিলাই প্রভাৱিত হোৱা এইবাৰৰ বানত ৰাজ্যত ১৫৮ গৰাকী লোকে প্রাণ হেৰুৱাব লগা হোৱাৰ লগতে ধন-জনৰ ব্যাপক ক্ষয়-ক্ষতি হৈছে। ৰাজ্যৰ বিস্তৃত এলেকাৰ কৃষিভূমিৰ শস্য বিনষ্ট হৈছে, বহু সংখ্যক পশুধন মৃত্যুমুখত পৰিছে। এই বানত ৰাজ্যখনৰ পথ, দলং, বিদ্যালয়, অংগনৱাড়ী কেন্দ্র আদি ৰাজহুৱা আন্তঃগাঁথনিৰো বিস্তৰ ক্ষতি হোৱাৰ কথা উল্লেখ কৰি ইয়াৰ পুনৰুজ্জীৱিতকৰণৰ কাৰণে প্রয়োজনীয় সহযোগিতা আগবঢ়াবলৈ তেওঁ প্রধানমন্ত্রীগৰাকীক অনুৰোধ জনায়। ৰাজ্যখনে সন্মুখীন হোৱা এই দুর্যোগৰ মূহূর্তত প্রথমৰে পৰা টেলিফোনযোগে পৰিস্থিতিৰ বুজ লৈ থকাৰ বাবে প্রধানমন্ত্রীগৰাকীক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে দুর্যোগ সাহায্য প্রশমন পুঁজিৰ অধীনত কেন্দ্রীয় চৰকাৰে তাৎক্ষণিকভাৱে মুকলি কৰি দিয়া ৩৮৬ কোটি টকাই ৰাজ্যৰ বান ব্যৱস্থাপনাৰ ক্ষেত্রত যথেষ্ট সহায়ক হৈছে। বান-খহনীয়াত প্রাণ হেৰুওৱা লোকসকলৰ নিকটাত্মীয়ৰ বাবে ২ লাখ টকাৰ এককালীন সাহায্য অনুমোদন কৰাৰ বাবেও তেওঁ প্রধানমন্ত্রীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। উত্তৰ-পূবৰ দীর্ঘদিনীয়া বান-খহনীয়া সমস্যাৰ বিজ্ঞানসন্মত আৰু স্থায়ী সমাধানৰ বাবে কেন্দ্রীয় চৰকাৰে গ্রহণ কৰা পদক্ষেপৰ বাবেও তেওঁ প্রধানমন্ত্রীগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে। অসমৰ মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালৰ লগতে বৈঠকত বিহাৰৰ মুখ্যমন্ত্রী নীতিশ কুমাৰ, কেৰালাৰ মুখ্যমন্ত্রী পি বিজয়ন, উত্তৰ প্রদেশৰ মুখ্যমন্ত্রী যোগী আদিত্যনাথ আৰু মহাৰাষ্ট্রৰ মুখ্যমন্ত্রী উদ্ধৱ থাকৰেই তথা কর্ণাটকৰ মুখ্যমন্ত্রী বি এছ য়েডিওৰাপ্পাৰ হৈ ৰাজ্যখনৰ গৃহমন্ত্রীগৰাকীয়ে সংশ্লিষ্ট ৰাজ্যসমূহৰ বান পৰিস্থিতিৰ সবিশেষ প্রধানমন্ত্রীগৰাকীক অৱগত কৰে। বৈঠকৰ আৰম্ভণিতে কেন্দ্রীয় গৃহ সচিব অজয় কুমাৰ ভাল্লাই এক প্রেজেণ্টেচনযোগে উল্লিখিত ৬ খন ৰাজ্যৰ বান পৰিস্থিতিৰ এক চমু বিৱৰণ দাঙি ধৰে। কেন্দ্রীয় প্রতিৰক্ষা মন্ত্রী ৰাজনাথ সিঙে আঁত ধৰা এই পর্যালোচনা বৈঠকত কেন্দ্রীয় স্বাস্থ্যমন্ত্রী ডঃ হর্ষবর্দ্ধনৰ লগতে কেন্দ্রীয় কেবিনেট সচিবকে ধৰি বিভিন্ন মন্ত্রালয়ৰ শীর্ষ বিষয়াসকল, ৰাজ্যসমূহৰ মুখ্য সচিবসকল আৰু এন ডি আৰ এফৰ শীর্ষ বিষয়ববীয়াসকল উপস্থিত থাকে। মুখ্যমন্ত্রীৰ চৰকাৰী আৱাসগৃহৰ পৰা অংশগ্রহণ কৰা এই ভিডিঅ' কনফাৰেন্সত মুখ্যমন্ত্রী সোণোৱালৰ লগতে জলসম্পদ মন্ত্রী কেশৰ মহন্ত, মুখ্যমন্ত্রীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্রীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিবদ্বয় জিষ্ণু বৰুৱা আৰু চৈয়দ্দিন আবাছী, ৰাজ্যিক দুর্যোগ ব্যৱস্থাপনা প্রাধিকৰণৰ মুখ্য কার্যবাহী বিষয়া এম এছ মণিৱন্নন, মুখ্যমন্ত্রীৰ প্রধান সচিব সঞ্জয় লোহিয়া আৰু মুখ্যমন্ত্রীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্রৱর্তীও উপস্থিত থাকে। ❐❐

ক'ভিড নিৰাময়ৰ বাবে প্লাজমা দানৰ প্ৰতি বিপুল সঁহাৰি ৰাজ্যত

ৰাজ্যখনত কৰ'না ভাইৰাছে প্ৰায় গণ সংক্ৰমণৰ ৰূপ লোৱাৰ সময়তে ক'ভিড আক্ৰান্ত হৈ গুৰুতৰ অৱস্থালৈ যোৱা ৰোগীসকলক আৰোগ্য কৰাৰ বাবে চৰকাৰে প্লাজমা থেৰাপীৰ সহায় লৈ এইক্ষেত্ৰত সকাহ দানৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। দেহত ক'ভিডত আক্ৰান্ত হোৱাৰ লক্ষণ স্পষ্টভাৱে ফুটি উঠা আৰু এই ৰোগৰ পৰা আৰোগ্য লাভ কৰা লোকসকলৰ তেজৰ প্লাজমা ব্যৱহাৰ কৰি এই ৰোগত আক্ৰান্ত হৈ গুৰুতৰ অৱস্থা পোৱা লোকসকলক সুস্থ কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰক সহায় কৰিবলৈ তেনে আৰোগ্য হোৱা লোকসকলৰ প্ৰতি জনোৱা আহ্বানে ব্যাপক সঁহাৰি লাভ কৰা দেখা গৈছে। যোৱা ৪ আগষ্টৰ পৰা আৰম্ভ হোৱা এই প্লাজমা দান প্ৰক্ৰিয়াই এতিয়া বিপুল জনপ্ৰিয়তা লাভ কৰিলে।

ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত দাসৰ প্ৰচেষ্টাত যোৱা ১৪ আগষ্টত গুৱাহাটীত অনুষ্ঠিত হয় এক বিশেষ প্লাজমা দান শিবিৰ। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এই প্লাজমা দান শিবিৰত দলটোৰ নতুনকৈ দায়িত্ব লাভ কৰা সাধাৰণ সম্পাদক তথা সাংসদ তপন গগৈ, উপ-সভাপতি জয়ন্ত মল্ল বৰুৱা, হেমপ্ৰভা বৰঠাকুৰ, প্ৰাঞ্জল ভৰালীৰ লগতে কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে। স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ শাসনাধিষ্ঠিত দলটোৰ কাৰ্যকৰ্তাসকলে প্লাজমা দানৰ ক্ষেত্ৰত আগবাঢ়ি অহাৰ বাবে তেওঁলোকক বিশেষভাৱে ধন্যবাদ জনায়। এই উপলক্ষে আয়োজিত অনুষ্ঠিত ভাষণ দি মন্ত্ৰী ড° শৰ্মাই কয় যে যোৱা ৪ আগষ্টৰ পৰা ৰাজ্যত প্লাজমা দান প্ৰক্ৰিয়া আৰম্ভ হৈছে। কৰ'নাৰ পৰা আৰোগ্য লাভ কৰা বহু লোকে ইতিমধ্যে প্লাজমা দান কৰি মানৱতাৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰিছে। চিকিৎসক তথা স্বাস্থ্যকৰ্মীৰ লগতে আৰক্ষীৰ লোকসকলেও ইতিমধ্যে প্লাজমা দানেৰে ৰোগীৰ জীৱন ৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে। এইবাৰ ৰাজনৈতিক দল বিজেপি আগবাঢ়ি অহাটো যথেষ্ট ভাল খবৰ। তেওঁ সভাপতি ৰঞ্জিত দাসৰ লগতে দলীয় নেতৃত্ব আৰু প্লাজমা দান কৰিবলৈ অহা বিজেপিৰ কাৰ্যকৰ্তাসকলক ধন্যবাদ জ্ঞাপন কৰে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত প্ৰকাশ কৰা মতে, কৰ'নাৰ যুঁজখনত অসমে দুটা দিশত বিশেষ সফলতা লাভ কৰিছে। প্ৰথমটো হ'ল অসমে এদিনত অভিলেখ সংখ্যক ১,৪৩,১০৯ সংখ্যক ক'ভিড পৰীক্ষা সম্পন্ন কৰিবলৈ সক্ষম হৈছে। এই অভিলেখ যোৱা ১২ আগষ্টৰ। আনহাতে, অসমত মৃত্যুৰ হাৰ সৰ্বনিম্ন। এতিয়ালৈ অসমত মৃত্যুৰ হাৰ ০.২৪ শতাংশ। মৃত্যুৰ হাৰ হ্ৰাস কৰাত বিশেষভাৱে সফলতা দেখুৱাইছে প্লাজমা থেৰাপীয়ে। যোৱা ৪ আগষ্টৰ পৰা প্লাজমা থেৰাপী প্ৰয়োগ কৰাৰে পৰা এই চিকিৎসাৰে জি এম চি এইচত বহু ৰোগীক মৃত্যুৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হ'ল স্বাস্থ্য বিভাগ। অসমত কৰ'না আক্ৰান্ত ৰোগীৰ প্লাজমা দান কৰাৰ বাবে এতিয়ালৈ মৃত্যুৰ হাৰ নিম্নগামী হৈছে। অসমত মানৱতাৰ এই উৎকৃষ্ট নিদৰ্শন দেখুৱাইছে চিকিৎসক তথা স্বাস্থ্যকৰ্মীসকলে। যোৱা ১৪ আগষ্টত সমগ্ৰ ৰাজ্যতে বিজেপিৰ কাৰ্যকৰ্তাসকলে প্লাজমা দান শিবিৰৰ আয়োজন কৰে। ডিব্ৰুগড়ত ৭৫গৰাকী, যোৰহাটত ৫৪, তেজপুৰত ২১ গৰাকী, শিলচৰত ৪৭গৰাকী আৰু গুৱাহাটীত ৯৫ গৰাকীকে ধৰি মুঠ ২৯২ গৰাকী

বিজেপি কার্যকর্তাই প্লাজমা দানৰ বাবে নাম পঞ্জীয়ন কৰে। মন্ত্রীগৰাকীয়ে লগতে ইয়াকো উল্লেখ কৰে যে ৰাজ্যৰ ৫ খন চিকিৎসা মহাবিদ্যালয়ত ১০০০ ইউনিট প্লাজমা সংগ্রহৰ লক্ষ্য বান্ধি লোৱা হৈছে। তদুপৰি যিসকল কৰ'না আক্রান্তই প্লাজমা দান কৰিব সেইসকলে চৰকাৰী চাকৰিৰ ক্ষেত্রতো বিশেষ অগ্রাধিকাৰ লাভ কৰিব। ভাৰতীয় সেনাৰ চতুর্থ ক'ৰৰ উদ্যোগত আৰু ৰাষ্ট্রীয় স্বাস্থ্য অভিযান মিছন অসমৰ সহযোগত তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত যোৱা ১৯ আগষ্টত অনুষ্ঠিত হয় প্লাজমা দানৰ এক কার্যসূচী। ভাৰতীয় সেনাৰ চতুর্থ ক'ৰৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল শান্তনু দয়ালৰ উপস্থিতিত অনুষ্ঠিত এই প্লাজমা দান কার্যসূচীত ৪০ গৰাকী সেনা জোৱানে অংশগ্রহণ কৰি প্লাজমা দান কৰে। আনহাতে আৰু ৬০ গৰাকী সেনা জোৱানে প্লাজমা দান কৰিবলৈ নিজৰ নিজৰ নাম পঞ্জীয়ন কৰে। এইসকল ক'ভিড যোদ্ধাক অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ হৈ স্বাস্থ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই আনুষ্ঠানিকভাৱে সম্বর্ধনা জ্ঞাপন কৰি কয় যে অসমৰ জনসাধাৰণৰ প্রতি ভাৰতীয় সেনাই দেখুওৱা দায়বদ্ধতাক অসমবাসীয়ে সদায় মনত ৰাখিব। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত ভাৰতীয় সেনাৰ চতুর্থ ক'ৰৰ জি অ' চি শান্তনু দয়াল আৰু সেনাৰ উচ্চপদস্থ বিষয়াবর্গৰ লগতে তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱ লোচন দাস, বৰচলাৰ বিধায়ক গণেশ লিম্বু, স্বাস্থ্য বিভাগৰ প্রধান সচিব সমীৰ সিনহা, ৰাষ্ট্রীয় স্বাস্থ্য মিছনৰ অ' এচ ডি পমী বৰুৱা, তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ কৰুণা হাজৰিকা উপস্থিত থাকে।

স্বাস্থ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ আহ্বানৰ প্রতি সঁহাৰি জনাই প্লাজমা দান কৰিবলৈ আগ্রহ প্রকাশ কৰিছে ৰাজ্যৰ বহু সংখ্যক লোকে। কৰ'না ভাই�ৰছত আক্রান্ত হৈ সুস্থ হৈ উঠা এই লোকসকলে ইতিমধ্যে স্বাস্থ্য বিভাগৰ লগত যোগাযাগ কৰিছে। ৰাষ্ট্রীয় স্বাস্থ্য মিছনৰ অসমে প্রকাশ কৰা মতে, যোৱা ২০ আগষ্টৰ নিশা ১১ বজালৈকে ৰাজ্যৰ বিভিন্ন প্রান্তৰ ১,০৭১ গৰাকী লোকে প্লাজমা কৰিবলৈ আগ্রহ প্রকাশ কৰিছে। এইসকল লোকে ১০৪, ছ'চিয়েল মিডিয়া আৰু ই-মেইল যোগে স্বাস্থ্য বিভাগৰ লগত যোগাযোগ কৰে। যোৱা ২১ আগষ্টলৈকে প্লাজমা দানৰ বাবে ৫৭৮ গৰাকী লোকে নিজৰ নিজৰ নাম পঞ্জীয়ন কৰিছে। আনহাতে, যাৱতীয় পৰীক্ষা নিৰীক্ষা কৰাৰ অন্তত ইতিমধ্যে নাম পঞ্জীয়ন কৰা ৫৬২জন লোকৰ ভিতৰত ২৮৬ জন লোকে প্লাজমা দান কৰে। তেনেদৰে যোৱা ২০ আগষ্টলৈকে তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত ২০জন লোকে প্লাজমা দান কৰে। স্বাস্থ্যমন্ত্রীৰ আহ্বানৰ প্রতি সঁহাৰি জনাই ডিব্রুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পাতালত ৮ জন লোকে যাৱতীয় পৰীক্ষা নিৰীক্ষা কৰাৰ পিছত প্লাজমা দান কৰে। তেনেদৰে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পাতালত ১৯ জনে আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ২৬ জন লোকে প্লাজমা দান কৰে। প্লাজমা দান কৰিব বিচৰা লোকসকলক ১০৪ নম্বৰত ফোন কৰিবলৈ ৰাষ্ট্রীয় স্বাস্থ্য মিছন অসমে আহ্বান জনাইছে। তদুপৰি, প্লাজমা দানৰ বাবে আগ্রহী লোকসকলে ০৩৬১-২৫৫৮৯৫৫ নম্বৰত ফোন কৰাৰ লগতে osd.nhml.assam@gmail.com ত ই মেইল কৰি যোগাযোগ কৰিব পাৰে।

স্বাস্থ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ তৎপৰতাত ইতিমধ্যে ৰাজ্যৰ ৫ খন চিকিৎসালয়ত প্লাজমা বেংক আৰম্ভ হৈছে। এজন কৰ'না আক্রান্তই সুস্থ হোৱাৰ পিছত দান কৰা প্লাজমাৰে দুজন আক্রান্তক সুস্থ কৰিব পাৰি। স্বাস্থ্যমন্ত্রীয়ে প্লাজমা দানৰ বাবে জনোৱা আহ্বানৰ প্রতি সঁহাৰি জনাই কৰ'না যুদ্ধৰ আগশাৰীৰ সৈনিক সাংবাদিকসকলেও প্লাজমা দানৰ বাবে আগবাঢ়ি আহে। যোৱা ২৪ আগষ্টত গুৱাহাটী প্রেছ ক্লাবৰ উদ্যোগত স্বাস্থ্যমন্ত্রীগৰাকীৰ উপস্থিতিত ১৯ গৰাকী সাংবাদিকে প্লাজমা দানৰ বাবে নাম পঞ্জীয়ন কৰোৱায়। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত আয়োজিত এক অনুষ্ঠানত মন্ত্রী ড° শর্মাই সাংবাদিকসকলৰ এনে প্রচেষ্টাৰ শলাগ লৈ এনেদৰে সংবাদসেৱীসকলে প্লাজমা দান কৰাটো দেশৰ ভিতৰতে প্রথম বুলি মন্তব্য কৰে। গুৱাহাটী প্রেছ ক্লাবৰ সভাপতি মনোজ কুমাৰ নাথ, সাধাৰণ সম্পাদক সঞ্জয় ৰয়ৰ লগতে জি এম চি এইচৰ অধ্যক্ষ ডাঃ অচ্যুৎ বৈশ্য, অধীক্ষক ডাঃ অভিজিৎ শর্মা উপস্থিত থকা অনুষ্ঠানত স্বাস্থ্যমন্ত্রী ড° শর্মাই কয় সাংবাদিকৰ প্লাজমা দানে সমাজত এক ইতিবাচক বার্তা দিব। সাংবাদিকসকলৰ এনে পদক্ষেপে সাধাৰণ লোকৰ মাজত সচেতনতা বৃদ্ধি কৰিব আৰু ভয় কৰি থকা সকলো প্লাজমা দানৰ বাবে আগবাঢ়ি আহিব। ❐❐

অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণেৰে খিলঞ্জীয়া জনসাধাৰণক সাংবিধানিক সুৰক্ষা প্ৰদানৰ দিশত ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ ঃ মুখ্যমন্ত্ৰী

অসম চুক্তিৰ প্ৰতিটো দফা আখৰে আখৰে ৰূপায়ণৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰ দায়বদ্ধ। অসম চুক্তি ৰূপায়ণেৰে এখন বিদেশীমুক্ত অসম গঢ়ি তোলাৰ বাবে সেয়েহে চৰকাৰখনে আন্তৰিকতাৰে পদক্ষেপ লৈ আহিছে। পূৰ্বৰ কোনো এখন চৰকাৰে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে সমিতি গঠন কৰাৰ দিশত আগ্ৰহ প্ৰকাশ কৰা নাছিল। ৰাজ্যৰ কেতবোৰ ৰাজনৈতিক শক্তিয়ে অসম চুক্তি বাস্তৱত ৰূপায়ণ হোৱাটো নিবিচাৰে। কিন্তু বৰ্তমানৰ ৰাজ্য চৰকাৰে এই চুক্তিখন মনে-প্ৰাণে ৰূপায়ণ হোৱাটো বিচাৰে। ৰাজ্য চৰকাৰে অসম আন্দোলনৰ ছহিদৰ ত্যাগ অথলে যাবলৈ নিদিয়ে। সেয়েহে অসম চুক্তিৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰি চুক্তিখনৰ অন্যতম ৬ নং দফা ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত এখন সমিতি গঠন কৰি দিয়ে। যোৱা ১১ আগষ্টত এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত এই মন্তব্য প্ৰদান কৰে।

অসমবাসীক বিভ্ৰান্ত নহ'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণেৰে অসমৰ খিলঞ্জীয়া জনসাধাৰণক সাংবিধানিকভাৱে সুৰক্ষিত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিয়া সমিতিখনত সদৌ অসম ছাত্ৰ সন্থাক সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিছিল, কিন্তু তেওঁলোকে সঁহাৰি নজনালে। তদুপৰি কেইবাগৰাকীও সন্মানীয় সদস্যই সমিতিখনৰ পৰা পদত্যাগ কৰিছিল। কিন্তু এই সমিতিখন গঠনৰ পূৰ্বে সন্মানীয় সদস্যসকলৰ পৰা মৌখিকভাৱে অনুমতি লৈহে সদস্যভুক্ত কৰা হৈছিল। ফলত অসম চুক্তিৰ ৬নং দফা ৰূপায়ণৰ কাম-কাজে স্থবিৰতা লাভ কৰিছিল। কিন্তু অসম চুক্তি ৰূপায়ণৰ প্ৰতি থকা বিশেষ দায়বদ্ধতাৰ বাবে চৰকাৰে এই বিষয়টোক সন্মানৰ প্ৰশ্ন হিচাপে নলৈ তৎকালে ২০১৯ বৰ্ষৰ ১৭ জুলাইত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত এখন ১৩ জনীয়া সমিতি গঠন কৰি দিয়ে। উল্লেখ্য যে অসম চৰকাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক অনুৰোধ জনোৱা মৰ্মে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে দ্বিতীয়বাৰৰ বাবে সমিতিখন গঠন কৰি দিয়ে। এই কথাই অসম চুক্তিৰ ৰূপায়ণৰ দিশত থকা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সদিচ্ছাৰ কথাই প্ৰতিফলিত কৰে। দ্বিতীয়বাৰৰ বাবে গঠন কৰা সমিতিখনত সদৌ অসম ছাত্ৰ সন্থাকো অন্তৰ্ভুক্ত কৰা হয়। এই সমিতিখনে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন দল-সংগঠন, বিশিষ্ট ব্যক্তি, বুদ্ধিজীৱী, সাংবাদিক ইত্যাদিৰ মতামত গ্ৰহণ কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল। সমিতিয়ে এই প্ৰতিবেদন চলিত বৰ্ষৰ ২৫ ফেব্ৰুৱাৰীত দাখিল কৰিছিল যদিও অতি দুৰ্ভাগ্যজনকভাৱে সেই সময়ৰ পৰা বৰ্তমানলৈকে ক'ৰনা মহামাৰীয়ে সমগ্ৰ বিশ্বতে ইয়াৰ সংক্ৰমণ অব্যাহত ৰাখি প্ৰাত্যহিক জনজীৱন স্থবিৰ কৰি পেলাইছে। ইয়াৰ পৰিপ্ৰেক্ষিততে সমগ্ৰ দেশৰ লগতে অসমতো মাৰ্চ মাহৰ শেষৰ পিনে লকডাউন কাৰ্যসূচী আৰম্ভ হয়। বৰ্তমানেও ক'ৰনা মহামাৰীৰ প্ৰকোপ হ্ৰাস পোৱা নাই। তদুপৰি অসমে ক'ভিড-১৯ ৰ লগতে বান-খহনীয়া, ভূমিস্খলন, ধুমুহা, বজ্ৰপাত, ছ'ৰাইন ফিভাৰ, বাঘজানৰ গেছ কূপৰ অগ্নিকাণ্ডৰ দৰে প্ৰত্যাহ্বান গ্ৰহণ কৰিও অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ বাবে আন্তৰিকতাৰে পদক্ষেপ লৈ আহিছে। ভাৰত চৰকাৰেও সমান্তৰালভাৱে এই ক্ষেত্ৰত পদক্ষেপ লৈ আছে। সেয়েহে এই ক্ষেত্ৰত চৰকাৰক নিৰ্ধাৰিত সময়সীমা নিদিয়াকৈ এই ৬ নং দফা ৰূপায়ণ সমিতিৰ প্ৰতিবেদন আনুষ্ঠানিকভাৱে ৰাজহুৱা কৰাটো অত্যন্ত আশ্চৰ্যজনক।

অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণৰ দিশত ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ। অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণেৰে খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক সুৰক্ষা প্ৰদানৰ দিশতো চৰকাৰখন সদায়ে আগ্ৰহী। ৰাজ্য চৰকাৰে দ্বিধাহীনভাৱে ৰাইজক জনাব বিচাৰে যে এইক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব। জনসাধাৰণৰ স্বাৰ্থ বিঘ্নিত হ'ব পৰা কোনো কামেই বৰ্তমানৰ ৰাজ্য চৰকাৰে কৰা নাই আৰু ভৱিষ্যতেও নকৰে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সেয়েহে আৰম্ভণিৰে পৰা সকলো বিষয়তে ৰাইজৰ মতামত লৈ অসমবাসীৰ স্বাৰ্থ সুৰক্ষিতকৰণৰ বাবে বিভিন্ন পদক্ষেপ লৈ আহিছে। জনসাধাৰণক অন্ধকাৰত ৰাখি কোনো কামেই বৰ্তমানৰ চৰকাৰখনে কৰাৰ নজিৰ নাই আৰু ভৱিষ্যতেও নকৰে। ❐❐

ৰাজ্যৰ শিক্ষা বিভাগৰ আন এক যুগান্তকাৰী সিদ্ধান্ত

১৯৭ হাইস্কুল, ৯ উচ্চতৰ মাধ্যমিক, ১৪৯ জুনিয়ৰ কলেজ প্ৰাদেশিকীকৰণ ঃ শিক্ষা মন্ত্ৰী

অসমৰ শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ দীঘলীয়া সমস্যাৰ অন্ত পেলাই সুদীৰ্ঘ ৬ বছৰৰ অন্তত মাধ্যমিক শিক্ষা আৰু উচ্চ শিক্ষা সঞ্চালকালয়ে ১৮ আগষ্টত আনুষ্ঠানিকভাৱে ৩৫৫খন শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ কথা ঘোষণা কৰে। শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে এই কথা ঘোষণা কৰি জানিবলৈ দিয়ে যে মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ১৯৭খন হাইস্কুল, ৯খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ১৪৯খন জুনিয়ৰ কলেজ প্ৰাদেশিকীকৰণ কৰিছে। একেদৰে উচ্চ শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা ৰাজ্যৰ ২৭ খন মহাবিদ্যালয় প্ৰাদেশিকীকৰণ কৰাৰ কথাও মন্ত্ৰীজনে উল্লেখ কৰে। ইতিমধ্যে অসমৰ ৰাজ্যপালে এই প্ৰাদেশিকীকৰণত অনুষ্ঠানিকভাৱে অনুমোদন জনাইছে। সংবাদমেলখনত ৰাজ্যৰ শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, এই প্ৰক্ৰিয়াৰ দ্বাৰা ৩৫৫খন শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণ হোৱাৰ লগতে ৩,০৪৯ গৰাকী শিক্ষকৰ পদো নিয়মীয়াকৰণ কৰা হ'ব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এই শিক্ষকসকলৰ পদো প্ৰাদেশিকীকৰণ কৰা হৈছে। লগতে উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৯৩১গৰাকী অধ্যাপকৰ পদ প্ৰাদেশীকৃত কৰা হৈছে। ইয়াৰে, ৬৯০ টা পদ পূৰ্বে প্ৰাদেশিকীকৰণৰ পৰা বাদ পৰি যোৱা পদ আৰু ২৪১ টা নতুনকৈ প্ৰদেশীকৃত কৰা পদ। ইয়াকে ধৰি প্ৰাদেশীকৃত হ'বলগীয়া মুঠ সংখ্যা হ'ল ৩,৯৮০টা পদ। বিদ্যালয় আৰু শিক্ষকৰ পদ প্ৰাদেশিকীকৰণৰ এই তালিকা মাধ্যমিক আৰু উচ্চ শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইটত মুকলি কৰি দিয়া হৈছে। শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে যে ছেপ্টেম্বৰ মাহৰ প্ৰথম সপ্তাহতে ৭,৪৪০ টা হাইস্কুল শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব। ইতিমধ্যে হাইস্কুল টেট উত্তীৰ্ণ হোৱাসকলে এই বিজ্ঞাপনৰ জৰিয়তে আৱেদন কৰিব পাৰিব আৰু অহা ডিচেম্বৰ মাহৰ ভিতৰত এই পদসমূহৰ বিপৰীতে নিযুক্তি প্ৰদান কৰা হ'ব। একেখন সংবাদমেলতে শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকত প্ৰথম বিভাগত উত্তীৰ্ণ ২২,০০০ ছাত্ৰীক ১৫ অক্টোবৰৰ ভিতৰত একোখনকৈ স্কুটী প্ৰদান কৰা হ'ব। আনহাতে, সাম্প্ৰতিক সময়ত পৰীক্ষাসমূহৰ উত্তীৰ্ণৰ হাৰ ঊৰ্ধ্বগামী হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ প্ৰতিখন মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে ২৫ শতাংশ আসন বৃদ্ধি কৰিবলৈ ইতিমধ্যে ৰাজ্যৰ শিক্ষা বিভাগে মহাবিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ জাৰি কৰা বুলি শিক্ষামন্ত্ৰীয়ে অৱগত কৰে। ❐❐

আত্মনিৰ্ভৰ অসমৰ জৰিয়তেহে আত্মনিৰ্ভৰ ভাৰতৰ সপোনে সাকাৰ ৰূপ পাব ঃ মুখ্যমন্ত্রী

আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনৰ ইমাৰ্জেন্সী ক্রেডিট লাইন গ্যাৰাণ্টী স্কীমৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময়

মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালে যোৱা ২৪ আগষ্টত আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনৰ 'ইমাৰ্জেন্সী ক্রেডিট লাইন গ্যাৰাণ্টী স্কীম (ই চি এল জি এছ)'ৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। অসম প্রশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই মত বিনিময় অনুষ্ঠানত মুখ্যমন্ত্রী সোণোৱালে কয় যে প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ সবল নেতৃত্বত আজি দেশৰ জনতাই ক'ভিড-১৯ ৰ এই প্রত্যাহ্বানৰ মাজতো নিজকে আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে সংকল্পৱদ্ধ হৈছে। 'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ অধীনত ক্ষুদ্র, অতিক্ষুদ্র আৰু মজলীয়া উদ্যোগখণ্ডৰ বাবে ঘোষণা কৰা ৩ লাখ কোটি টকাৰ পেকেজে দেশৰ ক্ষুদ্র আৰু মজলীয়া উদ্যোগীসকলক এক নৱ জীৱন প্রদান কৰিছে। অসমৰ উদ্যোগীসকলেও যাতে এই পেকেজৰ পৰা সৰ্বাধিক লাভ গ্রহণ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে যুদ্ধসদৃশ ক্ষিপ্রতাৰে কাম কৰি আছে। এই পদক্ষেপৰ ফলতেই আজি ৰাজ্যৰ ৯৪,৬২৩ সংখ্যক ক্ষুদ্র, অতিক্ষুদ্র আৰু মজলীয়া উদ্যোগে ই চি এল জি এছৰ অধীনত ১৬৪৮.২১৮ কোটি টকাৰ ঋণ লাভ কৰিবলৈ সক্ষম হৈছে। এই দিনটো অসমৰ উদ্যোগখণ্ডৰ বাবে এক ঐতিহাসিক দিন বুলি অভিহিত কৰি তেওঁ কয় যে 'আত্মনিৰ্ভৰ অসম'ৰ জৰিয়তেহে 'আত্মনিৰ্ভৰশীল ভাৰত'ৰ সপোনে সাকাৰ ৰূপ পাব। এক্ট ইষ্টৰ জৰিয়তে দক্ষিণ-পূব এছিয়াৰ বজাৰ দখল কৰাই আমাৰ প্রধান লক্ষ্য বুলি উল্লেখ কৰি তেওঁ কয় যে অসমৰ যুৱ শক্তিয়ে আজি নিজৰ শক্তি আৰু সামৰ্থৰ সু-প্রয়োগেৰে ৰাজ্যৰ অন্তর্নিহিত সম্ভাৱনাক বিশ্ববাসীৰ সন্মুখত পৰিচিত কৰাবলৈ সক্ষম হৈছে। অসমৰ কৃষিজাত সামগ্রীয়ে আজি দক্ষিণ-পূব এছিয়াৰ লগতে বিশ্বৰ বিভিন্ন প্রান্তৰ বহুকেইখন চহৰৰ বজাৰত উপযুক্ত সমাদৰ লাভ কৰিছে। উদ্যোগ ক্ষেত্রতো অসমীয়া যুৱক-যুৱতীসকলে নিজৰ প্রতিভাৰ স্বাক্ষৰ দাঙি ধৰিবলৈ সক্ষম হৈছে। দৰং জিলাৰ হেমপ্রভা ডেকাৰ দৰে মহিলা উদ্যোগীয়ে লক্ডাউনৰ মাজতে সীমিত কৰ্মচাৰীৰে কাম কৰিও ভূটানৰ দৰে বহিঃ ৰাষ্ট্রলৈ ৪০ হাজাৰটা বন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰিবলৈ

সক্ষম হৈছে। ৰাজ্যৰ মহিলা সবলীকৰণৰ দিশতো ই এক উল্লেখনীয় দৃষ্টান্ত দাঙি ধৰিছে। সেইদৰে নগাঁৱৰ অভিজিৎ বৰুৱা, নলবাৰীৰ দিলীপ দাস আদিৰ দৰে উদ্যোগীয়ে নিজৰ অধ্যৱসায় আৰু কষ্টৰ বলত প্ৰতিষ্ঠিত হোৱাৰ লগতে শতাধিক নিৰনুৱাক কৰ্ম সংস্থাপন প্ৰদান কৰিবলৈ সক্ষম হৈছে। এনে সফল উদ্যোগীসকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অসমৰ যুৱক-যুৱতীসকলে এই খণ্ডত অধিক আত্মনিয়োগ কৰিলে ৰাজ্যত এক উদ্যোগ বিপ্লৱৰ সূচনা হ'ব বুলি তেওঁ মন্তব্য কৰে।

'আত্মনিৰ্ভৰ ভাৰত অভিযান'ৰ লক্ষ্য বাস্তৱায়িতকৰণৰ ক্ষেত্ৰত বেংকসমূহে প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি উল্লেখ কৰি এই পৰ্যন্ত এই আঁচনিৰ প্ৰতি আগবঢ়োৱা সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে বেংকাৰ্ছসকললৈ ধন্যবাদ জ্ঞাপন কৰে। চৰকাৰ, বেংক কৰ্তৃপক্ষসমূহ আৰু উদ্যোগীসকলৰ সম্মিলিত প্ৰচেষ্টাইহে আমাৰ কৰ্ম সামৰ্থ্যৰ ৰসায়ন শক্তিশালী কৰাত উপযুক্ত পৰিৱেশ নিৰ্মাণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কয় যে অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনত উদ্যোগ খণ্ডৰ অৰিহণা ৩৯ শতাংশ যদিও প্ৰকৃততে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই অৰিহণা প্ৰায় ৪৪ শতাংশ বুলি ক'ব পাৰি। বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উদ্যোগ অনুকূল নীতিৰ বাবে বিগত চাৰি বছৰত ৰাজ্যৰ উদ্যোগ খণ্ডই ১ লাখ লোকক প্ৰত্যক্ষভাৱে নিয়োজন প্ৰদান কৰাৰ লগতে প্ৰায় ৬ লাখ লোকক পৰোক্ষ নিয়োজনৰ সুবিধা প্ৰদান কৰিছে। নামনি অসমত উদ্যোগৰ বিশেষ প্ৰসাৰৰ বাবে চৰকাৰে আমিনগাঁৱৰ পৰা টিহুলৈকে ঔদ্যোগিক কৰিড'ৰ হিচাপে ঘোষণা কৰিছে। উদ্যোগ স্থাপনৰ বাবে জটিলতা আতঁৰোৱাৰ সহায়ক হোৱাকৈ চৰকাৰে ইতিমধ্যে এম এছ এম ই অৰ্ডিনেন্স প্ৰণয়ন কৰিছে। বিধানসভাৰ সমাগত অধিৱেশনতে এই অধ্যাদেশত অনুমোদন লাভ কৰিব পৰা যাব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ইয়াৰ ফলত ৰাজ্যত উদ্যোগ স্থাপন কৰাটো অতিকৈ সহজ হৈ পৰিব। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে 'উড়ান' আঁচনিৰ অধীনত দক্ষিণ-পূব এছিয়াৰ ৬ খন ৰাষ্ট্ৰলৈ বিমান যোগাযোগ, সুদীৰ্ঘ কেইবাটাও দশকৰ পিছত বাংলাদেশৰ ছিট্টাগং আৰু মংলা বন্দৰত ব্যৱসায়িক যাতায়াতৰ বাবে অনুমোদন লাভ, বাংলাদেশৰ ক'ক্স বজাৰ আই টি গেটৰ পৰা ৰাজ্যত দ্ৰুত ইণ্টাৰনেট সেৱা উপলব্ধ কৰাৰ পদক্ষেপ আদিৰ বিষয়েও উল্লেখ কৰে। ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ ৰাইজৰ লগতে ক্ষুদ্ৰ উদ্যোগীসকলৰ মাজত মাইক্ৰ ফাইনেন্সিঙৰ সেৱা আগবঢ়োৱাৰ পদক্ষেপ ল'বলৈ উদ্যোগ মন্ত্ৰীগৰাকীয়ে অসম গ্ৰামীণ বিকাশ বেংক কৰ্তৃপক্ষক আহ্বান জনায়।

উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিবেদীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত আয়ুক্ত সচিবগৰাকীয়ে ৰাজ্যত 'আত্মনিৰ্ভৰ ভাৰত অভিযান' ৰূপায়ণৰ বিভিন্ন দিশ সামৰি এক পাৱাৰ পইণ্ট প্ৰেজেণ্টেচনো আগবঢ়ায়। অনুষ্ঠানত বেংকাৰ্ছসকলৰ হৈ ভাৰতীয় ষ্টেট বেংকৰ আঞ্চলিক কাৰ্যালয়ৰ মহাপ্ৰৱন্ধক সুৰঞ্জনা দত্ত, উদ্যোগী অভিজিৎ বৰুৱা, দিলীপ দাস, এ মেহৰা, হেমপ্ৰভা ডেকা আদিয়েও বক্তব্য আগবঢ়াই নিজৰ অভিজ্ঞতা আৰু সফলতাৰ কাহিনী মুখ্যমন্ত্ৰীক অৱগত কৰে। লক্‌ডাউনৰ এই কঠিন সময়ত উদ্যোগীসকলৰ প্ৰতি আগবঢ়োৱা সহযোগিতাৰ বাবে তেওঁলোকে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

মত বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া প্ৰমুখ্যে উদ্যোগ আৰু বাণিজ্য বিভাগৰ জ্যেষ্ঠ বিষয়ববীয়াসকল তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বহু সংখ্যক উদ্যোগীয়ে অংশগ্ৰহণ কৰে। ❐❐

গুৱাহাটী-উঃ গুৱাহাটী সংযোগী নদীৰ ওপৰত নির্মিত দেশৰ দীর্ঘতম ৰ'পৰে মুকলি

অসমৰ যাতায়াত ব্যৱস্থাত এক নতুন অধ্যায়ৰ সংযোজন ঘটাই মুকলি কৰা হ'ল ব্ৰহ্মপুত্ৰৰ ওপৰেৰে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ৰ'পৰে। নদীৰ ওপৰেৰে নির্মাণ কৰা এইটোৱেই হ'ল দেশৰ ভিতৰত আটাইতকৈ বেছি দীঘল ৰ'পৰে। যাৰ দৈর্ঘ্য ২ কিঃমিঃ। গুৱাহাটী মহানগৰ উন্নয়ন কর্তৃপক্ষই নির্মাণ কৰি উলিওৱা এই অত্যাধুনিক ৰ'পৰেটো যোৱা ২৪ আগষ্টত মংগলধ্বনিৰ মাজেৰে ৰাইজৰ বাবে মুকলি কৰে ৰাজ্যৰ বিত্ত-স্বাস্থ্য-শিক্ষা তথা গড়কাপ্টানী মন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই। মহানগৰীৰ কাছাৰীত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী সিদ্ধার্থ ভট্টাচার্যৰ উপস্থিতিত ৰ'পৰেটো মুকলি কৰি দিয়া ভাষণত মন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই কয় যে 'আজিৰ দিনটো মহানগৰীৰ বাবে উল্লেখযোগ্য তথা গুৰুত্বপূর্ণ দিন। ৰ'পৰে থকা ৰাজ্যৰ তালিকাত আজিৰ পৰা সংযোজন হ'ল অসমৰ নাম। আধুনিক অসম আৰু আধুনিক গুৱাহাটীৰ বাবে আজিৰ দিনটো সোণোৱালী দিন হিচাপে পৰিগণিত হৈ ৰ'ব।' তেওঁ লগতে কয় যে জালুকবাৰী সমষ্টিৰ পৰা নির্বাচিত হোৱাৰ পিছত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং, ৰ'পৰে আদিৰ পৰিকল্পনা লৈ তেওঁ নিজৰ ৰাজনৈতিক জীৱন আৰম্ভ কৰিছিল। ২০০৩ চনত তেতিয়াৰ কামৰূপ (ম) জিলাৰ

১ জানুৱাৰীৰ দিনা পাণ্ডুৰ প�ৰা কামাখ্যা মন্দিৰলৈ উঠিব পৰাকৈ আন এটা পথো মুকলি কৰি দিয়া হ'ব। এতিয়াৰ পৰা বিমানবন্দৰৰ ফালৰ পৰা অহা ভক্তসকল পাণ্ডুৰ পৰাই কামাখ্যা মন্দিৰলৈ আহিব পাৰিব। যোৱা বছৰকেইটা চৰকাৰৰ বিৰামহীন পৰিশ্ৰমৰ বাবে গুৱাহাটীয়ে উন্নয়নৰ নতুন দিগন্ত চুবলৈ সক্ষম হৈছে। তাৰ ভিতৰত ৰ'পৰে অসমৰ অলংকাৰ হৈ জিলিকি থাকিব। যোৱা ৩ টা বছৰৰ ভিতৰত গুৱাহাটীৰ কৃত্রিম বানো নিয়ন্ত্রণলৈ আহিছে। গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলঙৰ নির্মাণ সম্পূর্ণ হোৱাৰ লগে লগে মহানগৰীৰ সম্প্রসাৰণেও নতুন ৰূপ ল'ব। যাৱতীয় ধন উপলব্ধ হ'লে ৰাজধানীক্ষেত্র জাগীৰোড, মঙলদৈ আৰু ৰঙিয়ালৈ সম্প্রসাৰিত কৰা হ'ব আৰু তেতিয়া ভাৰতৰ ভিতৰতে গুৱাহাটী এখন ডাঙৰ মহানগৰী হিচাপে চিহ্নিত হ'ব। ইয়াৰ উপৰি ৰাজধানী দিল্লীৰ আৰ্হিৰে গুৱাহাটীকো ৰিং ৰোডেৰে বান্ধি লোৱাৰ পৰিকল্পনা কৰা হৈছে বুলি বিত্তমন্ত্রী ড° শর্মাই তেওঁৰ ভাষণত কয়। অন্যফালে গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী সিদ্ধান্ত ভট্টাচার্যই কয় যে, 'গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ৰ'পৰে হিমন্ত বিশ্ব শর্মাৰ এটা সপোনৰ প্রকল্প আছিল। বহু ঘাত-প্রতিঘাতেৰে সম্পূর্ণ কৰি উলিওৱা প্রকল্পটোৰ প্রতি সদায় দেখুৱাই অহা আগ্রহৰ বাবে মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালকো ধন্যবাদ জ্ঞাপন কৰে মন্ত্রী সিদ্ধার্থ ভট্টাচার্যই। এই উদ্বোধনী অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাৰ উপৰি জি এম ডি এৰ অধ্যক্ষ অশোক সিংঘালো উপস্থিত থাকে। ❐❐

উপায়ুক্তক গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী এটা ৰ'পৰে প্রকল্প পৰিকল্পনা প্রস্তুত কৰিবলৈ নির্দেশ দিছিল। ২০১৬ চনত নতুন চৰকাৰৰ গুৱাহাটী উন্নয়ন বিভাগৰ দায়িত্ব লৈয়ে পূর্ণ ৰ'পৰেৰ আধৰুৱা কাম সম্পূর্ণ কৰাৰ কামত তেওঁ নামি পৰিল আৰু কম দিনৰ ভিতৰতে সমগ্র কামটো পুনৰ ট্রেকলৈ ওভতাই আনিবলৈ সক্ষম হয়। এটা সময়ত বিভাগটোৰ দায়িত্ব মন্ত্রী সিদ্ধার্থ ভট্টাচার্যৰ হাতত তুলি দিবলগীয়া হয়। সেই সময়ত তেওঁ ভট্টাচার্যক যেনে তেনে প্রকল্পটো সম্পূর্ণ কৰিবলৈ অনুৰোধ জনাইছিল। সেইমতেই ৰ'পৰে প্রকল্পটো আজি ৰাইজৰ হাতত অর্পণ কৰা হ'ল। অসমত এইটোৱে হ'ল নদীৰ ওপৰত নির্মাণ কৰা প্রথমটো ৰ'পৰে। মন্ত্রী ড° শর্মাই কয়— যোৱা বছৰ অক্টোবৰ মাহত গণেশগুৰি উৰণীয়া সেতুৰ কাম আৰম্ভ কৰি পৰৱর্তী পূজাৰ আগে আগে সম্পূর্ণ কৰাৰ লক্ষ্য লোৱা হ'ল আৰু এইবাৰ দুর্গাপূজাৰ ষষ্ঠীৰ দিনটোত এই ফ্লাইঅ'ভাৰ ৰাইজৰ বাবে মুকলি কৰি দিয়া হ'ব। একেদৰে ব'হাগ বিহুৰ আগে আগে সম্পূর্ণ কৰাৰ লক্ষ্যৰে ছুপাৰমার্কেট ফ্লাই অ'ভাৰৰ নির্মাণৰ কাম চলি আছে। বিহুৰ আগতে এই ফ্লাই অ'ভাৰখনো ৰাইজৰ হাতত তুলি দিয়া হ'ব বুলি এই মুহূর্তত মই বিশ্বাস কৰো। সম্প্রতি গুৱাহাটীত একেলগে ৯ খন এক্সেলেটৰ থকা ফুট অ'ভাৰব্রীজৰ কাম চলি আছে আৰু ১ ফেব্রুৱাৰীৰ দিনটোত আটাইকেইখন একেলগে উদ্বোধন কৰা হ'ব। আনহাতে, গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং নির্মাণৰ কামো প্রায় ২৫ শতাংশ সম্পূর্ণ হৈছে আৰু দলংখন নির্মাণ হৈ উঠিলে মাত্র ১৫ মিনিটত গুৱাহাটীৰ পৰা গৈ ৰাইজ চাংসাৰিৰ এইমচত উপস্থিত হ'ব পাৰিব। তদুপৰি ব্রহ্মপুত্রৰ মাজেৰে ভৰলুৰ পৰা ৰাজভৱন পর্যন্ত অন্য এটা পথ নির্মাণ কৰাৰ পৰিকল্পনা কৰা হৈছে। গোপীনাথ বৰদলৈ পথৰ সমান্তৰালভাৱে ব্রহ্মপুত্রৰ ওপৰেৰে এই পথ নির্মাণ কৰাৰ পৰিকল্পনা গড়কাপ্টানী বিভাগে প্রস্তুত কৰি উলিয়াইছে। তদুপৰি

চাওতাল জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ সৈতে মুখ্যমন্ত্রীৰ বৈঠক

চাওতালী ভাষা-সাহিত্যৰ উন্নয়নৰ বাবে 'ভাষা গৌৰৱ' আঁচনিৰ অধীনত চৰকাৰে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব

সদৌ চাওতাল ছাত্ৰ সস্থা, চাওতালী সাহিত্য সভা আৰু চাওতালী ভাষা শিক্ষক সস্থাৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালৰ এখন বৈঠক যোৱা ২৫ আগষ্টত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। বৈঠকৰ আৰম্ভণিতে তিনিওটা সংগঠনৰ নেতৃবৰ্গই তেওঁলোকৰ বিভিন্ন দাবীসম্বলিত তিনিখন স্মাৰক পত্ৰ মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালৰ হাতত অৰ্পণ কৰি স্মাৰক পত্ৰত উল্লিখিত বিষয়সমূহ সোনকালে সমাধানৰ পদক্ষেপ লোৱাৰ বাবে মুখ্যমন্ত্রীক আহ্বান জনায়। অত্যন্ত সৌহাৰ্দ্যপূৰ্ণ পৰিবেশত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্রী সোণোৱালে কয় যে ৰাজ্য চৰকাৰে ৰাজ্যখনৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠীক সাংবিধানিক নিৰাপত্তা প্ৰদান কৰি সকলোকে সম-উন্নয়নেৰে আগুৱাই নিয়াৰ বাবে নিষ্ঠাসহকাৰে পদক্ষেপ লৈ আছে। পূৰ্বৰ কোনো এখন চৰকাৰে ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মূল সমস্যাসমূহ সমাধানৰ দিশত আন্তৰিকতাৰে এনেধৰণৰ বাস্তৱসন্মত পদক্ষেপ লোৱা নাছিল বুলিও মুখ্যমন্ত্রীয়ে কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কেৱল ৰাজনীতিৰ বাবে এনেধৰণৰ পদক্ষেপ লোৱা নাই বুলি উল্লেখ কৰি ৰাজ্যখনৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দিশতো মন্ত্রী গোটে ৰাজ্যখনৰ বিভিন্ন দল-সংগঠনৰ সৈতে আলোচনা কৰি এই দিশত ইতিবাচকভাৱে আগবাঢ়িছে বুলিও মুখ্যমন্ত্রীয়ে কয়। বিধানসভাৰ সমাগত অধিৱেশনৰ সময়তো এই মন্ত্রী গোটে বিভিন্ন দল-সংগঠনৰ সৈতে এই সম্পৰ্কত আলোচনাত মিলিত হৈ ইয়াৰ চূড়ান্ত প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্রীয়ে লগতে কয় যে চাওতাল জনগোষ্ঠীৰ সংগঠনকেইটাৰ দাবী অনুসৰি গুৱাহাটীত এই জনগোষ্ঠীটোৰ বাবে হোষ্টেল, অতিথিশালা নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে আৰ্থিক অনুদান আগবঢ়াব। ঠিক তেনেদৰে চাওতালী ভাষা-সাহিত্যৰ উন্নয়নৰ বাবে 'ভাষা গৌৰৱ' আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্রীয়ে কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণী কল্যাণ বিভাগৰ মন্ত্রী চন্দন ব্রহ্মই ৰাজ্যখনৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ দিশত মন্ত্রী গোট গঠন নোহোৱা হ'লে এইক্ষেত্রত বহুখিনি কাৰিকৰী ত্রুটি থাকি গ'লহেঁতেন বুলি কয়। বৰ্তমানৰ চৰকাৰখনে এই দিশত নিষ্ঠাসহকাৰে সঠিক দিশেৰে পদক্ষেপ লৈ আছে বুলিও তেওঁ কয়। মন্ত্রীগৰাকীয়ে লগতে কয় যে কৰ'না অতিমাৰীয়ে যদিহে বিভীষিকাৰ সৃষ্টি নকৰিলেহেঁতেন তেন্তে এই প্ৰক্রিয়াই আৰু অধিক গতি লাভ কৰিলেহেঁতেন। এই আলোচনাৰ কালত মুখ্যমন্ত্রীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্রীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❐❐

কোচ ৰাজবংশী জনগোষ্ঠীৰ কেইবাটাও জাতীয় সংগঠনৰ সৈতে মুখ্যমন্ত্রীৰ বৈঠক

- ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে গঠিত মন্ত্রী গোটে শীঘ্রে চূড়ান্ত পর্যায়ৰ আলোচনা অনুষ্ঠিত কৰি কেন্দ্রীয় চৰকাৰলৈ প্রতিবেদন দাখিলৰ বাবে পদক্ষেপ ল'ব ।
- কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠনৰ দিশতো অতি সোনকালেই সাংবিধানিক ৰূপ প্রদানৰ ব্যৱস্থা কৰা হ'ব ।
- অসমৰ জাতীয় জীৱনৰ দুই মহান বীৰ লাচিত বৰফুকন আৰু বীৰ চিলাৰায়ৰ নামত ১ হাজাৰখন কাঠৰ দলং নির্মাণৰ কামেও ইতিমধ্যে যথেষ্ট অগ্রগতি লৈছে ।

কোচ ৰাজবংশী জনগোষ্ঠীৰ কেইবাটাও জাতীয় সংগঠনৰ সৈতে মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালৰ যোৱা ২৫ আগষ্টত এক গুৰুত্বপূর্ণ বৈঠক অনুষ্ঠিত হয়। অসম প্রশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত উক্ত বৈঠকত কোচ ৰাজবংশী জনগোষ্ঠীৰ এই জাতীয় সংগঠনসমূহে মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালৰ হাতত তেওঁলোকৰ বিভিন্ন দাবীসম্বলিত স্মাৰকপত্র দাখিল কৰি এই সমস্যাসমূহৰ সমাধানৰ বাবে আহ্বান জনায়। বৈঠকৰ আৰম্ভণিতে ভৈয়াম জনজাতি কল্যাণ আৰু অন্যান্য পিছপৰা শ্রেণী কল্যাণ বিভাগৰ মন্ত্রী চন্দন ব্রহ্মই ৰাজ্য চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠন ইত্যাদি বিষয় সন্দর্ভত তৎপৰতাৰে লোৱা ব্যৱস্থাসমূহ প্রতিনিধিবর্গক অৱগত কৰে। বৈঠকত কোচ ৰাজবংশী জাতীয় মহাসভা, সদৌ কোচ ৰাজবংশী ছাত্র সস্থা, কোচ ৰাজবংশী সংগ্রাম সমিতি, সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্র সন্মিলনী, সদৌ কোচ ৰাজবংশী মহিলা সমিতি, সদৌ অসম কোচ ৰাজবংশী সন্মিলনী ইত্যাদি সংগঠনসমূহৰ নেতৃবৃন্দই মুখ্যমন্ত্রীক ৰাজ্যখনৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠনৰ দিশত তৎপৰতাৰে ব্যৱস্থা লোৱাৰ বাবে মুখ্যমন্ত্রীক আহ্বান জনায়।

আটাইকেইটা জাতীয় সংগঠনৰ সৈতে অত্যন্ত সৌহার্দ্যমূলক পৰিৱেশত অনুষ্ঠিত আলোচনাত মুখ্যমন্ত্রী সোণোৱালে কোচ ৰাজবংশী জাতীয় সংগঠনৰ নেতৃবর্গক এই জনগোষ্ঠীটোৰ ৫৩ বছৰ পুৰণি সমস্যা সমাধানৰ বাবে গণতান্ত্রিকভাৱে আলাপ-আলোচনাৰ জৰিয়তে পদক্ষেপ লৈ থকাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। কোচ ৰাজবংশীসকলকে ধৰি ৰাজ্যখনৰ বিভিন্ন জনগোষ্ঠীৰ সমস্যাসমূহ সমাধানৰ বাবে প্রধানমন্ত্রী নৰেন্দ্র মোদী, গৃহমন্ত্রী অমিত শ্বাহ তথা ৰাজ্য চৰকাৰে সমান্তৰালভাৱে পদক্ষেপ লৈ আছে বুলি মুখ্যমন্ত্রীয়ে কয়। কোচ ৰাজবংশী জনগোষ্ঠীকে ধৰি ৰাজ্যখনৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পর্কত বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ অধ্যক্ষতাত গঠিত মন্ত্রী গোটে ইতিমধ্যে তৎপৰতাৰে বিভিন্ন জাতীয় সংগঠন তথা সংস্থাৰ সৈতে আলোচনাত মিলিত হৈছে বুলি উল্লেখ কৰি যোৱা ২৪ মার্চৰ পৰা কৰ'না মহামাৰীয়ে সৃষ্টি কৰা পৰিস্থিতিৰ বাবে আনুষ্ঠানিকভাৱে এই সংক্রান্তত বহুদিনৰ বিৰতি ৰমুৰত এনেদৰে আলোচনাত মিলিত হ'ব পৰা গৈছে বুলিও মুখ্যমন্ত্রীয়ে কয়। মুখ্যমন্ত্রীয়ে লগতে কয় যে চৰকাৰৰ দৃষ্টিভংগী এই দিশত সু-স্পষ্ট আৰু খুৰ কম সময়ৰ ভিতৰতে চূড়ান্ত পর্যায়ৰ আলোচনা মন্ত্রী

গোটে সমাপন কৰি এই প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ প্ৰেৰণৰ বাবে ৰাজ্য চৰকাৰে মনস্থ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ঠিক তেনেদৰে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ গঠনৰ দিশতো অতি সোনকালেই সাংবিধানিক ৰূপ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিধানসভাৰ মজিয়াত এই সম্পৰ্কে বিল উত্থাপিত কৰি ইয়াক অনুমোদন জনোৱাৰ পদক্ষেপ লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কোচ ৰাজবংশী জাতীয় সংগঠনসমূহৰ অন্যান্য দাবীসমূহৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জাতীয় জীৱনৰ দুই মহান বীৰ লাচিত বৰফুকন আৰু বীৰ চিলাৰায়ৰ নামত ১ হাজাৰখন কাঠৰ দলং নিৰ্মাণৰ কামো ইতিমধ্যে যথেষ্ট অগ্ৰগতি লৈছে। অসমৰ গাঁৱে-ভূঞে যাতে নৱ প্ৰজন্মই এই দুগৰাকী বীৰৰ বিষয়ে ভালদৰে অৱগত হৈ জাতি গঠন প্ৰক্ৰিয়াত শক্তিশালী ভূমিকা ল'ব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত পদক্ষেপ লৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। জনজাতিকৰণকে ধৰি অন্যান্য সমস্যাসমূহ সমাধানৰ বাবে পূৰ্বৰ কোনো এখন চৰকাৰে আন্তৰিকতাৰে কোনো ধৰণৰ পদক্ষেপ লোৱা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰে গণতান্ত্ৰিক প্ৰমূল্যবোধ অক্ষুণ্ণ ৰাখি সকলোৰে লগত আলাপ-আলোচনাৰ মাধ্যমেৰে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰতিবেদন দাখিলৰ বাবে পদক্ষেপ ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয় যাতে এই প্ৰক্ৰিয়াত কোনোধৰণৰ বিসংগতি থাকিব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো সংগঠনক ৰাজ্য চৰকাৰে লোৱা ব্যৱস্থাৱলীৰ প্ৰতি বিশ্বাস ৰাখিবলৈও আহ্বান জনায় আৰু খুব কম দিনৰ ভিতৰতে মন্ত্ৰী গোটৰ সৈতে সংগঠনসমূহৰ চূড়ান্ত পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব বুলিও তেওঁ কয়। এই আলোচনাত কোচ ৰাজবংশী জাতীয় মহাসভাৰ সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়, কাৰ্যকৰী সভাপতি নিৰ্মল ৰায়, সভাপতি তৰণীকান্ত ৰায়, সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সস্থাৰ সাধাৰণ সম্পাদক জীৱেশ ৰায়, কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক দুলাল চন্দ্ৰ ৰায়, সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সাধাৰণ সম্পাদক ধৰ্মেন্দ্ৰ ৰায়, সভাপতি বৈষ্ণৱ কোচ, সদৌ কোচ ৰাজবংশী মহিলা সমিতিৰ সভানেত্ৰী মালতী ৰায়, সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক হিমু ৰাজবংশীকে ধৰি সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সস্থা, সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী, সদৌ কোচ ৰাজবংশী মহিলা সমিতি, চিলাৰায় সেনা, কমতাপুৰ আৰ্টিচ ছ'চাইটী, কোচ ৰাজবংশী সংগ্ৰাম সমিতি, কোচ ৰাজবংশী জাতীয় মহাসভা, কোচ ৰাজবংশী জাতীয় মঞ্চ, সদৌ অসম কোচ ৰাজবংশী সন্মিলনী ইত্যাদিকে ধৰি প্ৰায় ১২টা কোচ ৰাজবংশী জাতীয় সংগঠনৰ নেতৃবৃন্দই এই আলোচনাত অংশ লয়। এই আলোচনাৰ সময়ত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী চন্দন ব্ৰহ্ম, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❐❐

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্রেক্ষাগৃহত ষ্টাফ নার্ছ আৰু গ্রামাঞ্চলত সেৱাৰ বাবে চিকিৎসকক নিযুক্তি পত্র প্রদান অনুষ্ঠান

১ নৱেম্বৰৰ পৰা গুৱাহাটীৰ এইমছত আৰম্ভ হ'ব শৈক্ষিক বর্ষ ঃ স্বাস্থ্যমন্ত্রী ড° শর্মা

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্রেক্ষাগৃহত যোৱা ২০ আগষ্টত মেডিকেল কলেজখনৰ বাবে ২০১ গৰাকী ষ্টাফ নার্ছ আৰু গ্রামাঞ্চলত সেৱাৰ বাবে ১৫৭ গৰাকী চিকিৎসকক নিযুক্তি পত্র প্রদান কৰি দিয়া ভাষণত স্বাস্থ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই কয় যে, চাংসাৰিত নির্মীয়মাণ এইমছত অহা ১ নৱেম্বৰৰ পৰা শৈক্ষিক বর্ষ আৰম্ভ হ'ব। এইমছত চিকিৎসা সেৱা আৰম্ভ হ'ব অহা বছৰৰ পৰা। ভাষণ প্রসংগত তেওঁ আৰু কয় যে লখিমপুৰ মেডিকেল কলেজ হস্পিতালখন অহা ১৫-৩০ নৱেম্বৰৰ ভিতৰত আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। ইতিমধ্যে মেডিকেল কলেজখনৰ ৯৫ শতাংশ কাম সম্পূর্ণ হোৱা বুলিও তেওঁ সদৰী কৰে। তেওঁ আৰু কয় যে ধুবুৰী মেডিকেল কলেজ নির্মাণৰ কামো ৭০ শতাংশ ইতিমধ্যে সম্পূর্ণ হৈছে। নগাঁও মেডিকেল কলেজৰো ৭০ শতাংশ নির্মাণ সম্পূর্ণ হৈছে। অহা বছৰ ধুবুৰী আৰু নগাঁও মেডিকেল কলেজ আৰম্ভ কৰিব পৰা যাব বুলি তেওঁ আশা প্রকাশ কৰে। নির্মাণ কার্য চলি থকা নলবাৰীৰ মেডিকেল কলেজখনৰো কাম ৭০ শতাংশ সম্পূর্ণ হৈছে। তেনেদৰে তিনিচুকীয়া মেডিকেল কলেজৰ কাম ৬০ শতাংশ সম্পূর্ণ হৈছে। স্বাস্থ্যমন্ত্রীগৰাকীয়ে আৰু কয় যে এই বছৰ চৰকাৰে নতুনকৈ বিশ্বনাথ, চৰাইদেউ, গোৱালপাৰা আৰু কৰিমগঞ্জত মেডিকেল কলেজ নির্মাণৰ কাম আৰম্ভ কৰিব। ধেমাজিতো নতুন মেডিকেল কলেজ স্থাপনৰ চিন্তা কৰা হৈছে। আনহাতে, গুৱাহাটীত দ্বিতীয়খন মেডিকেল কলেজ স্থাপনৰ বিষয়েও চৰকাৰে চিন্তা-চর্চা কৰি আছে। জি এম চি এইচত স্থাপন কৰা ৩০০খন বিচনাযুক্ত কেন্সাৰ হাস্পাতালকে ধৰি ৰাজ্যখনত নতুনকৈ ১৭খন কেন্সাৰ হাস্পাতালৰ কাম আৰম্ভ কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে অসম চিকিৎসা মহাবিদ্যালয়, শিলচৰ চিকিৎসা মহাবিদ্যালয়, মঙলদৈ, তেজপুৰ, বৰপেটাত হ'বলগীয়া কেন্সাৰ হাস্পাতাল নির্মাণৰ কামো ৫০ শতাংশ সম্পূর্ণ হৈছে। অহা ডিচেম্বৰ মাহত উক্ত কেন্সাৰ হাস্পাতালকেইখনত কেম'থেৰাপি আৰু ৰেডিয়েচন থেৰাপি আৰম্ভ কৰিব পৰা যাব বুলি তেওঁ আশা প্রকাশ কৰে। ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ উত্তৰণৰ খতিয়ান দাঙি ধৰি তেওঁ আৰু কয় যে পূর্বতে অসমত এম বি বি এছ পাঠ্যক্রমত আসনৰ সংখ্যা আছিল ৩১৯খন। এইবাৰ এই সংখ্যা ১০০০ লৈ বৃদ্ধি পাইছে। লখিমপুৰ মেডিকেল কলেজ হোৱাৰ লগে লগে সেই সংখ্যা ১১০০ লৈ বৃদ্ধি পাব। পি জি পাঠ্যক্রমতো আসনৰ সংখ্যা বৃদ্ধি পোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ২০০৯ চনত অসমত পি জি পাঠ্যক্রমত আসনৰ সংখ্যা আছিল ৩২১খন। এতিয়া সেই আসনৰ সংখ্যা ৬৬০ লৈ বৃদ্ধি পাইছে। অদূৰ ভৰিষ্যতে এম বি বি এছ আৰু পি জিৰ আসনৰ সংখ্যা সমান কৰাৰ সপোন আছে। ক'ভিড ১৯ ৰ পৰিপ্রেক্ষিতত আই চি ইউৰ সংখ্যাও ৰাজ্যখনত বৃদ্ধি পোৱাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এই সময়ছোৱাত আই চি ইউৰ সংখ্যা ২৫০ ৰ পৰা ৬০০ লৈ বৃদ্ধি পালে। ❐❐

ডিব্রুগড়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি অনুষ্ঠানত মুখ্যমন্ত্ৰী

গুৰুজনা আমাৰ জীৱন দৰ্শনৰ পথ প্ৰদৰ্শক

'জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অনন্য সৃষ্টিকৰ্মৰে বৃহত্তৰ অসমীয়া জাতিৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ ভেটি শক্তিশালী কৰি থৈ গৈছে। গুৰুজনা আমাৰ জীৱন দৰ্শনৰ পথ প্ৰদৰ্শক।' যোৱা ২০ আগষ্টত ডিব্রুগড়ৰ শ্ৰীশ্ৰী আউনীআটী কছাৰীবাৰী শাখা সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে গুৰুজনাৰ শ্ৰীচৰণত সেৱা নিৱেদি অসমবাসীৰ মংগলৰ বাবে প্ৰাৰ্থনা জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে এই পুণ্যভূমিত জন্মলাভ কৰা প্ৰতিগৰাকী ব্যক্তিক শান্তি প্ৰাপ্তিৰ বাবে গুৰুজনাই পথৰ সন্ধান দি গৈছে। গুৰুজনাৰ চৰণত ভক্তিভাৱে মূৰ দোঁৱালে এই পথৰ সন্ধান পাব পৰা যায়। তেওঁ কয় যে ধৰিত্ৰীৰ সৌন্দৰ্য উপভোগৰ বাবেও ভক্তিভাৱৰ প্ৰয়োজন। মানৱতা ৰক্ষা কৰাটো মানুহৰ কৰ্তব্য আৰু অন্ধবিশ্বাস, কু-সংস্কাৰ আঁতৰ কৰিলেহে প্ৰকৃত মানুহ হ'ব পৰা যায়। কলুষিত মন পৰিষ্কাৰ কৰাৰ বাবে গুৰুজনাৰ আদৰ্শৰ প্ৰয়োজন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাৰ জীৱনেই আদৰ্শ। গুৰুজনাৰ কৰ্মৰাজিৰ প্ৰতিটো অধ্যায়তে আদৰ্শ আছে আৰু সেই আদৰ্শই আমাক জ্ঞান প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাৰ আদৰ্শৰে আমি ৰাজ্যখনক বিশ্বৰ বুকুত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব লাগিব। কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য, সামাজিক-সাংস্কৃতিক, আধ্যাত্মিক, অৰ্থনৈতিক দিশত আগুৱাই যাবলৈ হ'লে গুৰুজনাৰ আশীৰ্বাদৰ প্ৰয়োজন। আমি এই কাম কৰিবলৈ সক্ষম হ'ম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই আমাক মহামন্ত্ৰ প্ৰদান কৰি গৈছে। সমন্বয়ৰ জৰিয়তে শক্তিশালী সমাজ নিৰ্মাণৰ পৰামৰ্শ দি গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে সকলোৱে মিলা-প্ৰীতিৰে থাকি ৰাজ্যখনৰ শক্তি বৃদ্ধি কৰিব লাগিব। আমাৰ মাজত যি শিষ্টাচাৰ, মানৱীয় অনুভূতি আছে সেয়া আমি কৰ্মপথাৰত প্ৰতিফলন কৰিব লাগিব। শ্ৰদ্ধা-ভক্তি, মৰম-চেনেহ আৰু আন্তৰিকতাৰে মানুহে মানুহৰ বাবে মানৱীয় অনুভূতিৰে কাম কৰিব লাগিব। এই কাম যদি প্ৰতিজন অসমীয়াই নিষ্ঠাৰে কৰে তেতিয়া নিশ্চিতভাৱে গুৰুজনাৰ আত্মাই শান্তি পাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপুৰঞ্জন মাক্ৰাৰী, অসম গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্ত, ডিব্রুগড় জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক প্ৰমুখ্যে ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। ❐❐

ৰহা মীন মহাবিদ্যালয়ত 'আত্মনির্ভৰ অসম গঢ়াৰ বাবে প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা' শীৰ্ষক কৰ্মশালাত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

ৰাজ্যখনে সকলো ক্ষেত্ৰতে আত্মনির্ভৰশীল হোৱাৰ বাবে প্ৰচেষ্টা ল'ব লাগিব

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১২ আগষ্টত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ ৰহা মীন মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ মীন বিভাগ আৰু মীন মহাবিদ্যালয়ৰ উদ্যোগত 'আত্মনির্ভৰ অসম গঢ়াৰ বাবে প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনা' শীৰ্ষক এক কৰ্মশালাত অংশগ্ৰহণ কৰি ৰাজ্যখনৰ মৎস্য উৎপাদন বৃদ্ধিৰ দিশত মীনপালকসকলক উদ্ভাৱনীমূলক পদ্ধতি অৱলম্বন কৰাৰ দিশত অগ্ৰণী ভূমিকা লোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে অসমৰ জনসাধাৰণৰ মাজত থকা মাছৰ চাহিদা পূৰণৰ উপৰি চুবুৰীয়া ৰাজ্য তথা কাষৰীয়া ৰাষ্ট্ৰৰ বজাৰ দখলৰ বাবে এক ভৱিষ্য দৰ্শন তথা কৰ্ম আঁচনি প্ৰস্তুত কৰাৰ দিশতো মীন মহাবিদ্যালয়ক অগ্ৰণী ভূমিকা পালন কৰিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনে সকলো ক্ষেত্ৰতে আত্মনির্ভৰশীল হোৱাৰ বাবে প্ৰচেষ্টা ল'ব লাগিব। আনৰ ওপৰত নির্ভৰ কৰি চলিলে কেনেদৰে বিপদত পৰা যায় সেই দিশত ক'ভিড-১৯ সৃষ্ট লকডাউনে প্ৰমাণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমক মীনপালনৰ লগতে কৃষি তথা আনুষংগিক খণ্ডত আত্মনির্ভৰশীল হোৱাৰ বাবে সকলোৱে সমন্বিত প্ৰচেষ্টা ল'ব লাগিব বুলিও কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লৈয়ে মেক ইন ইণ্ডিয়া, স্কীল ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়াৰ দৰে পদক্ষেপৰ প্ৰাসংগিকতা কিমান সেই কথা ক'ভিডসৃষ্ট পৰিৱৰ্তিত পৰিস্থিতিত প্ৰতিগৰাকী ভাৰতীয়ই মৰ্মে মৰ্মে উপলব্ধি কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে মেক ইন ইণ্ডিয়া সফল কৰাৰ বাবে প্ৰতিগৰাকী ভাৰতীয়ই সংকল্পবদ্ধ হ'ব লাগিব বুলিও কয়। তেতিয়াহে ভাৰতবৰ্ষই বিশ্বৰ বুকুত শক্তিশালী ৰাষ্ট্ৰ হিচাপে সদায়ে যোগ্যতাৰে অৱতীৰ্ণ হৈ থাকিব পাৰিব বুলিও তেওঁ কয়। স্বাধীনতাৰ পিছত ভাৰতবৰ্ষক সকলো দিশতে আত্মনির্ভৰশীল কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি প্ৰধানমন্ত্ৰীয়ে ২০ লাখ কোটি টকাৰ যি পেকেজ ঘোষণা কৰিছে তাৰ অধীনত মৎস্য উৎপাদন বৃদ্ধিৰ বাবে ২০ হাজাৰ কোটি টকাৰ মৎস্য সম্পদ যোজনাৰ পৰা ৰাজ্যখনে যাতে সৰ্বাধিকভাৱে লাভান্বিত হ'ব পাৰে, তাৰ বাবে অসম চৰকাৰে ইতিমধ্যে ১ হাজাৰ কোটি টকাৰ এক কৰ্ম আঁচনি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই লক্ষ্য পূৰণৰ দিশত মীন বিভাগ, মীন মহাবিদ্যালয়, মীনপালক, গৱেষক ইত্যাদি সকলোৱে সমন্বিত প্ৰয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে নতুন প্ৰযুক্তিৰে উৎপাদন শক্তি বৃদ্ধি, সংসাধন গোট, ব্ৰেণ্ডিং, মাৰ্কেটিং, ষ্ট্ৰেটেজী ইত্যাদিৰ দিশত এক সুবিস্তৃত কৰ্ম আঁচনি গ্ৰহণ কৰি ৰাজ্যখনক

সর্বাধিকভাৱে লাভান্বিত কৰাৰ প্ৰয়াস চলাবলৈও সকলোকে আহ্বান জনায়। এজনৰ সফলতাৰ উদাহৰণে হাজাৰজনক অনুপ্ৰাণিত কৰে বুলি উল্লেখ কৰি মীন মহাবিদ্যালয়ক মৎস্য উদ্যোগীসকলক বিভিন্ন দিশত সহায় কৰি সফলতাৰ উদাহৰণ সৃষ্টি কৰাৰ দিশত অগ্ৰণী ভূমিকা ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ৩০ বছৰ আগলৈ ভিয়েটনামৰ অৱস্থা অতি বেয়া আছিল বুলি উল্লেখ কৰি কেৱল কৃষি অৰ্থনীতিৰ জৰিয়তে ভিয়েটনামে বৰ্তমান ৩৬ বিলিয়ন আমেৰিকান ডলাৰ প্ৰতি বছৰে উপাৰ্জন কৰিবলৈ সক্ষম হৈছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে ভিয়েটনামৰ দৰে বিজ্ঞানী আৰু কৃষকৰ মাজত থকা মধুৰ সম্পৰ্ক স্থাপনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে যাতে ইয়াৰ জৰিয়তে কৃষকসকলে আধুনিক তথা বিজ্ঞানসম্মত কৃষি পদ্ধতি আঁকোৱালি লৈ কৃষি উৎপাদন বৃদ্ধিৰ দিশত সম্যক জ্ঞান লাভ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে মীনপালকৰ লগত সঘনাই মত বিনিময় কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে মৎস্য সম্পদ যোজনাৰ দৰে প্ৰধানমন্ত্ৰীয়ে অলপতে ঘোষণা কৰা ১ লাখ কোটি টকাৰ কৃষি আন্তঃগাঁথনি নিধিৰ পৰা সৰ্বোচ্চভাৱে ৰাজ্যখনক লাভান্বিত কৰাৰ উদ্যোগ ল'বলৈও সংশ্লিষ্ট সকলোকে আহ্বান জনায়। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মীন, আবকাৰী, পৰিৱেশ, বন ইত্যাদি বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত অসমত মীন খণ্ডই এক বিশেষ গতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সময়ে সময়ে এই দিশত প্ৰদান কৰি অহা নিৰ্দেশনাই বিভাগটোক এক বিশেষ গতি প্ৰদান কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে মীন বিভাগ আৰু মীন মহাবিদ্যালয়ে আয়োজন কৰা তথা মীন পালক, উদ্যোগী, গৱেষক ইত্যাদিৰ উপস্থিতিত আয়োজিত এই আলোচনাচক্ৰই এই দিশত এক বিশেষ মাত্ৰা প্ৰদান কৰিব বুলিও কয়। মন্ত্ৰীগৰাকীয়ে লগতে বৰ্তমানৰ চৰকাৰখনে মীনপালনৰ দিশত প্ৰদান কৰা গুৰুত্বৰ বাবে মাছৰ পোনা উৎপাদনৰ দিশত অসমে স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি প্ৰথম দুটা লকডাউনৰ সময়ছোৱাত ৰাজ্যৰ ফিছফেডে ১৮০ কোটি টকাৰ মাছ বিক্ৰী কৰিবলৈ সক্ষম হৈছে বুলিও কয়।

বৰ্তমান অসমে ৩.৩৫ লাখ মেট্ৰিকটন মাছ বছৰি উৎপাদন কৰিছে বুলি উল্লেখ কৰি অসমৰ মাছ মিজোৰাম, মেঘালয়, নাগালেণ্ড ইত্যাদিৰ দৰে চুবুৰীয়া ৰাজ্যৰ বজাৰতো বিক্ৰী কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে হেটচাৰী আৰু ফিডমিলৰ দিশত বহুসংখ্যক প্ৰকল্প হাতত লোৱা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীৰ নিৰ্দিষ্ট ভৱিষ্য দৰ্শনৰ বাবে বিভাগটোত নতুন উদ্যম তথা নতুন বাতাৱৰণৰ সূচনা হৈছে বুলিও তেওঁ কয়।

অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অশোক ভট্টাচাৰ্যীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই কৰ্মশালাত মীন মহাবিদ্যালয়ৰ ডীন ড° কে কে কলিতাকে ধৰি আন দুগৰাকী অধ্যাপকেও অসমত মৎস্য উৎপাদনৰ সম্ভাৱনীয়তা তথা মৎস্য সম্পদ যোজনাই প্ৰদান কৰা সম্ভাৱনীয়তাৰ বিভিন্ন দিশ সামৰি বক্তব্য আগবঢ়ায়। কৰ্মশালাত চাৰিকণীয়া বিল মৎস্য সমবায় সমিতিৰ ধ্ৰুৱ চন্দ্ৰ দেউৰী আৰু কপিলী ভেলী বহুমুখী সমবায় সমিতিৰ মীন উদ্যোগী ৰাজীৱ হাজৰিকাই মৎস্য পালনৰ বিভিন্ন অভিজ্ঞতাৰ আলোকপাতেৰে বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে মীন বিভাগৰ আয়ুক্ত সচিব ৰাকেশ কুমাৰে মীন বিভাগে বিগত চাৰিটা বৰ্ষত লাভ কৰা সফলতা, আগন্তুক দিনৰ পৰিকল্পনা তথা প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ বিভিন্ন দিশ সামৰি এক প্ৰেজেণ্টেচন আগবঢ়োৱাৰ উপৰি মীন মহাবিদ্যালয়ৰ তৰফৰ পৰাও এক বিস্তৃত প্ৰেজেণ্টেচন আগবঢ়োৱা হয়। এই কৰ্মশালাত বিধায়কসকল ক্ৰমে ডিম্বেশ্বৰ দাস, ৰূপক শৰ্মা, বিমল বৰা, এ আৰ আই এ এছৰ পৰিচালন সঞ্চালিকা লয়া মাদ্দুৰী, প্ৰিন্সিপাল চিচিএফ (ৰাইল্ড লাইফ) এম কে যাদৱ, মীন বিভাগৰ সঞ্চালক নিৰ্মলকান্তি দেৱ নাথ, মৰিগাঁও আৰু নগাঁও জিলাৰ উপায়ুক্ত তথা আৰক্ষী অধীক্ষককে ধৰি ৰহা মীন মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, গৱেষক, ছাত্ৰ-ছাত্ৰ আৰু মীন উদ্যোগীসকলে অংশগ্ৰহণ কৰে। ❐❐

আঁচনিৰ কামসমূহ খৰতকীয়া কৰাৰ নিৰ্দেশ

উপায়ুক্ত-জিলা কৃষি বিষয়াৰ সৈতে কৃষিমন্ত্রীৰ ভিডিঅ' কনফাৰেন্সিং

কৃষি আঁচনিসমূহৰ ৰূপায়ণ খৰতকীয়া কৰি তুলিবলৈ প্রতিখন জিলাৰ উপায়ুক্ত আৰু জিলা কৃষি বিষয়াসকলক ৰাজ্যৰ কৃষিমন্ত্রী অতুল বৰাই নির্দেশ দিছে। যোৱা ২৪ আগষ্টত অসম সচিবালয়ত অনুষ্ঠিত এখন ভিডিঅ' কনফাৰেন্সযোগে জিলাসমূহৰ উপায়ুক্ত আৰু কৃষি বিষয়াসকলক কৃষকৰ স্বার্থক অগ্রাধিকাৰ দি নির্দিষ্ট সময়ৰ ভিতৰত আঁচনি ৰূপায়ণৰ কাম সম্পূর্ণ কৰিবলৈ নির্দেশ দি কৃষিমন্ত্রীগৰাকীয়ে কয় যে এই কামত গাফিলতি কৰা জিলা কৃষি বিষয়াসকলৰ বিৰুদ্ধে প্রয়োজন সাপেক্ষে অনুশাসনমূলক ব্যৱস্থা গ্রহণ কৰা হ'ব। আলোচনা কালত কৃষি আঁচনিসমূহৰ ৰূপায়ণৰ অগ্রগতিৰ পর্যবেক্ষণ কৰি মন্ত্রী বৰাই বানত ক্ষতিগ্রস্ত কৃষকৰ সঠিক তথ্য অসম ৰাজ্যিক দুর্যোগ ব্যৱস্থাপনা অভিকৰণৰ নির্দেশিত প্র-পত্র অনুসৰি পূৰণ কৰি নির্দিষ্ট সময়ৰ ভিতৰত কৃষি সঞ্চালকালয়ত জমা দিবলৈ জিলা কৃষি বিষয়াসকলক নির্দেশ দিয়ে। আনহাতে, মুখ্যমন্ত্রী সমগ্র গ্রাম্য উন্নয়ন যোজনাৰ অধীনত বেংক ড্রাফটযোগে ধন জমা দিয়া হিতাধিকাৰীসকলক অনতি পলমে ট্রেক্টৰ যোগান ধৰিবলৈও কৃষিমন্ত্রী বৰাই কৃষি বিষয়াসকলক নির্দেশ দিয়ে। প্রধানমন্ত্রী কৃষক সন্মান নিধি, মুখ্যমন্ত্রী কৃষি সা-সঁজুলি যোজনা, অত্যধিক মূল্যত ৰাসায়নিক সাৰ বিক্রী কৰা ব্যৱসায়ীৰ অনুজ্ঞা পত্র বাতিল, ব্যয় নোহোৱা ধনৰ হিচাপ দাখিল, বীজ পামসমূহত বেদখল, কিষাণ ক্রেডিট কার্ড, ৰবি বতৰৰ শস্যৰ খেতিৰ বাবে স্থান নির্বাচন আৰু হিতাধিকাৰীৰ নির্বাচন আদি বিষয়সমূহো ইয়াত আলোচনা কৰা হয়। কৃষিমন্ত্রী বৰাৰ সৈতে এই আলোচনাত অসম চৰকাৰৰ কৃষি বিভাগৰ প্রধান সচিব আৰু কৃষি উৎপাদন আয়ুক্ত ৰাজেশ প্রসাদ, কৃষি সচিব আৰু কৃষি সঞ্চালক মনোজ কুমাৰ, অসম বীজ নিগমৰ পৰিচালন সঞ্চালক তথা অসম ৰাজ্যিক কৃষি সামগ্রী বিপণন পৰিষদৰ মুখ্য কার্যবাহী বিষয়া বিদ্যুৎ বিকাশ ভাগৰতী, উদ্যান শস্য বিভাগৰ সঞ্চালক আব্দুল জেলিল আদি কেবাগৰাকীও বিষয়াই অংশগ্রহণ কৰে।

আনহাতে, কৃষি আৰু পশুপালন মন্ত্রী বৰাই যোৱা ২৫ আগষ্টত গাহৰি নিধনৰ সমগ্র প্রক্রিয়াক লৈ আফ্রিকান ছোৱাইন ফিভাৰৰ গ্রাসত পৰা জিলাসমূহৰ উপায়ুক্ত আৰু জিলা পশু চিকিৎসা বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে আন এক আলোচনাত মিলিত হয়। ইয়াত গাহৰি নিধনৰ ফলত ক্ষতিগ্রস্ত গাহৰি পালকসকলক ডাইৰেক্ট বেনিফিট ট্রান্সফাৰ প্রক্রিয়াৰ জৰিয়তে ক্ষতিপূৰণ আদায় দিয়াৰ বিষয়েও আলোচনা কৰা হয়। এই ৰোগ সমূলি নির্মূল কৰিবলৈ ৰাজ্যৰ বিভিন্ন অঞ্চলৰ ব্যাপকভাৱে গাহৰিসমূহ পৰীক্ষা কৰিবলৈ সিদ্ধান্ত লোৱা হয়। উল্লেখ্য যে যিহেতু এই ৰোগৰ কোনো প্রতিষেধক ওলোৱা নাই সেয়েহে ইয়াক পুলিয়ে-পোখাই নাশ কৰি গাহৰি পালকসকলক অধিক লোকচানৰ পৰা ৰক্ষা কৰিবলৈ আক্রান্ত অঞ্চলৰ গাহৰি নিধনৰ বাহিৰে আন উপায় নাই। ইয়াৰ উপৰি পশুপালন খণ্ডৰ প্রতি আগ্রহী যুৱ চামক সহজে বেংকৰ ঋণ লাভ কৰাত সহায় কৰি তেওঁলোকক আত্মনির্ভৰশীলতাৰ বাট মোকলাই দিবলৈ মন্ত্রীগৰাকীয়ে সংশ্লিষ্টসকলক নির্দেশ দিয়ে। ❐❐

ৰাজ্যৰ নদীসমূহৰ বিজ্ঞানসন্মত অধ্যয়ন নকৰিলে বান-খহনীয়াৰ পৰা জনসাধাৰণক নিৰাপত্তা প্ৰদান কৰিব পৰা নাযায় ঃ মুখ্যমন্ত্রী

জলসম্পদ বিভাগৰ ৬৫ গৰাকী নৱনিযুক্ত সহকাৰী অভিযন্তাক নিয়োগপত্ৰ বিতৰণ

মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে যোৱা ১০ আগষ্টত মহানগৰীৰ বশিষ্ঠস্থিত অসম জল গৱেষণা আৰু ব্যৱস্থাপনা প্রতিষ্ঠানত আয়োজিত এক অনুষ্ঠানত জলসম্পদ বিভাগৰ ৬৫ গৰাকী নৱনিযুক্ত সহকাৰী অভিযন্তা (চিভিল) ৰ নিয়োগপত্র বিতৰণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্রদান কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে ৰাজ্যখনৰ বান আৰু গৰাখহনীয়াৰ স্থায়ী সমাধানৰ জৰিয়তে জনসাধাৰণক নিৰাপত্তা প্রদান কৰিব লাগিলে প্রতিখন নৈ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিব লাগিব। বান আৰু গৰাখহনীয়াৰ ফলত ৰাজ্যখনত ১.২৫ লাখ কৃষকে নিজৰ মাটিকে ধৰি সা-সম্পত্তি হেৰুৱাবলগীয়া হৈছে। ৰাজ্যৰ মথাউৰিসমূহ দুর্বল হৈ পৰিছে। ইয়াক শক্তিশালীভাৱে গঢ় দিব নোৱাৰিলে বান আৰু গৰাখহনীয়াৰ সমস্যা সমাধান কৰাটো সম্ভৱ নহয়। মুখ্যমন্ত্রীয়ে কয় যে নৱনিযুক্ত সহকাৰী অভিযন্তাসকলে বান আৰু গৰাখহনীয়াই সৃষ্টি কৰা প্রত্যাহ্বান গ্রহণ কৰি উদ্ভাৱনীমূলক চিন্তা-চর্চ্চাৰে কর্মত নিয়োজিত হ'ব লাগিব। পূর্বৰ চৰকাৰৰ দিনত জলসম্পদ বিভাগৰ দুর্নাম আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে বাৰিষাৰ সময়ছোৱাত মথাউৰি নির্মাণ কৰাৰ ফলত বহু চৰকাৰী ধনৰ অপচয় হৈছিল। এই বিভাগটোৰ প্রতিচ্ছবি সলনি কৰাৰ বাবে বর্তমানৰ ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা প্রয়াস চলাই আহিছে। মথাউৰিসমূহ যাতে বিজ্ঞানসন্মতভাৱে মেৰামতি কৰা হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অক্টোবৰ মাহৰ পৰা কাম আৰম্ভ কৰা হৈছে বুলি মুখ্যমন্ত্রীয়ে কয়। তেওঁ কয় যে প্রতিখন নৈৰে চৰিত্র সুকীয়া। ভূটানৰ পৰা অহা ১২ খন নৈয়ে নামনি অসমত প্রতিবছৰে প্রলয়ংকৰী বানৰ সৃষ্টি কৰি আহিছে। এই বিষয়সমূহ সঠিকভাৱে অধ্যয়ন কৰি নৱনিযুক্ত অভিযন্তাসকলে নিজৰ দক্ষতাৰ পৰিচয় দাঙি ধৰিব লাগিব বুলিও মুখ্যমন্ত্রীয়ে কয়।

সৎ আৰু নিষ্ঠাৰে কাম কৰি নিজকে প্ৰতিষ্ঠা কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিভাগটো অধিক গতিশীল আৰু কাৰ্যক্ষম কৰিব পাৰিলে জনসাধাৰণক নিৰাপত্তা দিয়াটো সম্ভৱ হৈ উঠিব। মুখ্যমন্ত্ৰীয়ে কয় যে চলিত বৰ্ষত বাৰিষাৰ সময়ছোৱাতে কেইবাটাও ভগা মথাউৰি মেৰামতিৰ কাম হাতত লোৱা হৈছে। গাই নদীৰ দৰে বিশাল প্ৰত্যাহ্বান থকা নদীয়ে ভঙা মথাউৰি এসপ্তাহৰ ভিতৰতে মেৰামতি কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে গ্ৰাম্য অৰ্থনীতি নিৰাপত্তা দিয়াৰ বাবে মথাউৰিসমূহ শক্তিশালীভাৱে নিৰ্মাণ কৰিব লাগিব। সেইদিনা প্ৰধানমন্ত্ৰীৰে হোৱা ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত ৰাজ্যৰ ৫ হাজাৰ কিঃমিঃ দৈর্ঘ্যৰ মথাউৰিক পথ তথা মথাউৰি হিচাপে উন্নীতকৰণৰ বাবে অনুৰোধ জনোৱা হৈছে। গ্ৰাম্য অৰ্থনীতিক নিৰাপত্তা প্ৰদান কৰিব লাগিলে মথাউৰিসমূহ শক্তিশালীভাৱে নিৰ্মাণ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যৰ বান আৰু গৰাখহনীয়া সমস্যাটো ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে গ্ৰহণ কৰি সেই অনুসাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। জলসম্পদ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আব্বাছীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৰ মহন্তয়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিভাগৰ মুখ্য অভিযন্তাকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❐❐

মীন বিভাগৰ বিশেষ আঁচনি

লক-ডাউনৰ সময়ত ক্ষতিগ্ৰস্ত হোৱা মীনপালকসকলক সকাহ দিয়াৰ মহৎ উদ্দেশ্য আগত ৰাখি মীন বিভাগে এক বিশেষ আঁচনি ৰূপায়ণ কৰিছে। 'মুখ্যমন্ত্ৰীৰ Wetland Conservation Aquaculture Development' শীৰ্ষক আঁচনিৰ জৰিয়তে ৫ কোটি মাছৰ পোনা উৎপাদনৰ লক্ষ্য লোৱা হৈছে। লক-ডাউনৰ সময়ছোৱাত ক্ষতিগ্ৰস্ত হোৱা মীনপালকসকলক ৰাজ্যৰ মীন বিভাগে মাছৰ পোনা যোগান ধৰিব। উক্ত আঁচনিৰ অধীনত বিজ্ঞানসন্মতভাৱে মাছৰ পোনা উৎপাদন, প্ৰজনন আদিত গুৰুত্ব প্ৰদান কৰা হ'ব। উক্ত আঁচনিৰ যোগেদি ৰাজ্যৰ মীনপালকসকল যথেষ্ট উপকৃত হ'ব পাৰিব। ❐❐

‘আছাম ছ’চাইটী ফৰ কম্প্রিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেম’ পৰিচালনা সমিতিৰ বৈঠক

সু-প্ৰশাসন, উৎকৃষ্ট বিত্তীয় ব্যৱস্থাপনাৰ দিশত নিৰ্ভৰযোগ্য-স্বচ্ছ ব্যৱস্থা গঢ়ি তোলাৰ বাবে বিত্ত বিভাগক প্ৰশংসা মুখ্যমন্ত্ৰীৰ

যোৱা ১৩ আগষ্টত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত আছাম ছ’চাইটী ফৰ কম্প্রিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেম পৰিচালনা সমিতিৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপৰি মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিবসকল তথা ৰাজ্য চৰকাৰৰ গুৰুত্বপূৰ্ণ বিভাগসমূহৰ প্ৰধান সচিবকে ধৰি আয়ুক্ত সচিবসকলে অংশগ্ৰহণ কৰে। উক্ত বৈঠকত আছাম ছ’চাইটী ফৰ কম্প্রিহেনচিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেমৰ দ্বাৰা বৰ্তমানলৈকে ৰূপায়িত কাম-কাজসমূহৰ বিষয়ে আলোচনা কৰাৰ উপৰি ভৱিষ্যতে ছ’চাইটীৰ দ্বাৰা ল’বলগীয়া পদক্ষেপসমূহৰো পৰ্যালোচনা কৰা হয়। বৈঠকত আছাম ছ’চাইটী ফৰ কম্প্রিহেনচিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেমৰ সংশোধিত উপ-বিধি, আছাম ছ’চাইটী ফৰ কম্প্রিহেনচিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেমৰ অডিটকৃত বাৰ্ষিক হিচাপ-নিকাচ, পূৰ্বৰ কাৰ্যকৰী সমিতিৰ বৈঠকৰ সিদ্ধান্তসমূহৰ ৰূপায়ণৰ অগ্ৰগতি, এ এছ পি আই আৰ- ইৰ পুনৰ গঠনৰ দিশসমূহো আলোচনা কৰা হয়। বৈঠকত এ এছ পি আই আৰ- ইৰ ৰাজহুৱা বিত্ত প্ৰতিষ্ঠানিক সক্ষমতা শক্তিশালীকৰণ, ব্যয় আৰু ৰাজহ তথ্য ব্যৱস্থাৰ শক্তিশালীকৰণ, নগদ আৰু ঋণ পৰিচালনা গোট, ৰাজহুৱা ক্ৰয় ইত্যাদিৰ বিষয়সমূহো খৰচি মাৰি আলোচনা কৰা হয়। বৈঠকত লগতে এই ছ’চাইটীৰ উদ্যোগত ল’বলগীয়া ভৱিষ্যতৰ পদক্ষেপসমূহৰ বিষয়েও বিস্তৃতভাৱে আলোচনা কৰা হয়। বৈঠকৰ আৰম্ভণিতে এই ছ’চাইটীৰ দ্বাৰা ৰূপায়িত বিভিন্ন বিভাগৰ অনলাইন ব্যৱস্থাৱলী তথা অন্যান্য বিভিন্ন দিশ সামৰি এক প্ৰেজেণ্টেচনো আগবঢ়োৱা হয়। বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ বিত্ত বিভাগে ৰাজহ ব্যৱস্থাপনাকে ধৰি বিভিন্ন ব্যয় ইত্যাদিৰ স্বচ্ছতা প্ৰদানৰ বাবে এক নিৰ্ভৰযোগ্য আৰু স্বচ্ছ ব্যৱস্থা গঢ়ি তুলিছে। এই পদক্ষেপে সু-প্ৰশাসন আৰু বিত্তীয় ব্যৱস্থাপনাৰ উৎকৃষ্ট ব্যৱস্থাৱলী ৰাজ্যখনত উপলব্ধ কৰোৱাৰ দিশত বাৰুকৈয়ে সহায় কৰিছে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে বিত্ত বিভাগক ধন্যবাদ জ্ঞাপন কৰাৰ উপৰি যিকেইটা বিভাগে এই অনলাইনৰ ব্যৱস্থাৱলী ৰূপায়ণৰ বাবে পদক্ষেপ লৈ আছে সেইখিনি অতি সোনকালে সম্পূৰ্ণ কৰাৰ পদক্ষেপ ল’বলৈও সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে ট্ৰেন্সপাৰেন্সী ইণ্টাৰনেচনেলৰ দ্বাৰা বেষ্ট প্ৰেক্টিছ ইন বাজেট ফৰ্মুলেচন ইন ইণ্ডিয়াৰ দিশত অসমক শীৰ্ষস্থান প্ৰদান কৰাৰ বাবে বিত্ত বিভাগক ধন্যবাদ জনায়। তেওঁ লগতে কয় যে এই কৃতকাৰ্যতাৰ ধাৰা আমি অক্ষুণ্ণ ৰাখিব লাগিব। তদুপৰি, আছাম ছ’চাইটী ফৰ কম্প্রিহেনছিভ ফাইনেন্সিয়েল মেনেজমেণ্ট ছিষ্টেমৰ বাবে বিশ্বজুৰি সমাদৃত কোৰিয়াৰ কে পি এফ আই এছ আৰু বিশ্ব বেংকৰ পৰা আই এফ এম আই এছ কাৰিকৰী সাহায্য লাভৰ বাবে অসমক ভাৰতৰ ভিতৰত একমাত্ৰ ৰাজ্য হিচাপে বাছনি কৰাৰ দিশটোৰ বাবেও মুখ্যমন্ত্ৰীয়ে সকলোকে আন্তৰিক অভিনন্দন জনায়। ❐❐

মুখ্যমন্ত্রীৰ অধ্যক্ষতাত ৰাজ্যিক মন্ত্রী পৰিষদৰ বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত

বেচৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানে নিজাববীয়াকৈ ধাৰ্য কৰিব নোৱাৰিব মাচুল

মুখ্যমন্ত্রী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত যোৱা ১০ আগষ্টত খানাপাৰত থকা অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্যিক মন্ত্রী পৰিষদৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকতে আছাম নন গৱৰ্নমেণ্ট এডুকেচন ইনষ্টিটিউট (ৰেগুলেচন অব ফিজ) ৰুলছ,২০২০ অনুমোদন জনোৱা হয়। সেই মৰ্মে, এতিয়াৰে পৰা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানসমূহে নিজাববীয়াকৈ মাচুল বৃদ্ধি বা নিৰ্ধাৰণ কৰিব নোৱাৰিব। ৰাজ্য চৰকাৰে গঠন কৰি দিয়া এখন কমিটীয়ে নিৰূপণ কৰি দিয়া নিৰিখ অনুসৰণ কৰিহে শিক্ষানুষ্ঠানসমূহে মাচুল ল'ব পাৰিব। শিক্ষামন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই সংবাদ মাধ্যমৰ আগত এই ৰুলছত মন্ত্রীপৰিষদে অনুমোদন জনোৱাৰ কথা সদৰী কৰি কয় যে প্রধানত ইয়াৰ বাবে দুখন কমিটী থাকিব। এখনে মাচুল নির্ধাৰণ কৰিব আৰু আনখনত আপীল কৰিব পাৰিব। প্রতিখন শিক্ষানুষ্ঠানেই নিজৰ আন্তঃগাঁথনি আদিৰ বিষয়ে তথ্য জমা দি কমিটীখনৰ পৰা মাচুল অনুমোদন কৰাব পাৰিব। যদি তেওঁলোক সন্তুষ্ট নহয় তেন্তে এজন অৱসৰপ্রাপ্ত ন্যায়াধীশৰ অধীনত আন এখন কমিটী থাকিব। তাত তেওঁলোকে আপীল কৰিব পাৰিব। বৈঠকৰ অন্তত পৰিবহণ মন্ত্রী চন্দ্রমোহন পাটোৱাৰীয়ে সদৰী কৰা অনুসৰি ৰাজ্যৰ ১৬১গৰাকী পাৰিতোষিকপ্রাপ্ত গ্রন্থাগাৰিকৰ পাৰিতোষিক বর্তমানৰ ৯০০ টকাৰ পৰা ১২,০০০ টকালৈ আৰু ১৫৩ গৰাকী সহায়কৰ পাৰিতোষিক বর্তমানৰ ৫৫০ টকাৰ পৰা ৯০০০ টকালৈ বৃদ্ধিত অনুমোদন জনোৱা হয়। সেইদৰে, এচ ডি আৰ এফৰ আৰু দুটা বেটেলিয়ন গঠনৰো সিদ্ধান্ত গ্রহণ কৰে মন্ত্রী পৰিষদৰ বৈঠকে। 'ইপ্লিমেণ্টেচন অব উৰেৰাইজেচন স্কীম অব এ এছ টি ছি'ত অনুমোদন জনোৱাৰ কথা সদৰী কৰি মন্ত্রীগৰাকীয়ে কয় যে ইয়াৰ অধীনত চৰকাৰী অনুদানসহ ব্যক্তিগত উদ্যোগীৰ জৰিয়তে নতুনকৈ ৬৬৮-খন বাছ সেৱা আৰম্ভ কৰা হ'ব। ৫ বছৰলৈ এই বাছসমূহ অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনত চলাচল কৰিব। আনহাতে, বজালী মহকুমাক পূর্ণাংগ জিলালৈ উন্নীতকৰণতো মন্ত্রী পৰিষদৰ বৈঠকে অনুমোদন জনাইছে। সেইদৰে আছাম ষ্ট্রীট ভেণ্ডর্ছ (প্রটেকচন অৱ লাইভলীহুড এণ্ড ৰেগুলেচন অব ষ্ট্রীট ভেণ্ডিং) স্কীম, ২০২০ টো অনুমোদন জনায় মন্ত্রী পৰিষদে। ষ্ট্রীট ভেণ্ডৰ এক্টৰ অধীনত ব্যৱসায়ৰ স্থান নির্ধাৰণ কৰা হ'ব আৰু ইয়াৰ বাবেই জৰীপ কৰাৰ ব্যৱস্থা কৰিব চৰকাৰে। মন্ত্রীগৰাকীয়ে জানিবলৈ দিয়া মতে ক'ভিডৰ পৰিপ্রেক্ষিতত আছাম ভেট এক্টৰ অধীনত ভেট ৰিটার্ন, ফ্রম এছেছমেণ্ট আদি সময়সীমা বৃদ্ধিতো মন্ত্রী পৰিষদৰ বৈঠকে অনুমোদন জনায়। তদুপৰি এই বৈঠকতে ষ্টেট কেটেল এণ্ড বাফেল' ব্রিডিং পলিচী, ২০২০ তো অনুমোদন জনোৱা হয়। ❐❐

উত্তৰ-পূব ভাৰতৰ শ্ৰেষ্ঠ স্বচ্ছ চহৰৰ স্বীকৃতি যোৰহাটলৈ, দ্বিতীয়ত তেজপুৰ

পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ দিশত সৰ্বাধিক ক্ষিপ্রতাৰে আগবঢ়া ৰাজ্য হিচাপে পৰিগণিত হৈছে অসম। যোৱা ২০ আগষ্টত ঘোষণা কৰা ২০২০ বৰ্ষৰ স্বচ্ছ সৰ্বেক্ষণত ১ লাখতকৈ কম জনসংখ্যাৰ চহৰ থকা ৰাজ্যৰ শিতানত ৰাজ্যসমূহৰ ভিতৰত অসমে স্বচ্ছতাৰ দিশত সকলোতকৈ ক্ষিপ্রতাৰে আগবঢ়া ৰাজ্য হিচাপে প্রথম স্থান দখল কৰে। এইবাৰৰ সৰ্বেক্ষণত অসমৰ কেইবাখনো চহৰে স্বচ্ছতাৰ বিভিন্ন শিতানত নিজৰ শ্রেষ্ঠত্ব প্রদর্শন কৰিবলৈ সক্ষম হৈছে। ৫০,০০০-১,০০,০০০ জনসংখ্যা থকা চহৰৰ শিতানত উত্তৰ-পূব মণ্ডলৰ ভিতৰত যোৰহাট চহৰ সকলোতকৈ পৰিষ্কাৰ চহৰ হিচাপে পৰিগণিত হৈছে। দ্বিতীয় স্থানত আছে তেজপুৰ। ডিফু সকলোতকৈ ক্ষিপ্রতাৰে আগবঢ়া চহৰ তথা তেজপুৰো জনতাৰ মতামতৰ ভিত্তিত সকলোতকৈ শ্রেষ্ঠ চহৰ হিচাপে চিহ্নিত হৈছে। একেটা শিতানতে উদ্ভাৱনীমূলক পদ্ধতি তথা শ্রেষ্ঠ কাম-কাজৰ বাবে শিৱসাগৰ চহৰে প্রথম স্থান লাভ কৰিছে আৰু কৰিমগঞ্জ শ্রেষ্ঠ স্ব-নির্ভৰশীল চহৰ হিচাপে পৰিগণিত হৈছে। আনহাতে, ২৫,০০০ ৰ পৰা ৫০,০০০ জনসংখ্যা থকা চহৰসমূহৰ শিতানত অসমৰ চিলাপথাৰ সকলোতকৈ ক্ষিপ্রতাৰে আগবঢ়া চহৰ হিচাপে তথা উদ্ভাৱনীমূলক পদ্ধতি আৰু শ্রেষ্ঠ কাম-কাজৰ বাবে হাইলাকান্দি চহৰে শীর্ষস্থান দখল কৰে। তেনেদৰে ২৫,০০০ তকৈ কম জনসংখ্যা থকা চহৰৰ শিতানত অসমৰ লখিমপুৰ সকলোতকৈ ক্ষিপ্রতাৰে চহৰ হিচাপে চিহ্নিত হৈছে। যোৱা ২০ আগষ্টত কেন্দ্রীয় আৱাসিক আৰু নগৰ উন্নয়নৰ স্বতন্ত্র ৰাজ্যিক মন্ত্রী হৰদ্বীপ সিং পুৰীয়ে চলিত বৰ্ষৰ স্বচ্ছ সৰ্বেক্ষণৰ ফলাফলসমূহ ঘোষণা কৰাৰ লগতে ভিডিঅ' কনফাৰেন্সৰ দ্বাৰা আয়োজিত অনুষ্ঠানৰ মাধ্যমেৰে ইয়াৰ পুৰস্কাৰসমূহ বিতৰণ কৰে। ❐❐

স্বচ্ছ মহোৎসৰ উপলক্ষে দিছপুৰৰ জনতা ভৱনত যোৱা ২১ আগষ্টত আয়োজিত এক সংবাদমেলত ৰাজ্য চৰকাৰৰ নগৰ উন্নয়ন বিভাগৰ মন্ত্রী পীয়ূষ হাজৰিকা

বিভিন্ন জিলাত স্বাধীনতা দিৱসৰ কার্যসূচীৰ কিছু দৃশ্য

শিৱসাগৰত স্বাধীনতা দিৱসৰ অনুষ্ঠানত পৰিবহণ মন্ত্রী চন্দ্রমোহন পাটোৱাৰী

কৰিমগঞ্জত অনুষ্ঠিত স্বাধীনতা দিৱসৰ অনুষ্ঠানত ৰাষ্ট্রীয় পতাকা উত্তোলন কৰিছে বনমন্ত্রী পৰিমল শুক্লবৈদ্যই

গোলাঘাটত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কার্যসূচীত কৃষিমন্ত্রী অতুল বৰা

বঙাইগাঁৱত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কার্যসূচীত ভাষণ প্রদানৰ মুহূৰ্তত ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ মন্ত্রী চন্দন ব্রহ্ম

বৰপেটাত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কার্যসূচীত অভিবাদন গ্ৰহণৰ মুহূৰ্তত গুৱাহাটী উন্নয়ন মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচার্য



যোৰহাটত স্বাধীনতা দিৱসৰ কা

তেজপুৰত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কার্যসূচীত অংশগ্ৰহণ কৰিছে হস্ততাঁত আৰু বস্ত্ৰশিল্প মন্ত্ৰী ৰঞ্জিত দত্তই

কোকৰাঝাৰত স্বাধীনতা দিৱসৰ কার্য
মন্ত্ৰী প্ৰমী

ৰ্যসূচীত অংশগ্ৰহণৰ মুহূৰ্তত জলসম্পদ মন্ত্ৰী কেশৰ মহন্ত

গোৱালপাৰাত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ভাষণ প্ৰদানৰ মুহূৰ্তত যোগান মন্ত্ৰী ফণীভূষণ চৌধুৰী

সূচীত ভাষণৰত অৱস্থাত সমাজ কল্যাণ লাৰাণী ব্ৰহ্ম

ওদালগুৰিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ভাষণ প্ৰদান কৰিছে জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী ৰিহণ দৈমাৰীয়ে

নগাঁৰত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণৰ মুহূৰ্তত ৰাজ্যিক স্বাস্থ্যমন্ত্রী পীযূষ হাজৰিকা

মঙলদৈত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্রী নৰ কুমাৰ দলেই

ৰাঙ্গাত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অভিবাদন গ্ৰহণৰ মুহূৰ্তত জলসিঞ্চন মন্ত্রী ভৰেশ কলিতা

ডিব্ৰুগড়ত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ৰাজহ মন্ত্রী যোগেন মহন

ধেমাজিত অনুষ্ঠিত স্বাধীনতা দিৱসৰ অনুষ্ঠানত ভাষণ প্ৰদানৰ মুহূৰ্তত শ্ৰমমন্ত্রী সঞ্জয় কিষাণ

বক্সাৰ লাভলীনা ববগোহাঁই অর্জুন বঁটাৰ বাবে নির্বাচিত হৈছে। মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে লাভলীনাক এই সন্মান লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে

হাউলী নগৰৰ গৌৰৱময় ইতিহাস পুনৰুদ্ধাৰৰ ওপৰত মিডিয়া উপদেষ্টা গোস্বামীৰ গুৰুত্ব আৰোপ

- হাউলী নগৰৰ মাজমজিয়াত থকা পুখুৰীৰ সৌন্দর্যবর্ধন প্রকল্পৰ আধাৰশিলা স্থাপন
- হাউলী বিদ্যুৎ উপ-কেন্দ্রৰ উন্নীতকৰণ আঁচনিৰ উদ্বোধন

মুখ্যমন্ত্রীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে যোৱা ২১ আগষ্টত নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী পীযূষ

হাজৰিকাৰ উপস্থিতিত হাউলী বিদ্যুৎ উপকেন্দ্র উন্নীতকৰণ আঁচনিৰ শুভ উদ্বোধন কৰাৰ লগতে হাউলী নগৰৰ মাজমজিয়াত থকা পুখুৰীটোৰ সৌন্দর্যবর্ধন প্রকল্পৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে হাউলী নগৰৰ মাজমজিয়াত থকা এই পুখুৰীটোৰ উন্নয়ন তথা সৌন্দর্যবর্ধনৰ বাবে ১ কোটি টকাৰ এই আঁচনিখন হাতত লোৱা হৈছে। তদুপৰি কাম সম্পন্ন কৰা হাউলী বিদ্যুৎ উপকেন্দ্রৰ উন্নীতকৰণে বৃহত্তৰ হাউলী অঞ্চলৰ বিদ্যুৎ সৰবৰাহ ব্যৱস্থাৰ শক্তিশালীকৰণৰ দিশত বৃহৎ ভূমিকা পালন কৰিব।এই উপলক্ষে অনুষ্ঠুপীয়াকৈ আয়োজিত অনুষ্ঠানত ভাষণ প্রদান কৰি মুখ্যমন্ত্রীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কয় যে প্রতিগৰাকী ব্যক্তিৰে সামাজিক দায়বদ্ধতা থকা উচিত আৰু সেই অনুসাৰে প্রতিগৰাকী ব্যক্তিয়ে সমাজলৈ অর্থৰহ অৰিহণা আগবঢ়োৱাৰ প্রচেষ্টা চলাব

গোস্বামীয়ে লোৱা অগ্রণী ভূমিকাৰো শলাগ লয়। মন্ত্রীগৰাকীয়ে বর্তমানৰ ৰাজ্য চৰকাৰখনে সমাজৰ সকলো শ্রেণীৰ উন্নয়নৰ বাবে হাতত লোৱা বিভিন্ন আঁচনিৰ বিশদ ব্যাখ্যা আগবঢ়োৱাৰ উপৰি চৰকাৰে অলপতে ঘোষণা কৰা 'অৰুণোদয়' আঁচনিখনৰ জৰিয়তে অভাৱগ্রস্ত পৰিয়ালসমূহে বছৰি ১০ হাজাৰ টকাকৈ লাভ কৰিবলৈ সক্ষম হ'ব বুলিও কয়। চৰকাৰে এই আঁচনিৰ ধন ভৱিষ্যতে আৰু বৃদ্ধি কৰাৰ পদক্ষেপ ল'ব বুলিও মন্ত্রীগৰাকীয়ে কয়। অনুষ্ঠানত স্থানীয় বিধায়ক গুণীন্দ্র নাথ দাসে বক্তব্য আগবঢ়াই বর্তমানৰ চৰকাৰে হাতত লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিয়ে সমাজৰ প্রতিটো অংশকে চুই গৈছে বুলিও মন্তব্য কৰে। সভাৰ আৰম্ভণিতে আদৰণী ভাষণ প্রদান কৰি জিলা উপায়ুক্ত মুণীন্দ্র শর্মাই হাউলী পৌৰসভাৰ পৰিসৰ বৃদ্ধিৰে এতিয়াৰ ৪ টা ৱার্ডৰ পৰা ১০ টা ৱার্ডলৈ বৃদ্ধি কৰা হৈছে বুলি কয়। অনুষ্ঠানত অসম শক্তি উৎপাদন প্রতিষ্ঠানৰ অন্যতম সঞ্চালক শংকৰ দাস, অসম বিত্ত নিগমৰ উপাধ্যক্ষ অনিল দাস, নগৰ উন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা, হাউলী পৌৰসভাৰ কার্যবাহী বিষয়া তথা অতিৰিক্ত উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❐❐

লাগে। হাউলী নগৰৰ এক গৌৰৱময় ইতিহাস আছে বুলি উল্লেখ কৰি এই গৌৰৱ তথা ঐতিহ্য পুনৰুদ্ধাৰৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ভাষণ প্রদান কৰি নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী পীয়ূষ হাজৰিকাই কয় যে হাউলী চহৰৰ মাজমজিয়াত থকা পুখুৰীটোৰ সৌন্দর্যবর্ধনৰ বাবে সেইদিনা আধাৰশিলা স্থাপন কৰা প্রকল্পৰ উপৰি এই পুখুৰীটোৰ পাৰত অৱসৰ বিনোদন তথা খোজকঢ়া পথ নির্মাণৰ বাবে অতিৰিক্তভাৱে ১ কোটি টকা প্রদান কৰা হ'ব। মন্ত্রীগৰাকীয়ে এই দুয়োখন আঁচনি কার্যকৰীকৰণৰ ক্ষেত্রত মুখ্যমন্ত্রীৰ মিডিয়া উপদেষ্টা হৃষীকেশ

অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীৰ সৈতে মুখ্যমন্ত্রীৰ বৈঠক

উৎপাদন বৃদ্ধিৰ জৰিয়তে উপার্জন বৃদ্ধি কৰিব লাগিব

মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে যোৱা ২০ আগষ্টত ডিব্রুগড় জিলাৰ উপায়ুক্ত কার্যালয়ৰ সভাকক্ষত 'আত্মনির্ভৰ ভাৰত' অভিযানৰ অধীনত ঋণ লাভ কৰা ডিব্রুগড় আৰু তিনিচুকীয়া জিলাৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগী হিতাধিকাৰীসকলৰ সৈতে এক বৈঠকত মিলিত হয়। মুখ্যমন্ত্রীয়ে আত্মনির্ভৰ ভাৰত অভিযানৰ হিতাধিকাৰীসকলৰ সৈতে এই উদ্যোগসমূহ পুনৰুজ্জীৱিতকৰণ আৰু আত্মনির্ভৰ অসম নির্মাণৰ ক্ষেত্রত তেওঁলোকে আগবঢ়াব পৰা বিভিন্ন বিষয় সম্পর্কত আলোচনা কৰে। বৈঠকত মুখ্যমন্ত্রীয়ে কয় যে লক্‌ডাউনৰ ফলত প্রভাৱিত হোৱা অর্থনীতি পুনৰুদ্ধাৰৰ বাবে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ২০ লাখ কোটি টকা ব্যয়ৰে আত্মনির্ভৰ ভাৰত অভিযান আৰম্ভ কৰিছে। প্রধানমন্ত্রীৰ আহ্বানৰ প্রতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও ইতিমধ্যে আত্মনির্ভৰ অসম গঢ়ি তোলাৰ নিমিত্তে কর্মত নিয়োজিত হৈছে। কেন্দ্রীয় চৰকাৰৰ এই ঘোষণাৰ পিছত ৰাজ্যিক পর্যায়ৰ বেংকাৰ সকলৰ সৈতে এসপ্তাহৰ ভিতৰত বৈঠক অনুষ্ঠিত কৰি ৰোড মেপ প্রস্তুত কৰা হৈছিল। ৰাজ্যখনৰ ৬৮ হাজাৰ অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে যাতে লাভান্বিত হ'ব পাৰে সেই উদ্দেশ্যে চৰকাৰে দৃঢ়তাৰে উদ্যোগ গ্রহণ কৰিছে। তেওঁ কয় যে অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সবলীকৰণৰ বাবে আত্মনির্ভৰ ভাৰত অভিযানৰ অধীনত ৩ লাখ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে। উৎপাদন বৃদ্ধি কৰি উপার্জন বৃদ্ধি কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে লক্‌ডাউনৰ সময়ত আমাৰ ৰাজ্যখনে বিভিন্ন ক্ষেত্রত উল্লেখনীয় সফলতা দেখুৱাবলৈ সক্ষম হৈছে। এই সময়ছোৱাত অসমৰ কৃষকে শাক-পাচলি বিক্রী কৰি ৮৫২ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। বিহাৰ, পশ্চিমবংগ, ডুবাই, থিংফু আৰু আন প্রদেশ তথা ৰাষ্ট্রলৈ ৰাজ্যৰ শাক-পাচলি লক্‌ডাউনৰ সময়ত ৰপ্তানি কৰা হৈছে। মুখ্যমন্ত্রীয়ে কয় যে ৰাজ্যৰ ব্যৱসায়ীসকলে মাছ, মাংস, কণী বিক্রী কৰি ১৫০ কোটি টকাৰ ব্যৱসায় কৰিছে। ৰাজ্যৰ মাছৰ চাহিদা থলুৱা মাছেৰে পূৰণ হৈছে। তদুপৰি, চুবুৰীয়া ৰাজ্যলৈ অসমৰ মাছ ৰপ্তানি হৈছে। তেওঁ লগতে কয় যে ৰাজ্যৰ ১১০০০ মহিলা আত্মসহায়ক গোটে



প্রায় ৫২ লাখ মাস্ক প্রস্তুত কৰি ১১ কোটিৰো অধিক টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে। লক্‌ডাউনৰ সময়ত আমি যি কাম কৰিলো তাৰ জৰিয়তে আমাৰ এক সুকীয়া পৰিচয় গঢ় লৈ উঠিছে। সেই মানসিকতা পৰৱৰ্তী দিনসমূহতো অব্যাহত ৰাখিব লাগিব। এখন সৰ্বশ্ৰেষ্ঠ ৰাষ্ট্ৰ গঠনৰ বাবে সকলোৱে মিলিত প্ৰচেষ্টাৰে কাম কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলৰ লগত চৰকাৰ আছে আৰু ভৰিষ্যতেও এই উদ্যোগীসকলৰ উত্তৰণৰ বাবে কাম কৰি যাব।

মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে দেশৰ অৰ্থনৈতিক অৱস্থা ত্বৰান্বিত কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে ২০ লাখ কোটি টকাৰ আৰ্থিক পেকেজ ঘোষণা কৰিছে। তেওঁ কয় যে ৰাজ্যৰ কৃষিখণ্ডৰ আন্তঃগাঁথনি শক্তিশালী কৰিব লাগিব। পৰম্পৰাগত পদ্ধতিৰ সলনি অধিক উৎপাদনৰ লক্ষ্যৰে আধুনিক পদ্ধতি অৱলম্বন কৰিব লাগিব। উল্লেখ্য যে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনত ডিব্ৰুগড় জিলাৰ ২৪০৩ টা অতিক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগী গোটৰ মাজত ইতিমধ্যে ৯৯ কোটি ৯৮ হাজাৰ টকাৰ ঋণ প্ৰদান কৰা হৈছে। এই বৈঠকত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক আৰু দুয়োখন জিলাৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়ৱবীয়াসকল উপস্থিত থাকে। ❐❐

ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে আগবঢ়োৱা বঁটা প্ৰদান

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২০ আগষ্টত ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদে আগবঢ়োৱা 'কৰ্ম সৈনিক-২০২০' বঁটা ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝাক প্ৰদান কৰে। উল্লেখ্য যে বিগত সময়ছোৱাত ক'ভিড পৰিস্থিতিকে ধৰি অতি জটিল পৰিস্থিতিৰ মাজতো প্ৰশাসনিক দিশৰ পৰা ডিব্ৰুগড় জিলাখনক সবল নেতৃত্বৰে আগবঢ়াই নিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰা উপায়ুক্ত ঝাক তেওঁৰ নিঃস্বাৰ্থ সেৱাৰ বাবে ডিব্ৰুগড় জিলা কৰ্মচাৰী পৰিষদৰ তৰফৰ পৰা এই বঁটা প্ৰদান কৰা হয়। ডিব্ৰুগড় জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে উপায়ুক্ত গৰাকীক এই বঁটা প্ৰদান কৰে। উল্লেখ্য যে এই বঁটাৰ সৈতে আছে এখন শৰাই, স্মাৰক, গামোচা আৰু অংগবস্ত্ৰ। এই অনুষ্ঠানতে ডিব্ৰুগড় জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শিকা দীপিকা চৌধুৰীক কৰ্ম সৈনিক-২০২০' বঁটা, ডি এইচ এছ কে কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক 'কৰ্মসূৰ্য-২০২০' বঁটা প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। ❐❐

মাজুলী কমলাবাৰী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ, যশস্বী পণ্ডিত নাৰায়ণ চন্দ্ৰ গোস্বামীৰ স্মৃতিচাৰণ অনুষ্ঠান

ড° নাৰায়ণ চন্দ্ৰ গোস্বামীৰ সাহিত্য, আধ্যাত্মিক আৰু সাংস্কৃতিক সৃষ্টিৰাজি সংৰক্ষণ কৰিব ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

মাজুলী কমলাবাৰী সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ, যশস্বী পণ্ডিত, জ্ঞান তপস্বী ড° নাৰায়ণ চন্দ্ৰ গোস্বামীৰ স্মৃতিচাৰণ উপলক্ষে যোৱা ২১ আগষ্টত মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত কমলাবাৰীস্থিত মাজুলী মহাবিদ্যালয়ৰ কেশৰৰাম বৰা প্ৰেক্ষাগৃহত আয়োজন কৰা 'একাজলি শ্ৰদ্ধাঞ্জলি' অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইগৰাকী বৰেণ্য মনীষীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ড° নাৰায়ণ চন্দ্ৰ গোস্বামীৰ সাহিত্য, আধ্যাত্মিক, সাংস্কৃতিক সৃষ্টিৰাজি ৰাজ্য চৰকাৰে সংৰক্ষণ কৰিব। এইগৰাকী বিশিষ্ট সাহিত্যিকৰ জীৱন দৰ্শন গভীৰভাৱে অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে। তেওঁ আমাৰ সাহিত্য আৰু আধ্যাত্মিক জীৱনধাৰালৈ যি উল্লেখযোগ্য অৱদান আগবঢ়াই গ'ল, সেই আদৰ্শক সকলোৱে নিজ নিজ কৰ্মক্ষেত্ৰত দৃঢ়তাৰে প্ৰতিফলিত কৰি নতুন প্ৰজন্মক উৎসাহ-উদ্দীপনা যোগাব লাগিব। প্ৰয়াত সত্ৰাধিকাৰ, যশস্বী পণ্ডিত, জ্ঞান তপস্বী ড° নাৰায়ণ চন্দ্ৰ গোস্বামী আছিল অসমৰ আধ্যাত্মিক, সামাজিক, বৌদ্ধিক জগতৰ বটবৃক্ষ স্বৰূপ। তেওঁ আধ্যাত্মিক জগতখনক প্ৰাণৱন্ত কৰাৰ লগতে সাংস্কৃতিক তথা বৌদ্ধিকভাৱে সবল কৰি জাতীয় জীৱনক মহীয়ান কৰি থৈ গৈছে। নৱ প্ৰজন্মই তেওঁৰ সৃষ্টিৰাজি আৰু আধ্যাত্মিক ভাৱনাক অন্তঃকৰণেৰে লৈ জীৱনৰ বাটত আগুৱাই যাবলৈ প্ৰেৰণা পাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এইগৰাকী সত্ৰাধিকাৰে দেখুৱাই থৈ যোৱা আধ্যাত্মিক, সাংস্কৃতিক, বৌদ্ধিক পথেৰে আমাৰ নৱপ্ৰজন্মই আগবাঢ়ি জাতিটোক অতি শক্তিশালী কৰাৰ দিশত আত্মনিয়োগ কৰিব লাগিব। তেতিয়াহে তেওঁৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত বিধায়ক বিমল বৰা, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথ, দুলীয়াজান-নুমলীগড় পাইপ লাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামী, উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনার্দন দেৱগোস্বামী, বেঙেনাআটী সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামী, ঔৰা সত্ৰৰ সত্ৰাধিকাৰ শৰৎ চন্দ্ৰ গোস্বামী, মাহৰা আধাৰ সত্ৰৰ সত্ৰাধিকাৰ মহেশ গোস্বামী, দলনি চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ গিৰিন্দ্ৰ মহন্ত, বেলেসিদ্ধিয়া সত্ৰৰ সত্ৰাধিকাৰ নন্দ দুলাল দেৱগোস্বামী,আদি বিহিমপুৰ সত্ৰৰ সত্ৰাধিকাৰ অতুল মহন্ত, মাজুলী কমলাবাৰী (নতুন কমলাবাৰী) সত্ৰৰ ডেকা সত্ৰাধিকাৰ সত্যজিৎ মহন্ত, আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, দক্ষিণপাট গৃহাশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনার্দন দেৱগোস্বামী, বেঙেনাআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ টুটু গোস্বামী, অন্যান্য ধৰ্মগুৰুসকল, সাহিত্য সভা, লেখিকা সমাৱোহ, পঞ্চায়তৰ প্ৰতিনিধি ইত্যাদিকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❐❐

বিশিষ্ট কণ্ঠশিল্পী অর্চনা মহন্তৰ বিয়োগ মুখ্যমন্ত্রীৰ শোকপ্ৰকাশ

প্ৰসিদ্ধ কণ্ঠশিল্পী অর্চনা মহন্ত আৰু নাই। দীৰ্ঘদিন ধৰি চিকিৎসাধীন হৈ থকাৰ পিছত যোৱা ২৭ আগষ্টত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। যোৱা ১৪ জুলাইত ব্ৰেইন ষ্ট্ৰ'কত আক্ৰান্ত হৈ তেওঁ গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। অনেক আধুনিক গীত আৰু লোকগীতেৰে অগণন শ্ৰোতাৰ মন জয় কৰা কণ্ঠশিল্পীগৰাকীয়ে অৱশেষত চিকিৎসাধীন অৱস্থাতে নিয়তিৰ ওচৰত হাৰ মানিবলৈ বাধ্য হ'ল। কেইবছৰমান পূৰ্বে ইহসংসাৰৰ পৰা বিদায় লোৱা তেওঁৰ স্বামী তথা বিশিষ্ট কণ্ঠশিল্পী খগেন মহন্তৰ সৈতে গোৱা কেইবাটাও দ্বৈত কণ্ঠৰ গীত যেনে 'পাহাৰৰ জুৰিটি পীৰিতি সাবটি', 'ন জোনটি ওলালে', 'জোনটি ওলালে তৰাটি ওলাব' আদিয়ে আজিও শ্ৰোতাৰ মনত ৰৈ ৰৈ বাজি আছে। তদুপৰি তেওঁৰ একক কণ্ঠত 'শালিকী অ' অবুজন চৰাইজনী', 'অ' সৰু সৰু', 'অ' ফুলপাহ হালিছ জালিছ' আদি গীতেও অগণন শ্ৰোতাক মুগ্ধ কৰি ৰাখিছে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ অংগৰাগ পাপন মহন্ত আৰু কন্যা কিংকিনী মহন্তকে ধৰি কেইবাগৰাকীও আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

প্ৰথিতযশা কণ্ঠশিল্পী অর্চনা মহন্তৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত অর্চনা মহন্তই আমাৰ সাংস্কৃতিক জগতলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ সংস্কৃতিৱান জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বহুতো কালজয়ী, হৃদয়স্পৰ্শী, অসমৰ মাটিৰ গোন্ধেৰে জীপাল গীতত কণ্ঠদান কৰি অর্চনা মহন্তই জনসাধাৰণৰ মাজত এক সুকীয়া শিল্পী সত্ত্বাৰ পৰিচয় দাঙি ধৰিছিল। তদুপৰি অসমৰ লোকসংগীতক এক অনন্য মাত্ৰা প্ৰদানৰ দিশতো প্ৰয়াত অর্চনা মহন্তই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি গৈছে। ৰাজ্যখনৰ সাংস্কৃতিক জগতৰ এক উজ্জ্বল নক্ষত্ৰ হিচাপে পৰিচিত এইগৰাকী বিশিষ্ট কণ্ঠশিল্পীৰ বিয়োগ ৰাজ্যখনৰ সাংস্কৃতিক তথা সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অর্চনা মহন্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও বিশিষ্ট শিল্পী, সুকণ্ঠী গায়িকা অর্চনা মহন্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এই গৰাকী সুকণ্ঠী গায়িকাৰ বিয়োগ ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে কয়। তেওঁ প্ৰয়াত অর্চনা মহন্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে, প্ৰয়াত অর্চনা মহন্তৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। ❐❐

আৰক্ষীৰ মানসিকতা সলনিৰ লগতে আৰক্ষীৰ প্ৰতিও ৰাইজৰ মনোভাৱৰ পৰিৱৰ্তন হৈছে ঃ মুখ্যমন্ত্ৰী

ধুবুৰী সদৰ আৰক্ষী থানা আৰু গোলকগঞ্জ আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন উদ্বোধন

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৭ আগষ্টত দায়িত্বশীল ভাবমূৰ্তিৰ বাবে থানাসমূহৰ সৰ্বাংগীণ উন্নয়ন অভিযান (মৈত্ৰী) আঁচনিৰ অধীনত ধুবুৰী জিলাৰ ধুবুৰী সদৰ আৰক্ষী থানা আৰু গোলকগঞ্জ আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন দুটি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। ১৯০৬ চনতে স্থাপিত ধুবুৰী আৰক্ষী থানা আৰু ১৯০৭ চনত স্থাপিত গোলকগঞ্জ আৰক্ষী থানাৰ ভৱন উন্মোচন উপলক্ষে থানা দুখনৰ চৌহদত অনুষ্ঠুপীয়াকৈ আয়োজিত উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'স্মাৰ্ট পুলিচ'ৰ ধাৰণাৰে অনুপ্ৰাণিত হৈ বৰ্তমানৰ ৰাজ্য চৰকাৰখনে আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ ব্যৱধান হ্ৰাস কৰি আৰক্ষী বাহিনীক জনতাৰ বন্ধু হিচাপে গঢ়ি তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস কৰি আহিছে। আৰক্ষীৰ মানসিকতাৰ সলনিৰ সমান্তৰালভাৱে আজি অসমত আৰক্ষীৰ প্ৰতি ৰাইজৰ মনোভাৱৰ পৰিৱৰ্তন হৈছে। ৰাইজে বিপদৰ সময়ত আৰক্ষীৰ কায চাপিবলৈ সংকোচ নকৰা হৈছে, সেয়েহে ৰাজ্যৰ থানাসমূহত ৰুজু হোৱা গোচৰৰ সংখ্যা পূৰ্বতকৈ যথেষ্ট বৃদ্ধি পাইছে। তেওঁ লগতে কয় যে সমগ্ৰ দেশৰ ভিতৰতে অসমেই প্ৰথমখন ৰাজ্য যি এখন সুকীয়া আঁচনিৰ জৰিয়তে আৰক্ষী থানাসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ফলত আজি অসম পুলিচে দেশৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ আৰু সক্ৰিয় আৰক্ষী বাহিনীৰূপে পৰিগণিত হ'বলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা প্ৰদানেৰে তেওঁলোকক সুৰক্ষিত অনুভৱ কৰোৱা আৰু তাৰ জৰিয়তে এক শক্তিশালী গণতান্ত্ৰিক বাতাবৰণ অটুট ৰখাৰ বাবে আৰক্ষী বাহিনীয়ে দিনে-নিশাই কাম কৰিব লাগিব। আৰক্ষীৰ পোছাকযোৰৰ পৱিত্ৰতা অটুট ৰাখিবৰ বাবে আৰক্ষীয়ে প্ৰতি মুহূৰ্তে সচেষ্ট থাকিব লাগিব। আৰক্ষীসকল এহাতে যেনেকৈ সৰ্বসাধাৰণৰ বন্ধু হিচাপে পৰিচিত হ'ব লাগিব, তেনেদৰে বেআইনী কাৰ্যকলাপ প্ৰতিৰোধৰ বাবেও সমানে কঠোৰতাৰ পৰিচয় দিব লাগিব। আইন-শৃংখলা ৰক্ষাৰ সমান্তৰালভাৱে ক'ভিড-১৯ সৃষ্ট সাম্প্ৰতিক পৰিস্থিতি আৰু বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত আৰক্ষী

সঞ্চালকপ্রধানৰ নেতৃত্বত অসম আৰক্ষীৰ ৭০ হাজাৰ বিষয়া-কর্মচাৰীয়ে যি কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছে তাক অসমৰ ৰাইজে সদায়ে মনত ৰাখিব বুলি মুখ্যমন্ত্রীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্রী সোণোৱালে কয় যে প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ 'সবকা সাথ, সৱকা বিকাশ আৰু সবকা বিশ্বাস' নীতিৰ দ্বাৰা পৰিচালিত হৈ বর্তমানৰ ৰাজ্য চৰকাৰৰ দিনত অসমৰ ৩৩খন জিলাই উন্নয়ন আৰু প্রগতিৰ দিশত চৰকাৰৰ পৰা সম-মর্যাদা লাভ কৰিছে। আজি ধুবুৰীৰ দৰে সীমামূৰীয়া জিলাখনৰো প্রতিটো অঞ্চলৰ ৰাইজে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ জন কল্যাণকামী আঁচনিসমূহৰ সুফল লাভ কৰিবলৈ সক্ষম হৈছে। বর্তমানৰ চৰকাৰে ধুবুৰী আৰু ফুলবাৰীৰ মাজত এছিয়াৰ ভিতৰতে দীর্ঘতম দলং নির্মাণৰ বাবেও পদক্ষেপ গ্রহণ কৰিছে যি জিলাখনৰ যাতায়াত তথা যোগাযোগ ব্যৱস্থালৈ এক যুগান্তকাৰী পৰিৱর্তন আনিবলৈ সক্ষম হ'ব। অসমক অবৈধ বিদেশীৰ আগ্রাসনৰ পৰা মুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে ভাৰত-বাংলাদেশ সীমান্ত ছীল কৰাৰ বাবে তথা সীমান্তৰ স্পর্শকাতৰ নদীপথসমূহো উপযুক্ত প্রযুক্তিৰ জৰিয়তে চোকা নিৰীক্ষণৰ ব্যৱস্থা কৰাৰ বাবে বিশেষ পদক্ষেপ গ্রহণ কৰিছে। সীমান্তৰে যাতে কোনো বিদেশী নাগৰিকে অবৈধভাৱে আমাৰ দেশত প্রৱেশ কৰিব নোৱাৰে তাৰ বাবে সীমান্তৱর্তী এলেকাৰ ৰাইজক জাগ্রত প্রহৰীৰ ভূমিকা গ্রহণ কৰিবলৈ মুখ্যমন্ত্রীয়ে আহ্বান জনায়।

দুয়োখন উদ্বোধনী সভাতে ভাষণ প্রদান কৰি ধুবুৰী জিলাৰ সামগ্রিক দায়িত্বত থকা ৰাজ্যৰ সমাজ কল্যাণ বিভাগৰ মন্ত্রী প্রমীলা ৰাণী ব্রহ্মই ৰাজ্যৰ আৰক্ষী বাহিনীক নতুন ৰূপ প্রদান কৰাৰ বাবে মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰে। সভাত অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্রধান হৰমিৎ সিঙেও ভাষণ প্রদান কৰে। ধুবুৰী আৰু গোলকগঞ্জ আৰক্ষী থানাৰ চৌহদত আয়োজিত এই দুয়োখন সভাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ধুবুৰী সমষ্টিৰ বিধায়ক নজৰুল হক, পূব বিলাসীপাৰা সমষ্টিৰ বিধায়ক অশোক কুমাৰ সিংহী, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল, অসম আৰক্ষী গৃহ নির্মাণ পৰিষদৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, ধুবুৰী জিলাৰ উপায়ুক্ত অনন্ত লাল গিয়ানী, আৰক্ষী অধীক্ষক আনন্দ মিশ্রকে ধৰি আৰক্ষী বিভাগৰ জ্যেষ্ঠ বিষয়ৱবীয়াসকল উপস্থিত থাকে। ❐❐

মৈত্রী আঁচনিৰ অধীনত নৱনির্মিত দুধনৈ থানা উদ্বোধন মুখ্যমন্ত্রীৰ

সম্প্রতি ৰাজ্যৰ দৃশ্যপট সলনি হৈছে

'আৰক্ষী জনসাধাৰণৰ বন্ধু। বিপদৰ বন্ধু হিচাপে ৰাইজে সন্মুখীন হোৱা প্রত্যাহ্বানৰ আৰক্ষী বিভাগে বলিষ্ঠতাৰে প্রত্যুত্তৰ দিব লাগিব। বিগত চাৰে চাৰি বছৰে অসম আৰক্ষীয়ে যি নিষ্ঠা আৰু একাগ্রতাৰে জনসাধাৰণৰ প্রতি সেৱা আগবঢ়াইছে তাৰ ফলত ৰাইজৰ মাজতো আৰক্ষীৰ প্রতি আস্থা আৰু বিশ্বাস বৃদ্ধি হৈছে।' অসম চৰকাৰৰ মৈত্রী আঁচনিৰ অধীনত গোৱালপাৰা জিলাৰ দুধনৈ থানাৰ নৱনির্মিত ভৱন উদ্বোধন কৰি এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানীয়া সভাত ভাষণ প্রদান কৰি মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে যোৱা ১৯ আগষ্টত এইদৰে কয়। মুখ্যমন্ত্রী সোণোৱালে কয় যে অসম চৰকাৰৰ মৈত্রী আঁচনিৰ লক্ষ্য হৈছে একবিংশ শতিকাৰ ন ন প্রত্যাহ্বানৰ প্রত্যুত্তৰ দিব পৰাকৈ আৰক্ষী বাহিনীক গঢ়ি তোলা। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে স্মার্ট আৰক্ষী গঢ়িবলৈ জনোৱা আহ্বানৰ প্রতি সহাঁৰি জনাই অসম চৰকাৰে পদক্ষেপ লৈছে। ইয়াৰ অংশ হিচাপে মৈত্রী আঁচনিৰ অধীনত আন্তঃগাঁথনি সবল কৰাৰ উদ্দেশ্যে অত্যাধুনিক সা-সুবিধাৰে থানাসমূহ পুনৰ নির্মাণ কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্রী সোণোৱালে কয় যে সম্প্রতি ৰাজ্যৰ দৃশ্যপট সলনি হৈছে। বর্তমানৰ ৰাজ্য চৰকাৰৰ নেতৃত্বত আৰক্ষী বাহিনীয়ে দৃঢ়তা আৰু দক্ষতাৰে সকলো প্রত্যাহ্বানৰ সন্মুখীন হৈছে। আৰক্ষী বিভাগে দায়বদ্ধতা আৰু নিষ্ঠাসহকাৰে দায়িত্ব পালন কৰাৰ ফলত ৰাইজৰ আস্থা বৃদ্ধি হৈছে। থানাসমূহত এজাহাৰ দাখিলৰ হাৰ সম্প্রতি বৃদ্ধি পাইছে। তদন্ত প্রক্রিয়া ত্বৰান্বিত কৰাৰ বাবেও আৰক্ষী বিভাগে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্রীয়ে কয়। আৰক্ষী বিভাগে একে সময়তে বিভিন্ন সমস্যাৰ বিৰুদ্ধে যুঁজ দিব লাগে বুলি মন্তব্য কৰি মুখ্যমন্ত্রী সোণোৱালে সাম্প্রতিক পৰিস্থিতিত মনোৱল অটুট ৰাখি ক'ভিড-১৯ ৰ লগতে সকলো প্রত্যাহ্বান সাহসেৰে মোকাবিলা কৰাৰ বাবে অসম আৰক্ষীৰ শলাগ লয়। মুখ্যমন্ত্রীয়ে আৰক্ষীৰ প্রতি ইতিবাচক দৃষ্টিভংগীৰে সহযোগিতা আগবঢ়াবলৈ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্রীয়ে কয় যে ৰাইজৰ আস্থা, বিশ্বাস বাহাল থকাৰ বাবে আৰক্ষীয়ে কাম কৰি যাব লাগিব। ভাল কাম কৰা আৰক্ষীক পুৰস্কৃত কৰাৰ লগতে বেয়া কাম কৰাসকলে শাস্তিৰ সন্মুখীন হ'ব লাগিব বুলি মুখ্যমন্ত্রীয়ে কয়। বর্তমানৰ অসম চৰকাৰখনক জনতাৰ চৰকাৰ বুলি উল্লেখ কৰি ৰাইজৰ দিহা-পৰামর্শ আৰু গঠনমূলক সমালোচনাক চৰকাৰে মর্যাদা প্রদান কৰি আহিছে বুলি মুখ্যমন্ত্রী সোণোৱালে কয়। প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ 'সবকা সাথ, সবকা বিকাশ তথা সবকা বিশ্বাস'

নীতিৰে অসম চৰকাৰে ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীক সমানে সুযোগ প্রদান কৰিছে বুলি তেওঁ কয়। খিলঞ্জীয়া ভূমি পুত্রসকলে মাটি-ভেটি, কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য ৰক্ষাৰ বাবে সুযোগ পাইছে। অসম চৰকাৰে সার্বজনীন দৃষ্টিভংগীৰে সকলোকে সম-মর্যাদা প্রদান কৰি সম-উন্নয়নৰ বাবে কাম কৰিছে বুলি মুখ্যমন্ত্রীয়ে কয়।

এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্রী সোণোৱালে ৰাষ্ট্রীয় বঁটা প্রাপক শিপিনী বীণাপাণি কোচ আৰু প্রগতিশীল কৃষক চেনাই চি বসুমতাৰীক সম্বর্ধনা জনায়। অনুষ্ঠানত ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কার্যবাহী সদস্য টকেশ্বৰ ৰাভা, দুধনৈ সমষ্টিৰ বিধায়ক দীপক ৰাভা আৰু অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্রধান (আইন-শৃংখলা) জ্ঞানেন্দ্র প্রতাপ সিঙেও ভাষণ প্রদান কৰে। গোৱালপাৰা জিলাৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শর্মাই আদৰণী ভাষণ আগবঢ়োৱা এই অনুষ্ঠানত বিধায়কসকল ক্রমে বিমল বৰা আৰু চাহাবুদ্দিন আহমেদ, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ ছৈয়দ মমিনুল আৱাল, পশ্চিম ৰেঞ্জৰ উপ-আৰক্ষী মহা পৰিদর্শক ৰৌণক আলী হাজৰিকা, অসম আৰক্ষী গৃহ নির্মাণ পৰিষদৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, উপায়ুক্ত বর্ণালী ডেকা প্রমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❐❐

প্রজ্ঞান ভাৰতী আঁচনি

বিত্তমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই ২০২০-২১ বর্ষৰ বাজেট ভাষণত ‘প্রজ্ঞান ভাৰতী’ শীর্ষক এক আঁচনিৰ কথা ঘোষণা কৰিছিল। উক্ত আঁচনিৰ অধীনত মহাবিদ্যালয়ৰ স্নাতক পর্যায়ৰ ছাত্র-ছাত্রীসকলক পাঠ্যপুথি ক্রয়ৰ বাবে বেংক একাউণ্টযোগে ডি বি টিৰ জৰিয়তে ১০০০ টকাকৈ প্রদান কৰা হ’ব। বর্তমান ৬৭,৫৩১গৰাকী শিক্ষার্থীলৈ (স্নাতক পর্যায়ৰ) উক্ত ধনৰাশি আগবঢ়োৱা হৈছে। চলিত বর্ষত উক্ত ‘প্রজ্ঞান ভাৰতী’ আঁচনিৰ অধীনত দুই লাখতকৈ অধিক শিক্ষার্থীক সামৰি লোৱা হ’ব। অনাগত দিনত আঁচনিখনৰ অধীনত স্নাতকোত্তৰ পর্যায়ৰ ছাত্র-ছাত্রীকো সাঙুৰি লোৱা হ’ব। আনহাতে চৰকাৰী তথ্য অনুসৰি উক্ত আঁচনিৰ অধীনত উচ্চতৰ মাধ্যমিকত প্রথম বিভাগত উত্তীর্ণ ২২ হাজাৰ ছাত্রীক স্কুটী প্রদান কৰা হ’ব। ❐❐

ক'ভিড-১৯ ৰ সন্দর্ভত তৃণমূল পর্যায়ত জৰীপ চলাবলৈ মুখ্যমন্ত্রীৰ নির্দেশ

ডিব্রুগড় আৰু তিনিচুকীয়া জিলাৰ ক'ভিড-১৯ পৰিস্থিতি পর্যালোচনা

মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে যোৱা ২০ আগষ্টত ডিব্রুগড় জিলাৰ উপায়ুক্ত কার্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত ডিব্রুগড় আৰু তিনিচুকীয়া জিলাৰ ক'ভিড-১৯ পৰিস্থিতি পর্যালোচনা কৰে। বৈঠকত দুয়োখন জিলাৰ ক'ভিড-১৯ আক্রান্ত ৰোগী, চিকিৎসাৰ ক্ষেত্রত গ্রহণ কৰা পদক্ষেপ, কুৱাৰেণ্টিন ব্যৱস্থা, স্বাস্থ্য বিভাগৰ নীতি-নির্দেশনা মানি চলাৰ ক্ষেত্রত জনসচেতনতা সৃষ্টি ইত্যাদি বিষয়সমূহ বিতংভাৰে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্রীয়ে অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীৰ পৰা চিকিৎসাৰ ক্ষেত্রত কি কি ব্যৱস্থা গ্রহণ কৰিছে সেই সম্পর্কত জানিব বিচাৰে। মুখ্যমন্ত্রীয়ে চিকিৎসাৰ লগত জড়িত থকা সকলো পর্যায়ৰ বিষয়া-কর্মচাৰীৰ মাজত সহযোগিতা আৰু যোগাযোগ ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কর্মচাৰীসকলক অধিক দায়িত্বশীল কৰি তোলাৰ লগতে অসম চিকিৎসা মহাবিদ্যালয় কর্তৃপক্ষক সংকটজনক ক'ভিড ৰোগীসকলক সময়োচিত চিকিৎসা সেৱা প্রদান কৰাৰ দিশত অধিক তৎপৰ হ'বলৈও নির্দেশ দিয়ে। স্বাস্থ্য বিভাগৰ বিষয়াসকলে দুয়োখন জিলাত থকা ক'ভিড চেণ্টাৰ আৰু এইক্ষেত্রত গ্রহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে মুখ্যমন্ত্রীক অৱগত কৰে। মুখ্যমন্ত্রীয়ে তিনিচুকীয়াতো এটা বৃহৎ ক'ভিড চেণ্টাৰ স্থাপন কৰিবলৈ সংশ্লিষ্ট বিভাগক নির্দেশ দিয়ে। এই বৈঠকত জিলা দুখনৰ চাহ বাগিচাত ক'ভিড সংক্রমণৰ বিষয়টো বিতংভাৰে আলোচনা কৰা হয়। মুখ্যমন্ত্রীয়ে চাহ বাগিচা এলেকাত কৰ'না ভাই�ৰাছ সংক্রমণ প্রতিহত কৰাৰ বাবে নিৰীক্ষণ ব্যৱস্থাটো শক্তিশালী কৰিবলৈও জিলা প্রশাসনক নির্দেশ দিয়ে। ক'ভিড-১৯ ৰ সম্পর্কত জনসাধাৰণৰ সাম্প্রতিক মানসিক অৱস্থা আৰু ইয়াৰ সৈতে সহাৱস্থান কৰি কর্মত নিয়োজিত হোৱাৰ ক্ষেত্রত কি ধৰণে আগবাঢ়িছে সেই বিষয়টো জনাৰ বাবে তৃণমূল পর্যায়ত জৰীপ চলাবলৈও প্রশাসনক মুখ্যমন্ত্রীয়ে নির্দেশ দিয়ে। স্বাস্থ্য বিভাগৰ নীতি-নির্দেশনা মানি চলি কর্মত নিয়োজিত হোৱাৰ বাবে পৰিৱেশ নির্মাণৰ জৰিয়তে জনসাধাৰণৰ মনত বিশ্বাসভাৰ গাঢ় কৰিব লাগিব বুলিও মুখ্যমন্ত্রীয়ে কয়। মুখ্যমন্ত্রীয়ে লগতে হোম আইচ'লেচনত থকা ৰোগীসকলে যাতে স্বাস্থ্য বিভাগৰ পৰা নিয়মীয়াকৈ স্বাস্থ্য পৰামর্শ আদি লাভ কৰে সেই দিশতো নিশ্চিত পদক্ষেপ ল'বলৈ নির্দেশ দিয়ে। এই বৈঠকতে এছ বি আই ফাউণ্ডেচনে ১০ টা ভেণ্টিলেট'ৰ মুখ্যমন্ত্রীৰ উপস্থিতিত অসম চিকিৎসা মহাবিদ্যালয়ৰ কর্তৃপক্ষক অর্পণ কৰে। মুখ্যমন্ত্রীয়ে এছ বি আইৰ বিষয়ববীয়াসকলক এই মহৎ কার্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে ইয়ে ক'ভিড ৰোগীৰ চিকিৎসাৰ ক্ষেত্রত ইতিবাচক প্রভাৱ পেলাব। এই বৈঠকৰ সময়ত কেন্দ্রীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্রী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্রমে প্রশান্ত ফুকন, বিনোদ হাজৰিকা, ঋতুপর্ণ বৰুৱা, ডিব্রুগড় আৰু তিনিচুকীয়া জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, স্বাস্থ্য বিভাগৰ বিষয়া আৰু ষ্টেট বেংক অব ইণ্ডিয়াৰ বিষয়াসকল উপস্থিত থাকে। ❐❐

অসম অলিম্পিক সন্থাৰ জৰিয়তে গ্ৰাম্য পৰ্যায়ত অলিম্পিক আয়োজনৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ

মাজুলীৰ তিনিখন বিদ্যালয়ৰ খেল পথাৰ উন্নীতকৰণৰ অনুদানৰ আবণ্টন পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ

মাজুলীৰ ক্ৰীড়াখণ্ডক এক নতুন গতি প্ৰদানেৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২১ আগষ্টত 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ অধীনত মাজুলীৰ মধ্য ইংৰাজী পাৰিজাত উচ্চ মাধ্যমিক বিদ্যালয়, ৰতনপুৰ মিৰি উচ্চ মাধ্যমিক বিদ্যালয় আৰু চেলেক জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ উন্নয়নৰ আধাৰশিলা স্থাপন কৰে। এই খেলপথাৰকেইখনৰ বাবে ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে প্ৰত্যকলৈ আগবঢ়োৱা ২০ লাখ টকা অনুদানৰ আবণ্টন পত্ৰ সেইদিনা শিক্ষানুষ্ঠানকেইখনৰ কৰ্তৃপক্ষক মুখ্যমন্ত্ৰীয়ে আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। তদুপৰি একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে সমন্বিত জনজাতি উন্নয়ন প্ৰকল্পৰ অধীনত জিলাখনৰ হিতাধিকাৰীসকলৰ মাজত পাৱাৰ টিলাৰ, টিনপাত আৰু সৌৰ চাকি বিতৰণ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে। মধ্য মাজুলী পাৰিজাত উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়াৰ জৰিয়তে সমাজখনক আগুৱাই নিব লাগিব। সমাজ উন্নয়নৰ দিশত ক্ৰীড়াৰ সাৰ্বজনীন ভূমিকা আছে। আমাৰ উঠি অহা প্ৰজন্মক ক্ৰীড়াৰ দ্বাৰা আদৰ্শ নাগৰিক হিচাপে গঢ়ি তুলিব লাগিব। যুৱ বিকাশ মিছনৰ অধীনত ৰাজ্য চৰকাৰে ৫০০ খন খেলপথাৰ উন্নীতকৰণৰ সিদ্ধান্ত লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ অধীনত মাজুলী জিলাৰ ৯ খন বিদ্যালয়লৈ খেলপথাৰ উন্নীতকৰণৰ বাবে ইতিমধ্যে অনুদান আগবঢ়োৱা হৈছে। ক্ৰীড়াৰ জৰিয়তে প্ৰতিযোগিতামুখী মানসিকতাৰ সূচনা হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা, সংস্কৃতি ইত্যাদি সকলো ক্ষেত্ৰৰ উত্তৰণৰ বাবে প্ৰতিযোগিতামুখী মানসিকতাৰ অতিশয় প্ৰয়োজন। মুখ্যমন্ত্ৰীয়ে কয় যে অসম অলিম্পিক সন্থাৰ জৰিয়তে গ্ৰাম্য পৰ্যায়ত অলিম্পিক আয়োজনৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। গ্ৰাম্য পৰ্যায়ত অলিম্পিক আয়োজনৰ জৰিয়তে গ্ৰামাঞ্চলত থকা সুপ্ত ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্তকৰণেৰে উন্নত প্ৰশিক্ষণৰ ব্যৱস্থা লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়াবিদ সৃষ্টি কৰাই ৰাজ্য চৰকাৰৰ মূল্য লক্ষ্য বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে মাজুলীত বহু ক্ৰীড়া প্ৰতিভা আছে। এই ক্ৰীড়া প্ৰতিভাসমূহক আৱিষ্কাৰ কৰা আৰু ক্ৰীড়াৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। ❐❐

মুখ্যমন্ত্রীক সাক্ষাৎ ৰাজ্যৰ বাদ্যযন্ত্রী আৰু কলা-কুশলীৰ

অসমৰ ২২ খন জিলাক প্রতিনিধিত্ব কৰা বাদ্যযন্ত্রী আৰু কলা-কুশলীৰ এটা দলে যোৱা ১৮ আগষ্টত মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালক সাক্ষাৎ কৰে। ব্রহ্মপুত্র ৰাজ্যিক অতিথিশালাত হোৱা এই সাক্ষাৎকালত প্রতিনিধি দলটোৱে সাম্প্রতিক পৰিস্থিতিত ৰাজ্যখনৰ বাদ্যযন্ত্রী আৰু কলা-কুশলীসকলে সন্মুখীন হোৱা অসুবিধাৰ বিষয়ে মুখ্যমন্ত্রীক অৱগত কৰি তেওঁলোকক আর্থিকভাৱে সকাহ দিয়াৰ বাবে প্রয়োজনীয় পদক্ষেপ গ্রহণ কৰিবলৈ অনুৰোধ জনায়। ৰাজ্যৰ শিল্পী, বাদ্যযন্ত্রী আৰু কলা-কুশলীসকলে সততে সন্মুখীন হোৱা অন্যান্য কেতবোৰ সমস্যাৰ বিষয়েও তেওঁলোকে মুখ্যমন্ত্রীৰ লগত আলোচনা কৰে। আলোচনা কালত মুখ্যমন্ত্রী সোণোৱালে ৰাজ্যৰ বর্ণিল সাংস্কৃতিক ক্ষেত্রখনক আগুৱাই লৈ যোৱাৰ বাবে বর্তমানৰ ৰাজ্য চৰকাৰখনে গ্রহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে প্রতিনিধি দলটোক অৱগত কৰে। তেওঁ কয় যে ৰাজ্যৰ সাংস্কৃতিক পৰিক্রমা বিভাগে 'শিল্পী সম্বর্ধনা' আৰু 'ভ্রাম্যমাণ থিয়েটাৰ শিল্পী আৰু কলা-কুশলী আঁচনি'ৰ অধীনত ২,০০০ গৰাকী শিল্পী আৰু কলা-কুশলীলৈ ৫০ হাজাৰ টকাকৈ এককালীন আর্থিক সাহায্য প্রদানৰ বাবে ইতিমধ্যে সিদ্ধান্ত গ্রহণ কৰিছে। সেইদৰে লকডাউনৰ সময়ত ৰাজ্যৰ শিল্পীসকলে সন্মুখীন হোৱা আর্থিক অসুবিধাৰ প্রতি লক্ষ্য ৰাখি ৰাজ্যখনৰ বিভিন্ন পৰম্পৰাগত লোকশিল্প যেনে ওজাপালি, নাগাৰা নাম, ঢুলীয়া, বেণুপার্টী আদিত জড়িত লোকশিল্পীসকললৈ তিনি মাহৰ বাবে ২,০০০ টকাকৈ আর্থিক সাহায্য আগবঢ়োৱাৰ কথাও ঘোষণা কৰিছে। বর্তমানৰ চৰকাৰৰ কার্যকালত শতাধিক প্রবীণ শিল্পীলৈ মাহে ৮,০০০ টকাকৈ শিল্পী পেঞ্চন আৰু ৫০,০০০ টকাৰ এককালীন সাহায্য আগবঢ়োৱা হৈছে। ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্রখনক অধিক সমৃদ্ধ কৰা তথা শিল্পী-বাদ্যযন্ত্রী আৰু কলা-কুশলীসকলৰ কল্যাণৰ বাবে চৰকাৰে অনাগত দিনবোৰতো আন্তৰিকতাৰে কাম কৰি যাব বুলি মুখ্যমন্ত্রীয়ে প্রতিনিধি দলটোক আশ্বাস প্রদান কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ২২ খনকৈ জিলাক প্রতিনিধিত্ব কৰা এই দলটোত বিশিষ্ট বাদ্যযন্ত্রী মণিকাঞ্চন বুঢ়াগোহাঁই, মাজুলী সোণোৱাল, দীপজ্যোতি বৈশ্য, টিংকু গগৈ, কৌস্তুভমণি ফুকন আৰু চন্দন ৰাভা উপস্থিত আছিল। আনহাতে, চাহ জনগোষ্ঠীৰ এগৰাকী প্রতিভাৱান শিল্পী, অভিনেতা, গায়ক, সংগীত পৰিচালক চাজন নায়কেও সেইদিনা মুখ্যমন্ত্রীৰ চৰকাৰী বাসগৃহত মুখ্যমন্ত্রী সোণোৱালক সৌজন্যমূলকভাৱে সাক্ষাৎ কৰে। সাক্ষাৎ কালত টিংখং সমষ্টিৰ বিধায়ক বিমল বৰাও উপস্থিত আছিল। ❐❐

সত্রীয়া সংস্কৃতিৰ বিশিষ্ট সাধক, বৰপেটা সত্রৰ ডেকা সত্রীয়া নৱজিত দাস পাঠকৰ বিয়োগত মুখ্যমন্ত্রীৰ শোক

বৰপেটা সত্রৰ ডেকা সত্রীয়া, সত্রীয়া সংস্কৃতিৰ বিশিষ্ট সাধক আৰু বাহক নৱজিত দাস পাঠকৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে। এক শোক বার্তাৰ জৰিয়তে মুখ্যমন্ত্রী সোণোৱালে কয় যে জীৱন কালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্রয়াত নৱজিত দাস পাঠকে আমাৰ সাংস্কৃতিক আৰু আধ্যাত্মিক জগতলৈ যি অৰিহণা যোগাই গ'ল সেয়া সকলোৱে শ্রদ্ধাৰে স্মৰণ কৰিব। বৰপেটা সত্রৰ ডেকা সত্রীয়া হিচাপে ঐতিহ্যমণ্ডিত এই সত্রখনৰ সর্বাংগীণ উত্তৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়াই যোৱা প্রয়াত নৱজিত দাস পাঠক কোচবিহাৰস্থিত ঐতিহ্যমণ্ডিত মধুপুৰ সত্রৰ পৰিচালনাৰ লগতো জড়িত আছিল। ৰাজ্যৰ বিভিন্ন প্রান্তত পালনামকে ধৰি সত্রীয়া কলা-সংস্কৃতিৰ প্রসাৰ আৰু প্রচাৰ সাধনতো তেওঁ অৰিহণা যোগাই গৈছে। এইগৰাকী ডেকা সত্রীয়াৰ বিয়োগ ৰাজ্যখনৰ আধ্যাত্মিক তথা সাংস্কৃতিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্রীয়ে কয়। । মুখ্যমন্ত্রীয়ে প্রয়াত নৱজিত দাস পাঠকৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্রার্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে বৰপেটা সত্রৰ ডেকা সত্রীয়া নৱজিত দাস পাঠকৰ পৰলোকপ্রাপ্তিত মুখ্যমন্ত্রীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও গভীৰ শোক প্রকাশ কৰিছে। সত্রীয়া সংস্কৃতিৰ নিৰলস সাধক নৱজিত দাস পাঠকৰ বিয়োগ ৰাজ্যৰ আধ্যাত্মিক তথা সাংস্কৃতিক ক্ষেত্রৰ বাবে অপূৰণীয় ক্ষতি বুলি তেওঁ অভিহিত কৰে। মুখ্যমন্ত্রীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে প্রয়াত নৱজিৎ দাস পাঠকৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্রার্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। ❐❐

ডিব্রুগড়ৰৰ খনিকৰত নির্মাণৰত বহুমুখী ক্রীড়া প্রকল্পথলী পৰিদর্শন মুখ্যমন্ত্রীৰ

ক্রীড়া প্রকল্পটোৰ মূল ষ্টেডিয়ামৰ কাম আগন্তুক ফেব্রুৱাৰী মাহৰ ভিতৰত সম্পূর্ণ কৰিবলৈ নির্দেশ

মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে যোৱা ২০ আগষ্টত ডিব্রুগড়ৰ খনিকৰত এন এল চি পি আৰৰ পুঁজিৰে নির্মাণৰত বহুমুখী ক্রীড়া প্রকল্পথলী পৰিদর্শন কৰি কাম-কাজৰ অগ্রগতিৰ বুজ লয়। মুখ্যমন্ত্রীয়ে এই ক্রীড়া প্রকল্পটোৰ মূল ষ্টেডিয়ামৰ কাম আগন্তুক ফেব্রুৱাৰী মাহৰ ভিতৰত সম্পূর্ণ কৰিবলৈ গড়কাপ্টানী (গৃহ) বিভাগক নির্দেশ দিয়ে। উল্লেখ্য যে গুৱাহাটী মহানগৰীৰ সৰুসজাইৰ আৰ্হিত ডিব্রুগড়ত এই বহুমুখী ক্রীড়া প্রকল্পটো নির্মাণ কৰি থকা হৈছে। প্রকল্পটো পৰিদর্শনৰ সময়ত মুখ্যমন্ত্রীয়ে এই কাম নির্ধাৰিত সময়ত সম্পূর্ণ কৰাৰ বাবে কামৰ উপযোগী সময়ছোৱাৰ সম্পূর্ণ সদব্যৱহাৰ কৰি তিনিটা ছিফ্টত কাম আগবঢ়াই নিবলৈ নির্দেশ দিয়ে। মুখ্যমন্ত্রীয়ে গড়কাপ্টানী (গৃহ) সংমণ্ডলৰ কার্যবাহী অভিযন্তাৰ পৰা ২৫ হাজাৰ আসনযুক্ত মূল ষ্টেডিয়ামত প্রয়োজন সাপেক্ষে আসনৰ সংখ্যা বৃদ্ধি কৰাৰ সুবিধা আছে নে নাই তাৰো বুজ লয়। কার্যবাহী অভিযন্তাগৰাকীয়ে মুখ্যমন্ত্রীক অৱগত কৰে যে ভৰিষ্যতে এই আসনৰ সংখ্যা ৪০ হাজাৰলৈ বৃদ্ধি কৰাৰ সুবিধা আছে। মুখ্যমন্ত্রীয়ে গড়কাপ্টানী বিভাগৰ লগতে নির্মাণকাৰী সংস্থাক প্রৱেশ-প্রস্থান স্থানৰ সমীপত পর্যাপ্ত সংখ্যক বাহনৰ পার্কিঙৰ ব্যৱস্থা কৰিবলৈও নির্দেশ দিয়ে। তেওঁ ক্রীড়া প্রকল্পটোৰ সৌন্দর্যবর্ধনৰ বাবে সীমাৰ বেৰৰ চৌদিশে বৃক্ষ ৰোপণ কৰিবলৈও কয়। উল্লেখ্য যে ছুইমিং পুল, ইনড'ৰ ষ্টেডিয়াম, প্রেকটিছ গ্রাউণ্ড, এথলেটিক ট্রেক আদি উপাদান থকা এই ষ্টেডিয়ামখন নির্মাণ হৈ উঠিলে ডিব্রুগড় জিলাকে ধৰি ইয়াৰ নিকটৱর্তী জিলাসমূহৰ নতুন প্রজন্মৰ খেলুৰৈসকলে আধুনিক ক্রীড়া শৈলীৰে খেলৰ অনুশীলন কৰাৰ সুবিধা লাভ কৰাৰ লগতে ৰাষ্ট্রীয় তথা আন্তঃৰাষ্ট্রীয় পর্যায়ৰ খেল অনুষ্ঠিত কৰিব পৰা যাব। ❐❐

অভিনেতা অক্ষয় কুমাৰে মুখ্যমন্ত্রীৰ সাহায্য পুঁজিলৈ আগবঢ়ালে ১ কোটি টকা

আন্তৰিক ধন্যবাদ জ্ঞাপন মুখ্যমন্ত্রী সোণোৱালৰ

ৰাজ্যখনৰ জনসাধাৰণে সম্প্রতি বানকে ধৰি অন্যান্য কিছু জটিল সমস্যাৰ সন্মুখীন হৈ থকাৰ সময়তে বলিউডৰ জনপ্রিয় অভিনেতা অক্ষয় কুমাৰে মুখ্যমন্ত্রীৰ সাহায্য পুঁজিলৈ ১ কোটি টকাৰ অনুদান আগবঢ়াইছে। মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে জনপ্রিয় তথা প্রসিদ্ধ অভিনেতাগৰাকীয়ে এই জটিল সন্ধিক্ষণত অসমলৈ আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে অভিনেতাগৰাকীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে যোৱা বছৰো বলিউডৰ এই জনপ্রিয় অভিনেতাগৰাকীয়ে অসমৰ বানপীড়িতৰ সহায়ৰ বাবে মুখ্যমন্ত্রীৰ সাহায্য পুঁজিলৈ ১ কোটি টকা আৰু কাজিৰঙাৰ বন্যপ্রাণীৰ উদ্ধাৰ তথা সুৰক্ষাৰ বাবে ১ কোটি টকাৰ বৰঙণি আগবঢ়াইছিল। উল্লেখযোগ্য যে শেহতীয়া বানত ৰাজ্যখনৰ বিস্তৰ ক্ষয়-ক্ষতি হয়। ৰাজ্যৰ ৩০ খন জিলাই প্রভাৱিত হৈছে বানত। ৰাজ্যখনৰ ১৫৮ জন লোকে প্রাণ হেৰুৱাৰ লগতে বিস্তৃত এলেকাৰ কৃষিভূমিৰ শস্য বিনষ্ট হৈছে আৰু পশুধনৰো মৃত্যু হৈছে। এই বানত ৰাজ্যখনৰ পথ, দলং, বিদ্যালয়, অংগনৱাড়ী কেন্দ্র আদি ৰাজহুৱা আন্তঃগাঁথনিৰো ক্ষতি হৈছে। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে অলপতে অসমকে ধৰি দেশৰ ছখন ৰাজ্যৰ মুখ্যমন্ত্রীসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে বান পৰিস্থিতিৰ পর্যালোচনা কৰে। এই পর্যালোচনাকালত তেওঁ ৰাজ্যসমূহলৈ সকলো ধৰণৰ সহায়-সহযোগ আগবঢ়োৱা হ'ব বুলি আশ্বাস দিয়ে। মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে প্রধানমন্ত্রীগৰাকীক উত্তৰ-পূবৰ দীর্ঘদিনীয়া বান-খহনীয়া সমস্যাৰ বিজ্ঞানসন্মত আৰু স্থায়ী সমাধানৰ বাবে কেন্দ্রই গ্রহণ কৰা পদক্ষেপৰ বাবে কৃতজ্ঞতা জনায়। ❐❐

বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ কামৰ খতিয়ান

মাজুলীৰ সাংস্কৃতিক আন্তঃগাঁথনিৰ বিকাশত গুৰুত্ব বিধায়ক তথা মুখ্যমন্ত্রীৰ

২০১৬ চনৰ ৮ ছেপ্টেম্বৰত নতুন জিলাৰূপে আত্মপ্রকাশ কৰাৰে পৰা নদীদ্বীপ জিলাখনৰ প্রতিটো দিশতে আন্তঃগাঁথনিগত উন্নয়নত বিশেষ অগ্রাধিকাৰ প্রদান কৰি আহিছে স্থানীয় বিধায়ক তথা মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে। পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন, বিভাগসমূহৰ জিলাস্তৰীয় কার্যালয় স্থাপনেৰে প্রশাসনিক পৰিকাঠামোৰ সংবর্দ্ধন, পর্যটন আন্তঃগাঁথনিৰ ক্ষীপ্রতাৰে বিকাশ সাধন আদি গুৰুত্বপূর্ণ উন্নয়নমূলক পদক্ষেপৰ সমান্তৰালকৈ মাজুলীৰ সাংস্কৃতিক আন্তঃগাঁথনিও অধিক মজবুত কৰি তোলাৰ বাবে প্রয়াস চলোৱা হৈছে। মাজুলীৰ সর্বাংগীণ উন্নয়নেৰে নদীদ্বীপ জিলাখনক ৰাজ্যৰ এখন অগ্রণী জিলাৰূপে প্রতিষ্ঠা কৰিবলৈ আন্তৰিক প্রয়াস চলাইছে স্থানীয় বিধায়ক তথা ৰাজ্যৰ মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে। বিভিন্ন চৰকাৰী আঁচনি, গুৰুত্বপূর্ণ প্রকল্পৰ জৰিয়তে জিলাখনত বিগত চাৰে তিনিবছৰত উন্নয়নৰ গতি ত্বৰান্বিত কৰাত বলিষ্ঠ ভূমিকা গ্রহণ কৰি মুখ্যমন্ত্রীয়ে 'বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি'কো অতি ফলপ্রসূভাৱে ব্যৱহাৰ কৰি মাজুলীৰ গাঁৱে গাঁৱে সাংস্কৃতিক বাতাবৰণ অধিক সমৃদ্ধ হোৱাত ইতিবাচক অবিহণা যোগোৱাৰ আন্তৰিক প্রয়াস চলাইছে। বাৰেৰহণীয়া থলুৱা লোককৃষ্টি আৰু সত্রীয়া সংস্কৃতিৰ বৰঘৰ মাজুলী ঐতিহ্যমণ্ডিত শ্রীশ্রী কৃষ্ণৰ ৰাসলীলাৰ বাবেও বিখ্যাত। নদীদ্বীপ জিলাখনৰ চুকে কোণে প্রতি বছৰে আঞ্চলিকভিত্তিত অর্ধশতাধিক ৰাসথলীত ৰাসলীলাৰ মঞ্চায়ন কৰা হয়। কিন্তু এই ৰাসলীলা মঞ্চসমূহৰ বেছিভাগৰে আন্তঃগাঁথনি শক্তিশালী নোহোৱাত বিগত সময়ছোৱাত ৰাসলীলাৰ আয়োজক

সমিতিসমূহ অসুবিধাৰ সন্মুখীন হৈ আহিছিল। এই দিশটো অনুধাৱন কৰি মুখ্যমন্ত্রী সোণোৱালে জিলাখনৰ গাঁৱে ভূঞে থকা আঞ্চলিক ৰংগমঞ্চসমূহ বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰে পর্যায়ক্রমে উন্নীতকৰণৰ পৰিকল্পনা হাতত লয়। সেই অনুসাৰে ৯৯ নং মাজুলী বিধানসভা সমষ্টিক লৈ গঠিত জিলাখনত যোৱা তিনিটা বছৰত বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰে গ্রামীণ ৰংগমঞ্চসমূহ বিকশিত কৰি গ্রামাঞ্চলসমূহত সাংস্কৃতিক আন্তঃগাঁথনি মজবুত কৰিবলৈ পদক্ষেপ লোৱা হৈছে। গাঁওসমূহত শ্রীশ্রী কৃষ্ণৰ ৰাসলীলাৰ লগতে বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানো নিয়মীয়াকৈ সুচাৰুৰূপে আয়োজন কৰি এক সুস্থ সামাজিক তথা সাংস্কৃতিক বাতাবৰণ বর্তাই ৰখাত এনে ৰংগমঞ্চসমূহে লৈ অহা অৱদানৰ দিশটোও এইক্ষেত্রত মুখ্যমন্ত্রীয়ে গুৰুত্বসহকাৰে গ্রহণ কৰে। মুখ্যমন্ত্রীৰ এনে সুচিন্তিত পৰিকল্পনা আৰু দৃষ্টিভংগীৰ আধাৰত ২০১৬-১৭, ২০১৭-১৮ আৰু ২০১৮-১৯ বিত্তীয় বর্ষত ৯৯ নং মাজুলী বিধানসভা সমষ্টিক লৈ গঠিত মাজুলী জিলাত বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ আৱণ্টন কৰা হৈছে। এই পুঁজি শিতানত ২০১৬-১৭ বর্ষত মাজুলীৰ ১১ টা আঞ্চলিক ৰংগমঞ্চলৈ মুঠ ১ কোটি টকা, ২০১৭-১৮ বর্ষত ১৪ টা আঞ্চলিক ৰংগমঞ্চক মুঠ ১ কোটি টকাৰ পুঁজি আবণ্টন দি ৰংগমঞ্চসমূহ আহল বহলকৈ পুনৰ নির্মাণৰ ব্যৱস্থা কৰা হয়। তদুপৰি ২০১৮-১৯ বর্ষটো ১৩ টা ৰংগমঞ্চলৈ বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি বিতৰণৰ সকলো প্রক্রিয়া ইতিমধ্যে সম্পূর্ণ কৰা হৈছে। একেদৰে, ২০১৭-১৮ বর্ষত গায়নগাঁও নৱজ্যোতি কৃষ্টিসংঘলৈ ১০ লাখ টকা, চিলাকলা লুইতপৰীয়া কৃষ্টি সংঘলৈ ১০ লাখ টকা, ফুলনি কৃষ্টি সংঘলৈ ১০ লাখ টকা, কুমাৰগাঁও ৰূপালী যুৱক সংঘলৈ ১০ লাখ টকা, ৰতনপুৰ মিৰিগাঁও পঞ্চায়তৰ ৰতনপুৰ মিলি ৰংগমঞ্চলৈ ১০ লাখ টকা, গোৱালগাঁও তৰুণ নাট্য সমাজলৈ ১০ লাখ টকা, কুমাৰগাঁও শংকৰীকৃষ্টি বিকাশ কেন্দ্রলৈ ৫ লাখ টকা, মুদৈবিল কৃষ্টি সংঘলৈ ৫ লাখ টকা, ফুটচাং কৃষ্টিসংঘলৈ ৫ লাখ টকা, হালমৰা যুৱ বিজয় মিলন কৃষ্টিসংঘলৈ ৫ লাখ টকা, ততয়াৰ মাজুলী মিলন কৃষ্টি মন্দিৰলৈ ৫ লাখ টকা, কুমাৰবাৰী ৰংগমঞ্চলৈ ৫ লাখ টকা, গড়মূৰৰ শংকৰদেৱ কৃষ্টিসংঘলৈ ৫ লাখ টকা আৰু চিতাদাৰচুক ৰংগমঞ্চলৈ ৫ লাখ টকা বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি শিতানত আৱণ্টন দিয়া হয়। মুখ্যমন্ত্রীয়ে অনুমোদন জনোৱা বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ এই আঁচনিসমূহৰ ভিতৰৰে ২০১৬-১৭ আৰু ২০১৭-১৮ বর্ষৰ প্রায় আটাইকেইখন আঁচনিৰেই ৰূপায়ন কার্য ইতিমধ্যে মাজুলীৰ উপায়ুক্তৰ নিৰীক্ষণত সম্পূর্ণ হৈ উঠিছে। ২০১৬-১৭ আৰু ২০১৭-১৮ বর্ষত বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজি লাভ কৰা জিলাখনৰ ২৫ টা আঞ্চলিক তথা গ্রাম্য ৰংগমঞ্চৰ ২৩ টাৰেই নির্মাণ কার্য ইতিমধ্যে সম্পূর্ণ হোৱাৰ লগতে বাকী দুটাও কম দিনৰ ভিতৰতে সম্পূর্ণ হৈ উঠিব। এই আঁচনিৰ পুঁজি সৎ ব্যৱহাৰ কৰি ৰংগমঞ্চসমূহ আটকধুনীয়া আৰু আহল বহলকৈ পুনৰনির্মাণ হৈ উঠাত মাজুলীৰ গ্রামাঞ্চলৰ ৰাসলীলাৰ আয়োজক সমিতিসমূহৰ লগতে স্থানীয় ৰাইজ আনন্দিত হৈ পৰিছে। ইয়াৰ বাবে ৰাইজে ৰাজ্যৰ মুখ্যমন্ত্রী সোণোৱালৰ এনে দূৰদৃষ্টি আধাৰিত প্রয়াসৰ প্রশংসা

কৰাৰ লগতে পুঁজি আৱণ্টনৰ বাবে কৃতজ্ঞতা জনাইছে। অসমৰ ৰজাঘৰীয়া চাৰিসত্ৰৰ অন্যতম, মাজুলীৰ প্ৰসিদ্ধ শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ প্ৰবাদপুৰুষ, স্বাধীনতা সংগ্ৰামী, সমাজ সংস্কাৰক সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীয়ে ১৯২০ চনতে প্ৰতিষ্ঠা কৰা গড়মূৰ বংশীগোপাল নাট্যমন্দিৰলৈ আগবঢ়োৱা বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ ধনেৰে ইতিমধ্যে ৰংগমঞ্চটো পূৰ্বতকৈ যথেষ্ট আহল বহল কৰি তোলাৰ লগতে পুৰণি টিনপাত আঁতৰাই সম্পূৰ্ণ নতুনকৈ উন্নতমানৰ টিনপাত লগাই পুনৰ নিৰ্মাণ কৰি উলিয়াইছে নাট্যমন্দিৰৰ পৰিচালনা সমিতি আৰু প্ৰশাসনৰ প্ৰতিনিধিক লৈ গঠিত নিৰ্মাণ সমিতিয়ে। বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ পৰা লাভ কৰা ১০ লাখ টকাৰে বালিচাপৰি মিলিত কৃষ্টিসংঘৰ মঞ্চ উন্নীতকৰণ আৰু প্ৰেক্ষাগৃহৰ দেৱাল পুনৰনিৰ্মাণৰ কামৰ লগতে উন্নতমানৰ টিনপাত লগাই ৰংগমঞ্চটো আটকধুনীয়াকৈ বিকশিত কৰি তোলা হয়। ইফালে, ১৯৩৮ চনতে কমলাবাৰীৰ মাজমজিয়াত স্থাপন কৰা 'মাজুলী মিলন সংঘ' হৈছে জিলাখনৰ এক অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান। মাজুলীৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ লগতে সমাজ জীৱনৰ বহু গুৰুত্বপূৰ্ণ অধ্যায়ৰ সাক্ষী মাজুলী মিলন সংঘলৈ ২০১৬-১৭ বৰ্ষত আগবঢ়োৱা বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ ৫ লাখ টকাৰে ইয়াৰ প্ৰেক্ষাগৃহৰ উৱলি যোৱা পুৰণি টিনপাতসমূহ এৰুৱাই নতুনকৈ টিনপাত লগোৱাৰ লগতে মঞ্চটোও উন্নীত কৰা হয়। পূৱ মাজুলীৰ এটা আগশাৰীৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান বনগাঁৱৰ কেন্দ্ৰস্থলতে অৱস্থিত বনগাঁও মিলিত কৃষ্টিসংঘ। ২০১৬-১৭ বৰ্ষত লাভ কৰা বিধায়কৰ স্থানীয় এলেকা উন্নয়ন পুঁজিৰ ১০ লাখ টকাৰে ইতিমধ্যে বনগাঁও মিলিত কৃষ্টিসংঘৰ প্ৰেক্ষাগৃহ তথা মঞ্চয়ো সম্পূৰ্ণ নতুন ৰূপ লাভ কৰাত অঞ্চলবাসীয়ে আনন্দ প্ৰকাশ কৰিছে। ❐❐

প্ৰতিবেদক ঃ ৰাজেন্দ্ৰ বৰুৱা
জিলা তথ্য আৰু জনসংযোগ বিষয়া (ভাঃ), মাজুলী

ড° সর্বপল্লী ৰাধাকৃষ্ণণ আৰু শিক্ষক দিৱস

পুষ্পাঞ্জলি গোস্বামী

প্রতি বছৰে আমাৰ দেশত ৫ ছেপ্টেম্বৰৰ দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয়। এইটো এটা অতি পৱিত্র দিৱস। সংস্কৃতত এষাৰ কথা আছে—শ্রদ্ধাৱান লভতে জ্ঞানম্। অর্থাৎ শ্রদ্ধ ৱান হ'লেহে জ্ঞান অর্জন কৰিব পৰা যায়। সেইবাবেই শিক্ষাগুৰু অর্থাৎ শিক্ষক-শিক্ষয়িত্রীসকলৰ প্রতি আনুষ্ঠানিকভাৱে শ্রদ্ধা জ্ঞাপন কৰিবলৈয়ে প্রতি বছৰে ৫ ছেপ্টেম্বৰৰ দিনটো আমাৰ দেশত শিক্ষক দিৱস হিচাপে পালন কৰা হয়। ছাত্র-ছাত্রীসকলক দেশৰ ভৱিষ্যৎ বুলি কোৱা হয় আৰু এই ভবিষ্যতক গঢ় দিয়াৰ গুৰুদায়িত্ব পালন কৰে শিক্ষকসকলে। দেশৰ ভৱিষ্যৎ গঢ়াৰ পৱিত্র ব্রতত ব্রতী শিক্ষকসকলৰ প্রতি কৃতজ্ঞতা জনাবলৈয়ে প্রতি বছৰে এই বিশেষ দিৱসটো দেশখনৰ সকলো শিক্ষানুষ্ঠানতে পালন কৰা হয়। আমাৰ দেশত এই শিক্ষক দিৱস পালনৰ আঁৰৰ ব্যক্তিগৰাকী আছিল ড° সর্বপল্লী ৰাধাকৃষ্ণণ। দেশৰ এগৰাকী প্রসিদ্ধ শিক্ষাবিদ-দার্শনিক, প্রথমগৰাকী উপ-ৰাষ্ট্রপতি তথা দ্বিতীয়গৰাকী ৰাষ্ট্রপতি ৰাধাকৃষ্ণণৰ জন্মদিনটোকেই শিক্ষক দিৱস হিচাপে পালন কৰি অহা হৈছে।

ড° সর্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হৈছিল ১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰত তামিলনাড়ু আৰু অন্ধ্রপ্রদেশৰ এখন সীমামূৰীয়া গাঁৱত। ড° ৰাধাকৃষ্ণণ আছিল এগৰাকী বিশিষ্ট শিক্ষাবিদ তথা দার্শনিক। তেৱেই ভাৰতীয় দর্শনক বিশ্বৰ মানচিত্রত স্থান দিছিল। তদুপৰি

ফাইল ফটো

তেওঁ আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এগৰাকী অতি জনপ্ৰিয় শিক্ষক। ১৯০৮ চনত দৰ্শন বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কৰাৰ পিছত মাদ্ৰাজ প্ৰেছিডেন্সী কলেজৰ দৰ্শন বিভাগে তেওঁক ফেকাল্টি মেম্বাৰ হিচাপে নিযুক্তি দিয়ে। ৰাধাকৃষ্ণণৰ একমাত্ৰ লক্ষ্য আছিল ছাত্ৰ-ছাত্ৰীক সৰ্বোত্তম শিক্ষা প্ৰদান কৰা। পিছলৈ তেওঁ কলিকতা বিশ্ববদ্যালয়, অক্সফোৰ্ড বিশ্ববিদ্যালয়, মহীশূৰ বিশ্ববিদ্যালয়তো শিক্ষকতা কৰিছিল। এগৰাকী বিশিষ্ট শিক্ষাবিদ হিচাপে তেওঁ অনেক বঁটা-বাহনো লাভ কৰিছিল। ১৯৩১ চনত তেওঁক নাইট বেচেলৰ হিচাপে নিযুক্তি দিয়া হয়। ১৯৩৮ চনত তেওঁ ব্ৰিটিছ একাডেমীৰ ফেলো নিৰ্বাচিত হয়। ১৯৫৪ত তেওঁক ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্নৰে বিভূষিত কৰা হয়। ১৯৬৩ চনত তেওঁ লাভ কৰে ব্ৰিটিছ অৰ্ডাৰ অব মেৰিট। ১৯৬৮ চনত তেওঁ লাভ কৰে সাহিত্য অকাডেমীয়ে এগৰাকী লেখকলৈ আগবঢ়োৱা সৰ্বোচ্চ সন্মান সাহিত্য অকাডেমী ফেলোশ্বিপ। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে লিখি থৈ যোৱা বহুমূলীয়া গ্ৰন্থসমূহৰ ভিতৰত অন্যতম হ'ল দি ফিলোশ্বফী অৱ ৰবীন্দ্ৰ নাথ টেগোৰ (১৯১৮), ইণ্ডিয়ান ফিলোশ্বফী (১৯২৩), দি হিন্দু ভিউ অৱ লাইফ (১৯২৯), ইষ্টাৰ্ণ ৰিলিজিঅন এণ্ড ৱেষ্টাৰ্ণ থট (১৯৩৯), ৰিলিজিঅন এণ্ড ছোচাইটী (১৯৪৭), ৰিক'ভাৰী অব ফেইথ (১৯৫৬) আৰু ৰিলিজিঅন ছায়েন্স এণ্ড কালচাৰ (১৯৬৮) ইত্যাদি। ১৯৩৯ চনত ৰাধাকৃষ্ণণ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিযুক্ত হয়। স্বাধীনতাৰ পিছত তেওঁ ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক সংগঠনৰ ইউনেস্ক'ত ভাৰতক প্ৰতিনিধিত্ব কৰে। পিছলৈ তেওঁ ছোভিয়েট ইউনিয়নত ভাৰতৰ ৰাষ্ট্ৰদূত হয়। তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত এদিনাখন তেওঁৰ কেইজনমান গুণমুদ্ধ ছাত্ৰ আৰু বন্ধুৱে তেওঁৰ জন্ম দিৱস পালন কৰাৰ অনুমতি বিচাৰি তেওঁৰ ওচৰ চপাত তেওঁ কৈছিল—'মোৰ জন্মদিনটো সুকীয়াকৈ পালন কৰাৰ সলনি ৫ ছেপ্টেম্বৰৰ দিনটো শিক্ষক দিবস হিচাপে পালন কৰা হ'লেহে মই ভাল পাম।' এই মহান শিক্ষাবিদগৰাকীৰ লগতে সমগ্ৰ শিক্ষক সমাজৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিবলৈকেই ১৯৬২ চনৰ ৫ ছেপ্টেম্বৰৰ পৰা ভাৰতত শিক্ষক দিৱস পালন কৰা হৈ আহিছে।

আমাৰ জীৱনত শিক্ষকসকলৰ বিশাল অৱদানৰ তুলনাত এই কৃতজ্ঞতা তেনেই সামান্য হ'লেও ছাত্ৰ-ছাত্ৰীসকলে কিতাপ, ফুলৰ থোপা, গ্ৰীটিংছ কার্ড আদি শিক্ষাগুৰুসকলক উপহাৰ দি শ্ৰদ্ধা জনায়। অৱশ্যে বৈদিক যুগৰে পৰাই আমাৰ দেশত শিক্ষাগুৰুসকললৈ শ্ৰদ্ধা জনাই 'গুৰু পূৰ্ণিমা' বা 'আহাৰৰ পূৰ্ণিমা'ৰ দিনটো পালন কৰা হয়। এই শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপনৰ বাবেই একালব্যই নিজৰ আঙুলি কাটি গুৰু দক্ষিণা দিয়াৰ কথা আমি সকলোৱে জানো। পৃথিৱীৰ বিভিন্ন দেশতো কুৰি শতিকাৰ পৰাই শিক্ষক দিৱস পালনৰ পৰম্পৰা চলি আহিছে। উদাহৰণস্বৰূপে ১৯১৫ চনৰ পৰা আৰ্জেন্টিনাত স্থানীয় শিক্ষাবিদ ডমিংগ'ফষ্টিন' ছাৰ্মিয়েণ্ট'ৰ মৃত্যু দিৱস ১১ ছেপ্টেম্বৰক শিক্ষক দিৱস হিচাপে পালন কৰা হয়। তেনেদৰে ১৯৯৪ চনৰ পৰাই প্ৰতি বছৰে ৫ অক্টোবৰৰ দিনটো বিশ্ব শিক্ষক দিৱস হিচাপে পালন কৰা হৈ আহিছে। অকণিহঁত, এই শিক্ষক দিৱসটো কেৱল এটা অনুষ্ঠানিকতা নহয়, ই হ'ল আমাৰ শিক্ষাগুৰুসকলক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনোৱাৰ লগতে তেওঁলোকৰ সদ্‌গুণসমূহ আহৰণ কৰাৰ বাবে সংকল্প লোৱাৰ এটা পৰিত্ৰ দিন। ❑❑ *ভ্ৰাম্যভাষ ঃ ৯৮৫৯২-২০১০২*

স্বাৱলম্বনৰ বাটত...

ড° অঞ্জনা চৌধুৰী শইকীয়া

ক'ভিড-১৯ মহামাৰীয়ে সমগ্ৰ বিশ্বজুৰি সৃষ্টি কৰা দুৰ্যোগময় পৰিৱেশে বিশ্ব অৰ্থনীতিৰ গতি স্তব্ধ কৰিছে। কেৱল আমেৰিকা যুক্তৰাষ্ট্ৰতে মে' মাহত প্ৰায় ২৫ মিলিয়ন লোকে নিবনুৱা ভাতাৰ বাবে নাম পঞ্জীয়ন কৰিছে। উন্নয়নশীল দেশসমূহৰ অৰ্থনৈতিক বিকাশৰ হাৰ ৪ শতাংশৰ পৰা কমি ১ শতাংশ হ'ব বুলি আশংকা কৰা হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে মত প্ৰকাশ কৰে যে বিগত এশ বছৰৰ ভিতৰত দেশৰ ই সৰ্ব্ববৃহৎ অৰ্থনৈতিক সংকট। ৰাষ্ট্ৰসংঘৰ তথ্য অনুসৰি চলিত বছৰত বিশ্বত চাকৰি হেৰুৱাব ৩৪ কোটি লোকে। বিশ্বৰ বিভিন্ন দেশসমূহে ইতিমধ্যে পৰিস্থিতিৰ মোকাবিলাৰ বাবে বিভিন্ন কৰ্মআঁচনি ঘোষণা কৰিছে। Centre for Monitoring Indian Economy ৰ তথ্য অনুসৰি দেশৰ গ্ৰামাঞ্চলত নিবনুৰাৰ হাৰ ৬.৩৪ শতাংশৰ পৰা ৭.১ শতাংশলৈ বৃদ্ধি পোৱাৰ বিপৰীতে চহৰাঞ্চলত এই হাৰ ৯.৭৮ শতাংশৰ পৰা ৯.৯২ শতাংশলৈ বৃদ্ধি পাব। সেয়েহে আগতীয়াকৈ সু-পৰিকল্পনা নকৰিলে পৰিস্থিতিয়ে হয়তো অধিক জটিল ৰূপ ল'ব।

আমাৰ ৰাজ্যতো বৰ্তমান অৰ্থনীতিৰ ছবিখন সুস্থিৰ নহয়। কেন্দ্ৰই ইতিমধ্যে ঘোষণা কৰা ২০ লক্ষ কোটিৰ পেকেজৰ জৰিয়তে গৃহভূমিলৈ উভতি অহা শ্ৰমিক/যুৱক-যুৱতীসকলৰ সহযোগেৰে কেনেদৰে ভগ্ন অৰ্থনীতি পুনৰ নিৰ্মাণ কৰিব পৰা যায় তাৰ বাবে বাস্তৱমুখী আৰু সু-চিন্তিত দীৰ্ঘম্যাদী আঁচনিৰ প্ৰয়োজন হ'ব।

অসমৰ যিহেতু ৮৫.০৩ শতাংশ লোকেই গ্ৰামাঞ্চলত বাস কৰে সেয়েহে কৃষি তথা সহযোগী খণ্ডৰ জৰিয়তে নিবনুৰাক কিদৰে সংস্থাপন দিব পৰা যায়, সেই বিষয়ে বিশেষজ্ঞ সমিতিৰে বিশদ আলোচনা কৰা হৈছে। সহযোগী খণ্ডৰ অধীনত পশুপালন, মৎস্য পালন, ৰেচম শিল্প, মৌ-পালন, বাঁহ-বেতৰ শিল্প অথবা অন্যান্য সকলোধৰণৰ থলুৱা ক্ষুদ্ৰ, অতি-ক্ষুদ্ৰ উদ্যোগসমূহক অন্তৰ্ভুক্ত কৰা হৈছে।

উপৰোক্ত খণ্ডসমূহৰ ভিতৰত পশুধনৰ ক্ষেত্ৰখনত বিকাশৰ যথেষ্ট থল আছে। কিয়নো ৰাজ্যত পশুজাত খাদ্যসমূহৰ চাহিদা অনুসৰি উৎপাদন তেনেই নগণ্য। ৰাজ্যত কণী, মাংস আৰু গাখীৰৰ ঘাটিৰ পৰিমাণ হৈছে প্ৰায় ৯১ শতাংশ, ৬২ শতাংশ আৰু ৭৩ শতাংশ। কেৱল গুৱাহাটী মহানগৰীতেই দৈনিক ৩০ লাখ কণীৰ চাহিদা আছে। গতিকে দেখা যায় কুকুৰা ব্যৱসায়ৰ (কণী/মাংস) এখন বৃহৎ বজাৰ ৰাজ্যত আছে। অসমৰ বাবে উপযোগী কেতবোৰ কণী পৰা উন্নত কুকুৰাৰ জাত (Commercial) হৈছে BV. ৩০০ (White egg), BV. ৩৮০ (Brown egg), Indbrow brown layer, Golden keystone ইত্যাদি। ঠিক তেনেদৰে ব্ৰইলাৰৰ কেতবোৰ জাত হৈছে Vencobb (Cobb-400, Cobb-400Y), Hubbard, Anak ২০০০ ইত্যাদি। অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ গৱেষণাৰ দ্বাৰা উদ্ভাৱিত

জাত হৈছে Kamrupa (কণী আৰু মাংসৰ বাবে)। Rainbrow Rooster জাত বিধো কণী আৰু মাংসৰ বাবে পালন কৰিব পাৰি। ঠিক তেনেদৰে উন্নত জাতৰ হাঁহৰ জাত কেইবিধমানৰ নাম হৈছে ক্ৰমে Chara, Chemballi, Pekin (meat), Pati duck, Khaki Campbell, Indian Runner, Nageswari ইত্যাদি। হাঁহ-কুকুৰাৰ উপৰি কোৱেইল চৰাইৰ পাম খুলিও কম সময়তে, কম খৰচতে লাভৱান হ'ব পাৰি। এই চৰাইৰ কণী আৰু মাংসত কলেষ্টৰেলৰ পৰিমাণ কম হোৱাৰ বাবে স্বাস্থ্যৰ বাবে উপকাৰী, লগতে বজাৰত চাহিদাও বেছি।

মাংসৰ চাহিদা পূৰণৰ বাবে ছাগলী অথবা গাহৰি পালন হৈছে এক উৎকৃষ্ট ব্যৱসায়। কম দিনৰ ভিতৰতে লাভৰ মুখ দেখা পোৱা যায়। আমাৰ অসমৰ থলুৱা ছাগলীসমূহ উন্নত প্ৰজনন ক্ষমতাৰ বাবে বিশেষভাৱে প্ৰসিদ্ধ। Beetal অথবা Sirohi জাতৰ সৈতে থলুৱা অসমৰ ছাগলীৰ প্ৰজননেৰে উন্নত ফল লাভ কৰিব পাৰি। ঠিক তেনেদৰে গাহৰি পালনৰ বাবেও আমাৰ থলুৱা মাইকী গাহৰিৰ সৈতে কেতবোৰ উন্নত বিদেশী জাতৰ গাহৰি যেনে Hampshire Saddle back, Landrace, Yorkshire, Duroc, Large Black আদিৰ সৈতে প্ৰজনন কৰি লাভৱান হোৱাৰ তথ্য বিজ্ঞানসন্মতভাৱে প্ৰমাণিত হৈছে। বিশেষকৈ Hampshire নামৰ বিদেশী জাতৰ গাহৰিবিধ উন্নত প্ৰজনন ক্ষমতাৰ বাবে বিখ্যাত। এনে উন্নত জাতৰ ছাগলী অথবা গাহৰিৰ পোৱালিৰ বাবে জিলা পশুপালন বিষয়া অথবা খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অধীনৰ গাহৰি/ছাগলী পামৰ পৰিচালকৰ সৈতে যোগাযোগ কৰিলে অধিক তথ্য পোৱা যাব। ঠিক তেনেদৰে থলুৱা গাইৰ সৈতে মতা জাৰ্চী গৰুৰে প্ৰজনন কৰি অধিক গাখীৰ উৎপাদনক্ষম পোৱালি পাব পৰা যায়। গো-পালকসকলৰ বাবে ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংকৰ (NABARD) তৰফৰ পৰা বিশেষ কেতবোৰ আঁচনি (scheme) প্ৰস্তুত কৰিছে। উদাহৰণ স্বৰূপে দহজনী গাইৰ বাবে ৭ লাখ টকাৰ অথবা ২০ জনী চেউৰীৰ বাবে ৯ লাখ ৭০ হাজাৰ টকাৰ আঁচনি আছে। তদুপৰি অনুসূচিত জাতি-জনজাতিসকলৰ বাবে ৩৩ শতাংশ ৰেহাই আৰু বাকীসকলৰ বাবে ২৫ শতাংশ ৰেহাইৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্তমান চৰকাৰৰ ফালৰ পৰাও কৃষকসকলৰ দৰে গো-পালক, কুকুৰা পালকসকলক কে চি চি পোৱাৰ ব্যৱস্থা কৰিছে। অৱশ্যে ব্যৱসায়িক ভিত্তিত পাম এখন আৰম্ভ কৰিবলৈ ব্যৱহাৰিক জ্ঞান সম্পৰ্কে প্ৰশিক্ষণ লোৱাৰ নিতান্তই প্ৰয়োজন। এই ক্ষেত্ৰত অসম কৃষি বিশ্ববিদ্যালয়, খানাপাৰা চৌহদৰ শিক্ষা সম্প্ৰসাৰণ সঞ্চালকালয়ৰ অধীনত এনেবোৰ বৃত্তিমূলক পাঠ্যক্ৰমৰ বিজ্ঞানসন্মত প্ৰশিক্ষণ দিয়াৰ সু-ব্যৱস্থা আছে। ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠান (IIE) গুৱাহাটী আৰু বিভিন্ন জিলাসমূহৰ কৃষি বিজ্ঞান সমূহত (KVK) শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক কৃষি, পশুপালন খণ্ডত উপযোগী হোৱাকৈ তথা দক্ষতা বিকাশৰ বাবে নিয়মীয়াকৈ প্ৰশিক্ষণ দি আহিছে।

শস্য উৎপাদনৰ ক্ষেত্ৰত অসমে যথেষ্ট অগ্ৰগতি লাভ কৰিছে। ধানৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰশীল হোৱাৰ উপৰি ৮৩ শতাংশ শাক-পাচলিৰ চাহিদাও পূৰণ কৰিবলৈ সক্ষম হৈছে। সেয়েহে নিবনুৱা যুৱক-যুৱতীয়ে এই ক্ষেত্ৰত মনোনিৱেশ কৰিবলৈ কিছু নতুন দৃষ্টিভংগীৰে আগবাঢ়িব লাগিব। থলুৱা ধান অথবা থলুৱা ফল-মূল, ঔষধি গছসমূহক লৈ এক ডাঙৰ অৰ্থনৈতিক সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব পৰা যাব। বজাৰত বৰ্তমান অসমৰ থলুৱা ফল কঁঠাল আৰু ইয়াৰ গুটিৰ অভাৱনীয় চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি বাৰীখনত থকা বতৰৰ ফলমূলসমূহেৰে বিশাল ব্যৱসায় কৰিব পৰা সম্ভাৱনা আছে। এইখিনিতে উল্লেখ কৰিবলৈ বিচাৰিছো বিশ্বনাথ চাৰিআলিৰ প্ৰগতিশীল যুৱ কৃষক নীলম দত্তৰ পাভৈ গ্ৰীন কৃষি পামৰ কথা। প্ৰায় ১২০ বিধ থলুৱা ধানৰ প্ৰজাতি যেনে মাণিকী মধুৰী, কণগুটি, সুৱাগমণি, প্ৰসাদভোগ আদিৰ বীজ সংৰক্ষণৰ উপৰি এক বিশাল কৃষিপাম গঢ়ি তুলিছে। চুইজাৰলেণ্ড, জাৰ্মানী আদি বিভিন্ন দেশৰ বিশেষজ্ঞসকলেও এই পামতেই বীজ সংৰক্ষণৰ প্ৰশিক্ষণ লৈ যায়। নিতান্তই ই গৌৰৱৰ কথা। ঠিক তেনেদৰে যোৰহাট জিলাৰ পথাৰ-

শক্তিশালী গ্রাম্য অর্থনীতি গঢ়ি তোলা সম্ভৱ হ'ব। ৰাজ্য চৰকাৰে এইক্ষেত্ৰত এক উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ 'SAMARTH' (সমৰ্থ) আঁচনিৰ জৰিয়তে ৰাজ্যৰ প্ৰায় ৫০,০০০ শিপিনীক উন্নত প্ৰশিক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি ৩০ শতাংশ ৰেহাই মূল্যত সূতা ক্ৰয়ৰো সুবিধা আছে। আনহাতে ১০-১৫ গৰাকী লগ হৈ এৰী, চোম অথবা নুনী গছৰ খেতিও ছন পৰি থকা মাটিত কৰিব পাৰে। এজোপা নুনী গছে প্ৰায় ১৫-২০ বছৰলৈ পাত যোগান ধৰে।

কন্যা নৱনীতা দাসে জৈৱিক কৃষিকৰ্মৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ত কেন্দ্ৰীয় কৃষিমন্ত্ৰীৰ দ্বাৰা সন্মানিত হৈছে। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত ৰাইজে সমূহীয়াকৈ গঢ় দিয়া কন্যকা স্বেচ্ছাসেৰী সংগঠনেও কৃষিকৰ্মৰ জৰিয়তে 'আত্মনিৰ্ভৰ অসম' গঢ়াৰ অহৰহ প্ৰচেষ্টা চলাই আছে। এইসকলৰ উদাহৰণ আৰু পৰামৰ্শৰে নতুন প্ৰজন্মৰ নিবনুৱা যুৱক-যুৱতীয়ে আগবাঢ়ি আহিলে সফলতা লাভ কৰাটো নিশ্চিত।

মৎস্য উৎপাদনৰ ক্ষেত্ৰত ৰাজ্যই পূৰ্বতকৈ যথেষ্ট আগবাঢ়িছে। আমাৰ ৰাজ্যত মাছৰ প্ৰায় ২০০০ কোটি টকাৰ এখন বজাৰ আছে। এই ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মৎস্য সম্পদ যোজনাৰ অধীনত ২০,০০০ কোটি টকা ধাৰ্য কৰিছে। সেয়েহে পোনা উৎপাদন কেন্দ্ৰ, সজাত মীন পালন, পূৰ্ণচক্ৰীয় জল সংবৰ্ধন আদি উন্নত পদ্ধতিৰে এগৰাকী সফল মীনপালক হ'ব পাৰে। অৱশ্যে এই ক্ষেত্ৰত প্ৰয়োজনীয় আন্তঃগাঁথনিৰ লগতে জনসচেতনতাৰো প্ৰয়োজন। এইখিনিতে উল্লেখ কৰাটো ভাল হ'ব যে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY), মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত কৃষক ৰাইজৰ উপযোগীকৈ বহু আঁচনি আছে। চৰকাৰী বিভাগীয় বিষয়াৰ সৈতে যোগাযোগ কৰিলে অধিক তথ্য পোৱা যাব।

ৰেছম উদ্যোগক দুখীয়া-নিচলাৰ অৰ্থ উপাৰ্জনৰ এক উপায় হিচাপে গণ্য কৰা হয়। অতি কম মূলধনেৰে আৰম্ভ কৰিব পৰা যায়, বিশেষ অৰ্হতাৰো প্ৰয়োজন নাই। এই ক্ষেত্ৰত নগাঁও জিলাৰ জাজৰিক অসমৰ দ্বিতীয় শুৱালকুছি বুলিও ক'ব পৰা যায়। আহোম ৰাজত্বৰ পৰাই এই অঞ্চলত প্ৰায় ৪০ শতাংশ লোক বয়ন-শিল্পৰ সৈতে জড়িত হৈ আছে। তথ্য অনুসৰি এগৰাকী শিপিনীয়ে মাহত প্ৰায় ৩-৪ যোৰ পৰ্যন্ত পাটৰ কাপোৰ ব'ব পাৰে। হস্ততাঁত আৰু বয়নশিল্পক সমানে আগবঢ়াই নিলেহে অসমত এক

বৰ্তমান পৰিস্থিতিত সবাতোকৈ ক্ষতিগ্ৰস্ত হৈছে পৰ্যটন উদ্যোগ। প্ৰাকৃতিক সম্পদেৰে চহকী ৰাজ্যখনে পৰ্যটন ক্ষেত্ৰত কিছু নতুন নীতি-নিয়মেৰে আগবাঢ়িব পাৰে। এই ক্ষেত্ৰত আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ ভূটানে লোৱা সিদ্ধান্তই সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিছে। এই নীতি অনুসৰি দেশখনত প্ৰৱেশ কৰিবলৈ প্ৰতিজন লোকে পূৰ্বতকৈ এক বুজন পৰিমাণৰ প্ৰৱেশ মূল্য দিব লাগিব। তদুপৰি থকা, খোৱা-লোৱা আদিৰ বাবদো খৰচ বৃদ্ধি পাব। এই নীতিৰ উদ্দেশ্য হৈছে কমসংখ্যক পৰ্যটকৰ দ্বাৰা অধিক উপাৰ্জন কৰা। ইয়াৰ জৰিয়তে লাভ হ'ব পৰিৱেশ সংৰক্ষণ আৰু পৰ্যটকক উন্নত মানৰ সেৱা প্ৰদান। মেঘালয়, মিজোৰাম চৰকাৰেও এই ক্ষেত্ৰত চিন্তা-চৰ্চা কৰিছে। অসমৰ ক্ষেত্ৰত অৱশ্যে কাজিৰঙাতেই অধিক ভিৰ হয়। সেয়েহে কাজিৰঙাৰ উপৰি অন্যান্য পৰ্যটনৰ ক্ষেত্ৰসমূহৰ উন্নয়নতো গুৰুত্ব আৰোপ কৰিব লাগিব, লগতে 'ইক'ট্যুৰিজিম'ৰ ধাৰণাৰে আগবাঢ়ি আহিব লাগিব স্থানীয় যুৱক-যুৱতীসকল।

শেষত ক'ব বিচাৰো ৰাজ্যত আছে অফুৰন্ত সম্পদ আৰু সম্ভাৱনা। সেয়েহে প্ৰত্যাহ্বানক সুযোগলৈ ৰূপান্তৰিত কৰিব পাৰিব লাগিব। গান্ধীজীয়ে যিদৰে কুটীৰ শিল্প, গ্ৰামোদ্যোগ তথা ক্ষুদ্ৰ উদ্যোগৰ জৰিয়তে 'স্বৰাজ' নিৰ্মাণৰ সপোন দেখিছিল, ঠিক তেনেদৰে বৰ্তমান সময়তো যেন 'আত্মনিৰ্ভৰ অসম' গঢ়াৰ সুবৰ্ণ সুযোগ আমাৰ মাজলৈ আহিছে। সেয়েহে আত্মবিশ্বাস, নিষ্ঠা আৰু সততাক মূলধন হিচাপে লৈ আগবাঢ়িলে যিকোনো ক্ষেত্ৰতেই সফলতা নিশ্চিত। ❐❐

লেখিকা ঃ জ্যেষ্ঠ পশু চিকিৎসা বিষয়া, অসম চৰকাৰ

কৃষি আৰু পশুধনৰ লগত সমন্বিত মীনপালন কৌশল

এক আলোকপাত

ড° ধ্রুৱজ্যোতি শর্মা

মীনপালনক কোৱা হয় সূর্যোদয় খণ্ড। কৃষিখণ্ডৰ অন্তর্গত সকলো কাম-কাজতকৈ ইয়াত তুলনামূলকভাৱে কম মূলধন বিনিয়োগেৰে অধিক লাভ পাব পাৰি। তেনে এক পটভূমিত সমন্বিত মীনপালন কৌশল অতি লাভজনক আৰু ফলপ্রসূ ব্যৱস্থা। ক্রমবর্ধমান জনসংখ্যা বৃদ্ধি, নগৰীকৰণ, ঔদ্যোগীকৰণ, কৃষিভূমিৰ অৱক্ষয়, প্রাকৃতিক দুর্যোগ আদিৰ বাবে দ্রুতগতিত জনমুৰি কৃষিভূমি হ্রাস পাই অহাৰ সমান্তৰালভাৱে সমন্বিত মীনপালন কৌশলৰ গুৰুত্বও ক্রমাৎ বৃদ্ধি পাবলৈ ধৰিছে। দেশৰ কৃষি বিপ্লৱৰ জনক ড° এম এছ স্বামীনাথনেও সেয়েহে কৃষিখণ্ডত মীনপালনৰ সমন্বয়ত গুণিতক উৎপাদনৰ পোষকতা কৰিছে। সমন্বিত মীনপালন কৌশল থাইলেণ্ড, ইণ্ডোনেছিয়াকে আদি কৰি সমগ্র দক্ষিণ-পূব এছিয়া আৰু চীনদেশত বহুলভাৱে জনপ্রিয় প্রযুক্তি। এই দেশসমূহত সমন্বিত মীনপালন কৌশল বিশেষকৈ পশুধনৰ লগত সমন্বিতভাৱে মীনপালন কৃষক সমাজৰ মাজত বাৰুকৈয়ে গ্রহণযোগ্য আৰু সম্প্রসাৰিত হৈছে। দেশৰ অর্থনৈতিক বুনিয়াদত ইয়াৰ বৰঙনি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কৃষিপ্রধান ৰাজ্য আমাৰ অসমতো সমন্বিত মীনপালন কৌশলৰ প্রাসংগিকতা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। এই কৌশলত একেলগে একে সময়তে একাধিক ফচল পোৱাৰ সুযোগ থাকে। অৱশ্যে সমন্বিত মীনপালন কৌশল যথেষ্ট শৃংখলাবদ্ধ আৰু বৈজ্ঞানিক পৰিক্রমা। দুটা বা তাতোধিক কৌশলৰ মাজত সমন্বয় সাধন কৰোতে চাব লাগিব যাতে সকলোখিনি যেন নির্দিষ্ট নীতি-নিয়ম, বিধি-বিধান আৰু হিচাপ-নিকাচৰ আওতাৰ মাজেৰে সমাপিত হয়। সচৰাচৰ কৃষি কার্য আৰু পশু-পক্ষী পালনৰ লগত মীনপালনৰ সমন্বয় কৰা হয়।

সমন্বিত মীনপালন কৌশলত ভূমিৰ সঠিক ব্যৱহাৰ হয়। সাধাৰণতে পুখুৰী এটা খান্দোতে প্রায় ৩০ শতাংশ ভূমি পাৰটোত খৰচ হয়, গতিকে পাৰটোত উদ্যান শস্য বা পশু-পক্ষীৰ গঁৰাল বনাই অধিক উৎপাদনৰ বাবে ব্যৱহাৰ সম্ভৱপৰ কৰিব পাৰি। পশু-পক্ষী পালনৰ লগত সমন্বয়ৰ ক্ষেত্রত জীৱদেহৰ জৈৱিক আৱর্জনাখিনিৰ সদ্ব্যৱহাৰ কৰি মীনপালন কৰা হয় বাবে ইয়াত মাছৰ বাবে কোনো খাদ্য, সাৰ (জৈৱিক আৰু অজৈৱিক) দিয়াৰ প্রয়োজন নহয়। ফলত উৎপাদন ব্যয় যথেষ্ট হ্রাস পায়।

পশু-পক্ষী আৰু কৃষি কার্যৰ লগত বিভিন্ন সমন্বিত মীনপালন কৌশল উদ্ভাৱিত হৈছে যদিও আমাৰ ৰাজ্যখনৰ পটভূমিত নিম্নোক্ত ছয়টা কৌশলেই বিশেষ গ্রহণযোগ্য বুলি বিবেচিত হৈছে।

ক) সমন্বিত গাহৰি আৰু মীনপালন।

খ) সমন্বিত হাঁহ আৰু মীনপালন।

গ) সমন্বিত কুকুৰা আৰু মীনপালন।

ঘ) তিনি তৰপীয়া সমন্বিত কুকুৰা, গাহৰি আৰু মীনপালন।

ঙ) সমন্বিত ধান আৰু মীনপালন।

চ) সমন্বিত উদ্যানশস্য আৰু মীনপালন।

এই খিনিতে উল্লেখ কৰিব বিচাৰো যে পশু-পক্ষীৰ লগত মীনপালনৰ সমন্বয়ৰ দৰে কৃষিকার্যৰ লগত মীনপালনৰ সমন্বয়ো আন এটা যোগাত্মক পদক্ষেপ। কিয়নো শতকৰা আশীজন লোকেই কৃষিকার্যৰ ওপৰত নির্ভৰশীল আমাৰ ৰাজ্যখনত কৃষিখণ্ডত গুণিতক উৎপাদনেহে বাস্তৱ ভিত্তিত কৃষিক অধিক লাভজনকভাৱে গঢ়ি তুলিব পাৰে। কৃষিকার্যৰ দ্রুত ব্যয় বৃদ্ধি, কৃষি ভূমিৰ সংকোচন আৰু অৱক্ষয়ৰ লগত ফেৰ মাৰিবলৈ সমন্বিত কৃষি আৰু মীনপালনৰ বিকল্প নাই। এই প্রসংগতে উল্লিখিত সমন্বিত মীনপালন কৌশলকেইটাৰ ইতিবাচকতাত এভুমুকি মাৰোহক।

সমন্বিত গাহৰি আৰু মীনপালন ঃ

ক) প্রত্যক্ষ আৰু পৰোক্ষভাৱে সমন্বয় কৰা এনে কৌশলত একেখন ক্ষেত্রৰ পৰা মাছ আৰু মাংস একেলগে পাব পাৰি।

খ) মাছৰ বাবে পৰিপূৰক খাদ্য, সাৰ (জৈৱিক আৰু অজৈৱিক) আদি প্রয়োগৰ প্রয়োজন নহয়।

গ) গাহৰিৰ মলত থকা এবিধ অন্ত্রীয় এনজাইমে পানীৰ উৎপাদিকা শক্তি বৃদ্ধি কৰি মাছৰ শ্রীবৃদ্ধি ঘটায়। তদুপৰি গাহৰিৰ মলত থকা অজীর্ণ খাদ্যখিনি মাছে পোনপটীয়াকৈ ভক্ষণ কৰে।

ঘ) সচৰাচৰ মেলিব পৰা ঘনত্বতকৈ অধিক ঘনত্বত মাছ মেলিব পাৰি।

ঙ) পামৰ সামগ্রিক আয় বৃদ্ধি হয়।

সমন্বিত হাঁহ আৰু মীনপালন ঃ

ক) স্থিৰ বা ভাসমান গঁৰাল পদ্ধতিত সমন্বয় কৰা এই কৌশলত একে ঠাইৰ পৰা একেলগে মাছ, মাংস আৰু কণী পোৱাটো সম্ভৱ।

খ) হাঁহৰ গঁৰালটো পুখুৰীৰ ওপৰতে সজা হয় বাবে একেডৰা মাটি আৰু পানীত দুয়োটা পালন সম্ভৱ।

গ) হাঁহে যথেষ্টখিনি খাদ্য পুখুৰীৰ পৰাই সংগ্রহ কৰে। সেয়েহে অপেক্ষাকৃতভাৱে কম খাদ্য দিলেই হয়।

ঘ) মাছৰ বাবে কোনো পৰিপূৰক খাদ্য বা জৈৱিক তথা অজৈৱিক সাৰ প্রয়োগৰ প্রয়োজন নহয়। ফলত নিম্ন ব্যয়ত মাছ উৎপাদন হয়।

ঙ) হাঁহে পুখুৰীত সাঁতোৰাৰ ফলত দ্রবীভূত অম্লজানৰ পৰিমাণ বৃদ্ধি পায় আৰু মাছৰ বৃদ্ধি খৰতকীয়া হয়।

সমন্বিত কুকুৰা আৰু মীনপালন ঃ

ক) প্রত্যক্ষ বা পৰোক্ষভাৱে কৰা এই সমন্বয়ত একেখন ঠাইৰ পৰা মাছ, মাংস আৰু কণী একেলগে পোৱা হয়।

খ) মাছৰ বাবে কোনো পৰিপূৰক খাদ্য, জৈৱিক সাৰ আৰু অজৈৱিক সাৰ প্রয়োগৰ প্রয়োজন নহয়।

গ) কুকুৰাৰ খাদ্যৰ অৱশিষ্টখিনি মাছৰো খাদ্য হয়।

ঘ) পামৰ সামগ্রিক উৎপাদন আৰু আয় বৃদ্ধি হয়।

সমন্বিত তিনি তৰপীয়া কুকুৰা, গাহৰি আৰু মীনপালন ঃ

ক) একে স্থানৰ পৰা একে সময়তে মাছ, মাংস আৰু

কণীৰ উৎপাদন পোৱা যায়।

খ) গাহৰি আৰু কুকুৰা পালনৰ বাবে প্ৰয়োজনীয় পানী থাউকতে পোৱা যায়।

গ) কুকুৰাৰ মল গাহৰিক যোগান ধৰা হয় বা গাহৰিক দিবলগীয়া খাদ্যৰ পৰিমাণ ৫০ শতাংশ হ্ৰাস কৰিব পাৰি।

ঘ) পামৰ সামগ্ৰিক উৎপাদন আৰু আয় বৃদ্ধি হয়।

সমন্বিত ধান আৰু মীনপালন ঃ

ক) একেডৰা ধাননি পথাৰৰ পৰা ধান আৰু মাছ দুয়োটাৰে উৎপাদন পোৱা হয়।

খ) ইয়াত খেতিৰ মাটি বিলুপ্ত নকৰাকৈ ধান আৰু মাছ পোৱা যায়।

গ) মাছে ধানৰ গুৰি খুচৰি পুষ্টিদ্ৰব্যখিনি ধানৰ বাবে গ্ৰহণযোগ্য কৰি তোলে। তদুপৰি মাছে ধানৰ বাবে অপকাৰী কীট-পতংগ, পোক-পৰুৱা আদি ভক্ষণ কৰি কীটনাশক প্ৰয়োগৰ প্ৰয়োজন হ্ৰাস কৰি তোলে।

ঘ) পামৰ সামগ্ৰিক উৎপাদন আৰু আয় বৃদ্ধি হয়।

ঙ) মাছে পথাৰৰ অপতৃণ নিয়ন্ত্ৰণ কৰি ব্যৱস্থাপনা খৰচ হ্ৰাস কৰে।

সমন্বিত মীন আৰু উদ্যানশস্য ঃ

ক) এখন আদৰ্শ মীনপামৰ পাৰ আদিত খৰচ হোৱা ৩০ শতাংশ ভূমিত পৰিকল্পিত আঁচনিৰে উদ্যানশস্য কৰি সমগ্ৰ ভূমিখণ্ডক উপাৰ্জনমুখী কৰিব পাৰি।

খ) উদ্যানশস্যই পুখুৰীৰ খহনীয়া ৰোধ কৰি পামৰ আয়ুস বৃদ্ধি কৰাৰ লগতে পুখুৰীৰ পানীৰ আবিলতা হ্ৰাস কৰে।

গ) উদ্যান শস্যই পামখনক জীৱ-জন্তু, চোৰ আদিৰ পৰা নিৰাপত্তা প্ৰদান কৰাৰ উপৰি জৈৱিক বেৰৰ কাম কৰে।

ঘ) গ্ৰাছকাৰ্প আদি তৃণভোজী মাছৰ খাদ্য পামখনৰ পৰাই উপলভ্য হয়।

ঙ) পুখুৰীৰ অপসাৰিত গেদ আৰু বোকাই উদ্যানশস্যক পুষ্টিদ্ৰব্য যোগান ধৰে।

চ) উদ্যান শস্যৰ বাবে প্ৰয়োজনীয় পানী পুখুৰীৰ পৰা পোৱা যায়। মীনপালনত পুখুৰীৰ পানীত তুলনামূলকভাৱে বেছি পুষ্টিগুণ থাকে।

ছ) পামৰ শোভাবৰ্ধন হোৱাৰ লগতে সামগ্ৰিক উৎপাদন আৰু আয় বৃদ্ধি হয়। উক্ত দিশসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি আপুনিও সমন্বিত মীনপালনৰ পৰা লাভৱান্বিত হ'ব পাৰে। ❐❐

‘ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ’ আঁচনি

এটি সপোনৰ আৰম্ভণি

আ
লে
খ্য

গীতাঞ্জলি বৰকটকী

টং টংকৈ ঘড়ীটোৱে ছয় বজাৰ সংকেত দিলে। বকুলে ঘড়ীটোলৈ চাই খৰধৰ কৰিবলৈ ধৰিলে। বাছখন ধৰিব নোৱাৰিলে বৰ অসুবিধা হ’ব। গাঁৱত বহির্বিশ্বৰ সৈতে যোগাযোগ ব্যৱস্থা হিচাপে কেৱল বাছ দুখনেই আছে। এখন পুৱা চাৰে ছয় বজাত গুৱাহাটী অভিমুখে যাত্রা কৰে আৰু আনখন সাত বজাত যায়। বকুলে প্রথম বাছখন ধৰিব নোৱাৰিলে তাৰ গুৱাহাটীলৈ যোৱাৰ উদ্দেশ্য পূৰণ নহ’ব। ইপিনে মানস ককাইদেউ তাৰ বাবে কাম খতি কৰি ৰৈ থাকিব। কথাখিনি মনতে ভাবি ভাবি সি মাকে যতনাই দিয়া জলপানখিনি নাকে-কাণে গুজি বাছখন ধৰিবলৈ খোজ পোনালে। আজি কেইবাদিন ধৰি একেলেথাৰিয়ে বৰষুণ দি থকাৰ অন্তত আজি ৰ’দচেৰেঙাই ভুমুকি মাৰিছে। সেইবাবে পৰিৱেশটো মুকলি মুকলি লাগিল তাৰ। বকুলে নামঘৰটোৰ সন্মুখেৰে পাৰ হৈ যাওঁতে মনে মনে সেৱা এটা কৰিলে — প্রভু চকু মেলি চাবা। যি কামৰ বাবে ওলাইছোঁ সেই কামটো যাতে সফল হয়।

বকুলৰ ঘৰ গুৱাহাটীৰ পৰা প্রায় ডেৰশ কিলোমিটাৰ নিলগৰ এখন ভিতৰুৱা গাঁৱত। সৰুতে দেউতাক ঢুকুৱাৰ পিছত মাকে আৰ-তাৰ ঘৰত কাম-বন কৰি বৰ কষ্টৰে তাক ডাঙৰ-দীঘল কৰিছে। ঘৰখন চলোৱাৰ লগতে তাকো পঢ়ুৱাইছে। এইবাৰ সি মেট্রিক পাছ কৰিছে। ডাঙৰ হৈ অহাৰ লগে লগে সি উপলব্ধি কৰিবলৈ ধৰিছে কিদৰে মাকে কপালৰ ঘাম মাটিত পেলাই তাৰ বাবে দিন-ৰাতি একাকাৰ কৰিছে। সেইবাবে সি আজিকালি মাকৰ কষ্টনো কিদৰে লাঘৱ কৰিব পাৰি তাৰেই চিন্তা কৰি থাকে। আজিকালি মাকৰো ইটো-সিটো বেমাৰ লাগি থকা হৈছে। কিন্তু কিবা কৰিব খুজিও সি একো উৰাদিহ পোৱা নাই।

কেইদিনমান আগতে মানস আহিছিল সিহঁতৰ ঘৰলৈ। সিহঁতৰ গাঁৱৰে ল’ৰা মানস গুৱাহাটীত থাকে। বকুলৰ প্রতি তাৰ কিবা এটা মৰম থকা বাবে সি ঘৰলৈ আহিলেই সিহঁতৰ ফালেও এপাক মাৰেই। বকুলহঁতৰ সৈতে মানসৰ কোনো তেজৰ সম্পর্ক নাই যদিও সিহঁতৰ দৈন্য অৱস্থা দেখি আৰু বকুল ল’ৰাটোৰ অমায়িক

স্বভাৱটো ভাল পাই সি সিহঁতৰ ঘৰলৈ পাক এটা নমৰাকৈ গুৱাহাটীলৈ উভতি নাযায়। বকুল পঢ়া-শুনাতো ভাল বাবে তাক গাঁৱৰ সকলোৱেই ভাল পায় আৰু সহায় কৰে। মানসেও তাক টকা-পইচা দি সহায় কৰাৰ লগতে অংক আৰু বিজ্ঞানৰ সি বুজাত টান পোৱা জটিল পাঠবোৰ শিকায়হি। এইবাৰো মানসে তাৰ হাতত টকাকেইটামান গুজি দি বিজ্ঞানৰ পাঠ এটা উলিয়াই বুজাবলৈ ধৰিলে। তাক পঢ়াই থকাৰ মাজতে মাকে সিহঁতলৈ চাহ আনিলে, লগত মানসে অনা মিঠাই। চাহ খাই ইটো-সিটো কথা পাতি থকাৰ মাজতে এবাৰ মানসে বকুলৰ মাকক ক'লে — খুৰী, আপোনালোকৰ ঘৰৰ পিছফালে থকা মাটিখিনিতো এনেয়েহে পৰি আছে। যি দুই-এপদ শাক-পাচলি লগায় তাৰ পৰাতো একো লাভ হোৱা নাই। সেই মাটিখিনিতে এটা পুখুৰী খান্দি মাছ পুহিব পাৰে দেখোন। তাৰ পৰা আপোনালোকৰ এটা উপার্জনৰ বাট মুকলি হ'ব। কিমাননো আপুনি আৰু আনৰ ঘৰে ঘৰে কাম কৰি ফুৰিব। তদুপৰি কেইদিনমান পিছলৈ বকুলৰ পঢ়াৰ খৰচো বাঢ়ি যাব।

মাকে ক'লে ঃ হওঁতে তই ভাল কথাকে কৈছ। তাৰ পৈত্রিক সম্পত্তি বুলিবলৈ মাটিকণ আছে বাৰু, কিন্তু এসাজ খাই আনসাজৰ বাবে চিন্তা কৰিবলগীয়া আমাৰ দৰে মানুহে পুখুৰী খান্দিবলৈ ইমান টকা পাম ক'ৰ পৰা?

মানসে ক'লে ঃ খুৰী, আপুনি সেইবোৰ একো চিন্তা নকৰিব। আজিকালি চৰকাৰে আপোনালোকৰ দৰে মানুহৰ বাবে বহুতো আঁচনি দিছে নহয়। নিজৰ মাটি থাকিলে পুখুৰী খান্দি মাছ পুহিবলৈও চৰকাৰে এখন সুন্দৰ আঁচনি আগবঢ়াইছে।

ঃ অ' হয় নেকি? আমি সেইবোৰ একো ভু নাপাওঁ নহয়।

ঃ শুনক। মই কওঁ। মাছ উৎপাদনৰ বাবে বহুতো সুবিধা আছে যদিও আমাৰ ৰাজ্যখনে এতিয়াও আন ৰাজ্যৰ পৰা মাছ আমদানি কৰিবলগীয়া হৈ আছে। সেয়েহে মৎস্য উৎপাদনৰ ক্ষেত্রত ৰাজ্যখনক আত্মনির্ভৰশীল কৰি তুলিবলৈ ৰাজ্য চৰকাৰৰ মীন বিভাগে 'ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ' নামৰ এখন আঁচনি ৰূপায়ণ কৰি আছে। এই আঁচনিৰ অধীনত পুখুৰী খন্দাৰ বাবে প্রয়োজনীয় ধনৰ ৮০ শতাংশ প্রদান কৰিব চৰকাৰে আৰু বাকী ২০ শতাংশ বহন কৰিব লাগিব হিতাধিকাৰীয়ে। তাৰ পিছত মাছৰ খাদ্য আৰু অন্যান্য নিয়মীয়া খৰচৰ ৫০ শতাংশ ধন মুখ্যমন্ত্রীৰ সমগ্র গ্রাম্য উন্নয়ন যোজনাৰ যোগেদি প্রদান কৰা হ'ব। বাকীখিনি হিতাধিকাৰীয়ে বহন কৰিব লাগিব। এই আঁচনিখনত প্রতি হেক্টৰ মাটিত পুখুৰী খন্দাৰ বাবদ সাত লাখ টকা আৰু মাছৰ খাদ্য আদি পৌণঃপৌণিক ব্যয়ৰ বাবদ ১.৫ লাখ টকাকৈ ধার্য কৰা হৈছে।

মানসৰ কথাখিনি বকুলৰ মাকৰ বেয়া নালাগিল।

মানসে ক'লে ঃ পুখুৰী খান্দি মীনপালনেৰে পৰিয়ালৰ আয় বৃদ্ধি কৰাৰ বাবে যুগুত কৰা এই আঁচনিৰ জৰিয়তে প্রায় ১৮১১ হেক্টৰ নতুন পুখুৰী খননেৰে অসমত মৎস্য উৎপাদনৰ সম্ভাৱনাক সঁচা ৰূপ দিবলৈ বিচাৰিছে চৰকাৰে।এই আঁচনিখনৰ জৰিয়তে দহ হাজাৰগৰাকী হিতাধিকাৰী উপকৃত হ'ব। এই ব্যৱসায়ত যাতে কৃতকার্য হ'ব পাৰে তাৰ বাবে তেওঁলোকক পাঁচদিনীয়া প্রশিক্ষণ প্রদানৰ লগতে ক্ষেত্র পৰিদর্শনৰো ব্যৱস্থা কৰা হ'ব।

মানসৰ কথাত বকুলৰ মাকৰ মুখখন উজলি উঠিল। তেওঁ ক'লে — অ' আই, চৰকাৰে ইমানবোৰ সুবিধা দিছে আৰু আমি গমেই নাপাওঁচোন। আজি তই এইখিনি ক'লি বুলিহে। এতিয়া বকুলো ডাঙৰ হৈছে। সি পঢ়া-শুনাৰ লগতে এইবোৰ কামতো লাগি দুপইচা আর্জন কৰিব পাৰিব। পুখুৰী খান্দোতে গাঁৱৰ ডেকামখায়ো নিশ্চয় সহায় কৰিব, নহয়নে মানস?

ঃ কিয় নকৰিব খুৰী। মই সকলোকে কৈ দিম নহয়। তাৰ পৰীক্ষালৈতো আৰু বেছিদিন নাই, পৰীক্ষাটো ভালে ভালে হৈ যাওক। তাৰ পিছত এদিন তাক গুৱাহাটীলৈ পঠিয়াই দিব। মই তাক গুৱাহাটীৰ মীন বিভাগৰ কার্যালয়লৈ লৈ যাম আৰু এই আঁচনিৰ সুবিধা পাবৰ বাবে যিবোৰ কৰিব লাগে সেইবোৰ কৰাৰ ব্যৱস্থা কৰিম।

ইমানপৰে দুয়োৰে কথোপকথন শুনি থকা বকুলে মাত লগালে ঃ মানসদাই বৰ ভাল কথাকে কৈছে মা। মোৰ পৰীক্ষাটো শেষ হ'লেই মই গুৱাহাটীলৈ গৈ মানসদাক লগ ধৰিম আৰু এই আঁচনিখনৰ সুবিধা পাবৰ বাবে কৰিবলগীয়াখিনি দুয়ো একেলগে কৰিম।

মানসে বকুলক উৎসাহ যোগাই যাবলৈ ওলাল। বকুল আৰু মাকে মানসক পদূলিলৈকে আগবঢ়াই দিলে।

ঘূৰি আহি বকুলে সিহঁতৰ পিছফালৰ মাটিখিনি এপাক চাই আহিল। তাৰ মনত এটা সপোনে গজালি মেলিলে। সি ভাবিলে — এইখিনিতে পুখুৰীটো হ'লে তাত পালন কৰা মাছ বিক্রী কৰি দুপইচা পাম আৰু আমাৰ অৱস্থা নিশ্চয় ভাল হ'ব। মাই আৰু কষ্ট কৰি কাম কৰিব নালাগে। মই ভৱিষ্যতলৈ হয়তো মৎস্য পালনেৰেই স্বাৱলম্বী হ'ব পাৰিম, আন ল'ৰাৰ দৰে চাকৰিৰ পিছত দৌৰিব নালাগে।

বকুলে হাতত পিন্ধি থকা ঘড়ীটোলৈ চাই খোজৰ গতি খৰ কৰিলে। দূৰৈৰ পৰাই চ'কত বাছখন বৈ থকা দেখি তাৰ মনটো ভাল লাগিল। তাৰ মনত সপোনটো পুনৰ সজীৱ হৈ উঠিল। ❐❐

ভ্রাম্যভাষ ঃ ৮৬৩৮৫২২৩৮৫

জ্ঞানৰ এক সুস্থ বাতাৱৰণ সৃষ্টিৰ লক্ষ্যৰে অনুষ্ঠিত হ'ল 'জনতাৰ চৰকাৰ MyGov Assam' ৰ 'জ্ঞান ভাৰতী ইণ্ডিয়া কুইজ ২০২০'

ছাত্ৰ-ছাত্ৰীকে ধৰি জনতাৰ মাজত জ্ঞানৰ এক সুস্থ পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে দেশৰ ৭৪তম স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি উক্ত দিনা 'ভাৰতৰ চৰকাৰ My Gov Assam ৰ উদ্যোগত অনলাইনযোগে অনুষ্ঠিত হৈ যায় 'জ্ঞান ভাৰতী ইণ্ডিয়া কুইজ ২০২০'। ২০১৭ চনৰ ১৫ আগষ্টৰ পৰা ধাৰাবাহিকভাৱে সদৌ অসম ভিত্তিত আয়োজন কৰি অহা এই মুকলি কুইজ প্ৰতিযোগিতাখনি এইবাৰ চতুৰ্থবাৰৰ বাবে অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে এইবাৰ ক'ভিড-১৯ৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত উদ্ভৱ হোৱা জটিল পৰিস্থিতিৰ বাবে সকলোৰে স্বাস্থ্য সুৰক্ষাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি অনলাইনযোগে এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাৰ বাবে ১১ আগষ্টৰ সন্ধিয়া ৬ বজাৰ ভিতৰত পঞ্জীয়ন প্ৰক্ৰিয়া আৰু ১২ আগষ্টৰ দিনা অনলাইনযোগে প্ৰাৰম্ভিক পৰ্যায়ৰ প্ৰতিযোগিতা সম্পন্ন হৈ যায়। 'জ্ঞান ভাৰতী ইণ্ডিয়া কুইজ ২০২০' ত অংশগ্ৰহণৰ বাবে ১৫০ টা দলে পঞ্জীয়ন কৰে। কুইজ মাষ্টাৰ আশুতোষ দাসে পৰিচালনা কৰা এই কুইজ প্ৰতিযোগিতাখনিৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা মুঠ ৬টা দলক চূড়ান্ত পৰ্যায়ৰ প্ৰতিযোগিতালৈ বাছনি কৰা হয়। প্ৰতিযোগিতাখনি পৰিচালনা কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়ায় আয়ুষ্মান দেৱৰাজ, কৌশিক বৰঠাকুৰ, স্নেহাশিস পৰাশৰ, প্ৰবিতজ্যোতি কলিতা, দাদুল দাস আৰু ৰাহুল চক্ৰৱৰ্তীয়ে। এই প্ৰতিযোগিতাত সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনেৰে প্ৰথম স্থান দখল কৰে কুমাৰ শিৰম, জ্যোতিষ কলিতা আৰু সায়ন্তন শইকীয়াৰ দলে। দ্বিতীয় স্থান দখল কৰে অক্ষয় শীল, ধৰ্মৰাজ যোশী আৰু শাক্য শমীকৰ দলে আৰু তৃতীয় স্থান দখল কৰে অভিনৱ দাস, ৰাজিবুল আৱাল আৰু মুনীন্দ্ৰ নাথ হাজৰিকাৰ দলে।

চূড়ান্ত পৰ্যায়লৈ নিৰ্বাচিত হোৱা আন তিনিটা দল ক্ৰমে দুশ্যন্ত মাধৱ শৰ্মা, ভাৰ্গৱ শইকীয়া আৰু ৰাজীৱ গোস্বামীৰ দল, অশ্বিনী কুমাৰ শৰ্মা, সুৰজজ্যোতি চাংকাকতি আৰু মলয় দাসৰ দল আৰু ঋতুৰাজ শৰ্মা, বাসৱ ৰঞ্জন দাহাল আৰু অম্লান সৰকাৰৰ দল।

চূড়ান্ত পৰ্যায়ৰ প্ৰতিযোগিতাখনি MyGov Assamৰ ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহৰ জৰিয়তে পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়। ❐❐

নৰসিংহৰ উপকাৰিতা

সুল্লভী ফুকন

নৰসিংহ এবিধ সেউজীয়া জোপোহা জাতীয় গছ। আমাক সকলোৰে ঘৰৰ বাৰীত নৰসিংহ অতি সহজতে হয়। ইয়াৰ গছ মাটিৰ পৰা ৪ মিটাৰ পৰ্যন্ত ওখ হয়। পাতবিলাক সেউজীয়া। ইয়াৰ বৈজ্ঞানিক নাম Murraya Koeningii (Linn)। ইয়াৰ গোত্ৰ হৈছে। Rutaceae....

নৰসিংহৰ ঔষধি গুণসমূহ—

— নৰসিংহ পাতৰ আঞ্জা কৰি খালে সোৱাদ লাগে। ই বিৰাট পুষ্টিকৰ।

— নৰসিংহৰ পাতত প্ৰচুৰ পৰিমাণে কেলচিয়াম থাকে। গতিকে দাঁত আৰু হাঁড় সবল আৰু শক্তিশালী হয়।

— কুকুৰীকণা ৰোগত আক্ৰান্ত ব্যক্তিয়ে নৰসিংহ পাতৰ ৰস খালে উপকাৰ পায়।

— পেটৰ বিষত ই সুফলদায়ক।

— ডায়েৰিয়া, গ্ৰহণী আদি পেটৰ বিভিন্ন ৰোগত নৰসিংহ সুপথ্য।

— বহুমূত্ৰ ৰোগতো ই উপকাৰী।

— ছাল নিমজ কৰিবলৈ নৰসিংহ পাতৰ ৰস শৰীৰত লগাব লাগে।

— গৰ্ভৱতী আৰু প্ৰসূতি মাতৃসকলক পাতৰ ৰস আঞ্জা কৰি খুৱাব লাগে। ই তেজ বৃদ্ধি কৰাত সহায়ক।

— ই হজম শক্তি বৃদ্ধি কৰাৰ লগতে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে।

— কোষ্ঠকাঠিন্যত নৰসিংহ উপকাৰী।

— অৰ্শ ৰোগীক নৰসিংহ পাতৰ ৰস খুৱাব লাগে। ❐❐



ঘামচি হ'লে কি কৰিব

গৰমৰ দিনত শিশুৰ পৰা বৃদ্ধলৈ ঘামচি হোৱা পৰিলক্ষিত হয়। সাধাৰণতে দেহৰ ছাল খহটা হ'লেই ঘামচি ওলায়। ৰ'দত বেছিকৈ ঘুৰিলে, বহু সময় ধৰি শৰীৰৰ ঘাম বাহিৰ হ'লে, কাপোৰ টানকৈ লাগি থাকিলে (গৰমৰ দিনত) ঘামচি বেছিকৈ হয়। ছাল অপৰিষ্কাৰ হ'লেও ঘামচি হয়। ঘামচি হ'লে গাৰ ছালত ফোঁহা হয় (সৰু-ডাঙৰ) আৰু খজুৱতী হয়। ই কোনো ৰোগ নহয়। বতৰৰ পৰিৱৰ্তনৰ ফলত ঘামচি হয় আৰু ঠাণ্ডা পৰাৰ লগে লগে ঘামচি নোহোৱা হৈ ছালৰ অৱস্থা স্বাভাৱিক হৈ পৰে। ঘামচি হ'লে প্ৰচুৰ

পৰিমাণে পানী খোৱাৰ লগতে সঘনাই স্নান কৰিব লাগে। মহানিমৰ পাতেৰে স্নান কৰিব লাগে। গোলনেমুৰ ৰস ঘামচি হোৱা ঠাইত লগালে ঘামচি নাইকিয়া হয়। ❐❐

জনস্বাস্থ্য কাৰিকৰী বিভাগত অভিযন্তাৰ ৮৭টা পদ

অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগত খালী হোৱা সহকাৰী অভিযন্তাৰ ৮৭ টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। এই পদসমূহৰ ভিতৰত আছে চিভিল ২১টা, মেকানিকেল ৭ টা, ইলেক্ট্ৰিকেল ১ টা আৰু কেমিকেল ১ টা পদ। আৱেদনকাৰী প্ৰাৰ্থী চিভিল, মেকানিকেল, ইলেক্ট্ৰিকেল অথবা কেমিকেল বিভাগৰ অভিযান্ত্ৰিক ডিগ্ৰীধাৰী হোৱা হ'ব লাগিব। প্ৰাৰ্থীৰ অসমীয়া/বাংলা/বড়ো ভাষাৰ জ্ঞান থকাটো বাঞ্ছনীয়। চলিত বৰ্ষৰ ১ জানুৱাৰীত প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ২১-৩৮ বছৰ। সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে বয়সৰ ঊৰ্ধ্বসীমাত ৰেহাই লাভ কৰিব। আগ্ৰহী প্ৰাৰ্থীসকলে সবিশেষ তথ্যৰ লগতে নিৰ্ধাৰিত প্ৰ-পত্ৰ ডাউনলোড কৰিবলৈ বিভাগীয় ৱেবছাইট www.apsc.nic.in চাব পাৰে। আৱেদন দাখিলৰ অন্তিম দিন ২২ ছেপ্টেম্বৰ ২০২০। প্ৰাৰ্থীসকলে যাৱতীয় নথি-পত্ৰৰ স্ব-প্ৰত্যায়িত প্ৰতিলিপিসহ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি ডেপুটী ছেক্ৰেটাৰী, এ পি এছ চি, জৰাহৰ নগৰ, খানাপাৰা, গুৱাহাটী— ৭৮১০২২ ঠিকনালৈ পঠিয়াব পাৰে। ❐❐

উদ্যোগ আৰু বাণিজ্য বিভাগত বিভিন্ন বৰ্গৰ ১৩১টা পদ

অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগত খালী হোৱা বিভিন্ন বৰ্গৰ ১৩১টা পদ পূৰণৰ বাবে ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডৰ অধ্যক্ষই বিজ্ঞাপনযোগে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আৱেদন আহ্বান কৰিছে। খালী হোৱা পদসমূহৰ ভিতৰত আছে এক্সটেনচন অফিচাৰ— ইণ্ডাষ্ট্ৰীজ, ইক'নমিক ইনভেষ্টিগেটৰ, জুনিয়ৰ এছিচষ্টেণ্ট— এইচ কিউ, ষ্টেন'গ্ৰাফাৰ— এইচ কিউ। এক্সটেনচন অফিচাৰৰ মুঠ ৮৭টা পদ পূৰণৰ বাবে প্ৰাৰ্থী কেমিকেল/ মেকানিকেল/চিভিল/ টেক্সটাইল/কম্পিউটাৰ/প্লাষ্টিক প্ৰচেছিং/ ফুড প্ৰচেছিং/ইলেক্ট্ৰনিক্স এণ্ড ইষ্ট্ৰুমেণ্টেচন ইঞ্জিনীয়াৰিং/ টেকন'লজী বিষয়ত এই আই ছি টি এৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ পৰা ডিপ্লমাধাৰী অথবা এম চি ডব্লিউ/ এম এছ ডব্লিউৰ ডিগ্ৰীধাৰী হোৱা হ'ব লাগিব। তদুপৰি কম্পিউটাৰ এপ্লিকেচনছ/ইণ্ডাষ্ট্ৰীয়েল মেনেজমেণ্ট বিষয়ত প্ৰমাণপত্ৰধাৰী হ'ব লাগিব। ইক'নমিকছ ইনভেষ্টিগেটৰৰ ২৪ টা পদৰ বাবে প্ৰাৰ্থী যিকোনো শাখাৰ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। জুনিয়ৰ এছিচষ্টেণ্টৰ ১৬ টা পদৰ বাবে প্ৰাৰ্থী যিকোনো শাখাৰ স্নাতক ডিগ্ৰীধাৰী হোৱাৰ লগতে এম এছ ৱৰ্ড আৰু এম এছ এক্সেলৰ জ্ঞান থকাটো জৰুৰী। ষ্টেন'গ্ৰাফাৰ পদৰ প্ৰাৰ্থী যিকোনো শাখাৰ স্নাতক আৰু ষ্টেন'গ্ৰাফীৰ প্ৰমাণপত্ৰধাৰী হোৱাৰ লগতে প্ৰতি মিনিটত ইংৰাজীত ৮০ টা শব্দ টাইপ কৰিব পৰা হ'ব লাগিব। যোৱা ১ জানুৱাৰী, ২০২০ ত প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮-৩৮ বছৰ। সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে বয়সৰ ঊৰ্ধ্বসীমাত ৰেহাই লাভ কৰিব। আৱেদন দাখিলৰ অন্তিম দিন ৬ ছেপ্টেম্বৰ, ২০২০। আগ্ৰহী প্ৰাৰ্থীসকলে সবিশেষ জানিবলৈ বিভাগীয় ৱেবছাইট www.slprbassam.in চাব পাৰে। ❐❐

জলসিঞ্চন বিভাগত অভিযন্তাৰ ৫৫০টা পদ

অসম চৰকাৰৰ জলসিঞ্চন বিভাগত খালী হোৱা ৫৫০টা অভিযন্তাৰ পদ পূৰণৰ বাবে অসম লোকসেৱা আয়োগে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদনপত্ৰ আহ্বান কৰিছে। এই পদসমূহৰ ভিতৰত সহকাৰী অভিযন্তাৰ পদ ১৮২ টা। ইয়াৰে চিভিল ১২৮ টা, ইলেক্ট্ৰিকেল ১৬ টা আৰু মেকানিকেল শিতানত ৩৮ টা পদ আছে। এই পদৰ বাবে প্ৰাৰ্থী এই আই চি টি ইৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ দ্বাৰা সংশ্লিষ্ট বিভাগত অভিযান্ত্ৰিক ডিগ্ৰীধাৰী আৰু ইঞ্জিনীয়াৰ্ছ ইণ্ডিয়াৰ সদস্য তথা প্ৰমাণপত্ৰধাৰী হ'ব লাগিব। আনহাতে, বাকী ১৬৮ টা পদ কনিষ্ঠ অভিযন্তাৰ। ইয়াৰে চিভিল ২৯০ টা, ইলেক্ট্ৰিকেল ১২ টা আৰু মেকানিকেল ৬৬ টা পদ আছে। এই পদসমূহৰ বাবে প্ৰাৰ্থী এছ ছি টি ইৰ স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ পৰা সংশ্লিষ্ট বিভাগত অভিযান্ত্ৰিকৰ তিনি বছৰীয়া ডিগ্ৰীধাৰী হ'ব লাগিব। যোৱা ১ জানুৱাৰীত প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮-৩৮ বছৰ। অৱশ্যে বয়সৰ ঊৰ্ধ্বসীমাত সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে ৰেহাই লাভ কৰিব। আগ্ৰহী প্ৰাৰ্থীসকলে বিজ্ঞাপন সম্পৰ্কীয় বিশদ বিৱৰণৰ লগতে প্ৰাৰ্থিত্বৰ বাবে থাকিবলগীয়া অন্যান্য চৰ্তাৱলীকে ধৰি নিৰ্ধাৰিত প্ৰ-পত্ৰ ডাউনলোড কৰিবলৈ এ পি এছচিৰ ৱেবছাইট www.apsc.nic.in চাব পাৰে। প্ৰাৰ্থীসকলে অহা ২২ ছেপ্টেম্বৰ ২০২০ ৰ ভিতৰত পোৱাকৈ ডেপুটী ছেক্ৰেটাৰী এ পি এছ চি, জৱাহৰ নগৰ, খানাপাৰা, গুৱাহাটী ৭৮১০২২ ঠিকনালৈ প্ৰেৰণ কৰিব পাৰে। ❐❐

উত্তৰ-পূব সীমান্ত ৰে'লৱেত বিভিন্ন বৰ্গৰ ৪,৪৯৯টা পদ

উত্তৰ-পূব সীমান্ত ৰে'লৱেত খালী হোৱা বিভিন্ন বৰ্গৰ ৪,৪৯৯টা পদত নিযুক্তিৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৰিক্ৰুইটমেণ্ট ব'ৰ্ডৰ অধ্যক্ষই অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন আহ্বান কৰিছে। এই পদসমূহৰ ভিতৰত কাটিহাৰ এণ্ড টি ভি এইচ ৱ'ৰ্কশ্বপত ৯৭০ টা, আলিপুৰদুৱাৰত ৪৯৩ টা, ৰঙিয়াত ৪৩৫ টা, লামডিং এণ্ড এছ এণ্ড টি ৱৰ্কশ্বপত ১,৩০২ টা, তিনিচুকীয়াত ৪৮৪টা, নিউ বঙাইগাঁও ৱৰ্কশ্বপ এণ্ড ই ডব্লিউ এছত ৫৩৯ টা আৰু ডিব্ৰুগড় ৱৰ্কশ্বপত ২৭৬টা পদ পূৰণ কৰা হ'ব। এই পদসমূহ সংশ্লিষ্ট মণ্ডলৰ মেকানিকেল, টি ভি এছ ডব্লিউ এছ-মেকানিকেল, ইলেক্ট্ৰিকেল, এছ এণ্ড টি, মাচন আদি শিতানত পূৰণ কৰা হ'ব। খালী পদসমূহৰ ভিতৰত আছে মেচিনিষ্ট, ৱেলডাৰ, ফিটাৰ, ডিজেল মেকানিক, ইলেক্ট্ৰিচিয়ান, ৰেফ্ৰিজাৰেটৰ এণ্ড এ চি মেকানিক, লাইনমেন, মাচন, কাৰ্পেণ্টাৰ, পেইণ্টাৰ ইত্যাদি। প্ৰাৰ্থীৰ ন্যূনতম শিক্ষাগত অৰ্হতা হ'ব লাগিব দশম শ্ৰেণী উত্তীৰ্ণ। অৱশ্যে সংশ্লিষ্ট ট্ৰেডত আই টি আইৰ প্ৰমাণপত্ৰধাৰী হোৱাটো বাঞ্ছনীয়। চলিত বৰ্ষৰ পহিলা জানুৱাৰীত প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৫-২৪ বছৰ। আৱেদন দাখিলৰ অন্তিম দিন ১৫ ছেপ্টেম্বৰ ২০২০। বিজ্ঞাপনৰ সবিশেষ জানিবলৈ আৰু অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ প্ৰাৰ্থীয়ে বিভাগীয় ৱেবছাইট www.nfr.indianrailways.gov.in চাব পাৰে। ❐❐

অসম চৰকাৰ

সর্বানন্দ সোণোৱাল
মুখ্যমন্ত্রী, অসম

ক'ভিড-১৯ মহামাৰী প্ৰতিৰোধৰ বাবে ৰাজ্যখনত অব্যাহত থকা
সংগ্ৰামত উল্লেখনীয় ভূমিকা লৈ ৰাইজৰ সকাহৰ অৰ্থে
অবিৰতভাৱে সেৱাত নিয়োজিত
প্ৰতিগৰাকী কৃষক তথা কৃষি বিভাগ
খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ
উপায়ুক্ত, মহকুমাধিপতি, চক্ৰ বিষয়া,খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়
জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু জলসম্পদ বিভাগৰ
বিষয়া-কৰ্মচাৰী তথা অসমৰ সকলো চাফাই কৰ্মীলৈ
আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

অৰুণোদয় আঁচনি

বৈশিষ্ট্যসমূহ

- আর্থিকভাবে দুর্বল পৰিয়াললৈ মাহিলি ৮৩০ টকাৰ আর্থিক সাহায্য
- পৰিয়ালৰ দ্বাৰা নির্বাচিত মহিলাগৰাকীৰ নামত এই সুবিধা প্রদান কৰা হ'ব
- হিতাধিকাৰীৰ বেংক একাউন্টত প্রত্যক্ষ হস্তান্তৰ প্রক্রিয়াৰে ধনৰাশি জমা কৰা হ'ব।
- প্রথম পর্যায়ত ৰাজ্যৰ প্রায় ১৯ লাখ হিতাধিকাৰীক সাঙুৰি লোৱাৰ লক্ষ্য

যোগ্যতা

- আবেদনকাৰী অসমৰ স্থায়ী বাসিন্দা হ'ব লাগিব
- বর্তমান অসমত বসবাস কৰা হ'ব লাগিব
- পৰিয়ালৰ মুঠ বার্ষিক আয় ২ লাখ টকাতকৈ কম হ'ব লাগিব
- আবেদনকাৰীৰ বেংক একাউন্ট থকাটো বাধ্যতামূলক

অগ্রাধিকাৰ লাভ কৰিবলগীয়া পৰিয়ালসমূহ

- স্বামীহীনা, বিবাহ বিচ্ছেদিত, অবিবাহিত, পৰিয়ালৰ পৰা বিচ্ছেদিত মহিলা থকা পৰিয়াল
- দিব্যাংগ সদস্য থকা পৰিয়াল

২ অক্টোবৰ, ২০২০ ৰ পৰা এই আঁচনি কার্যকৰী হ'ব ।

পঞ্জীয়ন কৰক : assam.mygov.in

/mygovassam